

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ২৯৭ ■ গুৱাহাটী ■ সোমবাৰ, ৬ জুন, ২০২২, ২২ জেঠ, ১৯৪৪ শক   RNP/GH/248/2114-2017   গুৱাহাটী সংস্কৰণ   ■ e-paper : www.dainandinbartagroup.in   ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 297 Dainandin Barta ■ Guwahati, Monday ■ 6 June, 2022   ■ RNI REGD. NO. ASSASS/2010/39449   Total Pages =12 ■ Rs. 10.00 Only




*ফ্ৰেন্স অপেনৰ চেম্পিয়ন নাডাল ঃ ১৪বাৰলৈ লাভ কৰিলে ৰোঁলা গেৰোঁৰ খিতাপ ঃ ২২সংখ্যক গ্ৰেণ্ড শ্লেম খিতাপ লাভ*

# মহানগৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

■ মহানগৰীৰ যিবোৰ পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা নাই, সেই পথসমূহত অতিশীঘ্ৰে ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

■ নিৰ্মাণৰত উৰণ সেতুসমূহ সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ হৈ উঠিব ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৫ জুন ঃ** গুৱাহাটী মহানগৰীৰ সমস্যাৰাজি বিশেষকৈ ষ্ট্ৰীট লাইটৰ শেহতীয়া অৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া খানাপাৰা, লখৰা, জালুকবাৰী, আদাবাৰী, মালিগাঁও, ভৰলুমুখ, চানমাৰি, বামুণীমৈদাম, নুনমাটি, নাৰেংগী, ভি আই পি ৰোড, ছয়মাইল, গণেশগুৰি, উলুবাৰী তথা ৰাধা গোবিন্দ বৰুৱা পথৰ বিভিন্ন স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে বিভিন্ন পথত থকা ষ্ট্ৰীট লাইটৰ বিষয়টো বুজ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰীৰ ■ ৮ পৃষ্ঠাত

### বিশ্ব পৰিৱেশ দিৱসত মোদী

## বিগত বছৰত ভাৰতৰ বনাঞ্চল হাজাৰ বৰ্গ কিলোমিটাৰতকৈও অধিক বৃদ্ধি পাইছে



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৫ জুন ঃ** বিগত ৮ বছৰত ভাৰতৰ বনাঞ্চল ২০ হাজাৰ বৰ্গ কিলোমিটাৰতকৈও অধিক বৃদ্ধি পাইছে। এই মন্তব্য কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মাটি বচাওক আন্দোলন' শীৰ্ষক এক কাৰ্যসূচীত অংশগ্ৰহণ কৰি কয় যে যোৱা আঠ বছৰত ভাৰতৰ বনাঞ্চল ২০,০০০ বৰ্গ কিলোমিটাৰৰো অধিক বৃদ্ধি পাইছে। ঈশা ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক সদগুৰুৰ সৈতে অংশগ্ৰহণ কৰা সভাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আজি ভাৰতে পেট্ৰলত ১০ শতাংশ ইথানল মিশ্ৰণ কৰি সুফল পাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা 'নগণ্য' হ'লেও পৰিৱেশ সুৰক্ষাৰ বাবে ভাৰতৰ এনে প্ৰচেষ্টাৰ ফল সুদূৰপ্ৰসাৰী হ'ব। আগতে, আমাৰ কৃষকসকলে মাটিৰ স্বাস্থ্যৰ বিষয়ে অৱগত নাছিল। ■ ৮ পৃষ্ঠাত



### দোৱাৰ-আমলা বিজেপিত মৃদু বিসম্বাদ টিকটবঞ্চিত প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ ঃ কংগ্ৰেছক জিকাই বিজেপিত যোগদানৰ পৰিকল্পনা

## কংগ্ৰেছৰ প্ৰাৰ্থীক পৰাজিত কৰাৰ আহ্বান নিকটতম আত্মীয়ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ' ৫ জুন ঃ** সমাগত ত্ৰয়োদশ কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদীয় নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ নটাকৈ পৰিষদীয় সমষ্টিত অবিৰাম গতিত আগবাঢ়িছে নিৰ্বাচনী প্ৰচাৰ। জিলাখনৰ অন্তৰ্গত তথা কাৰ্বি পৰিষদৰ প্ৰথম

## প্ৰাথমিক সদস্য পদৰ পৰা নিলম্বিত নূপুৰ শৰ্মাক



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৫ জুন ঃ** পয়গম্বৰ হজৰত মহম্মদক লৈ বিতৰ্কিত মন্তব্য কৰি দলৰ পৰা নিলম্বিত হ'ল বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মা। নূপুৰ শৰ্মাই এটা টেলিভিছন টক শ্ব'ত হজৰত মহম্মদৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাৰ পিছতে কানপুৰত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। এটা টি ভি বিতৰ্কত অংশ লৈ মহম্মদ সম্পৰ্কত বিতৰ্কিত মন্তব্য কৰিছিল ■ ৮ পৃষ্ঠাত

## ডিমৌৰ চাৰিলেনযুক্ত পথত পুখুৰীসদৃশ গাঁত

### দৈনিক সংঘটিত হৈছে পথ দুৰ্ঘটনা ঃ কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৫ জুন ঃ** চাৰিলেনযুক্ত পথ নিৰ্মাণৰ নামত জনসাধাৰণক পণবন্দী কৰি কেইটামান তথা কথিত পথ নিৰ্মাণকাৰী সংস্থাৰ চূড়ান্ত কাণ্ড জ্ঞানহীনতাৰ ফলত ডিমৌৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত দৈনিক বৃদ্ধি পাইছে পথ দুৰ্ঘটনাৰ সংখ্যা। চাৰিলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থাই মৰণফাণ্ডত পৰিণত হোৱা পথছোৱাত বৰ্তমান পুখুৰী সদৃশ গাঁতৰ সংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে জনসাধাৰণে যাতায়ত কৰাত যমৰ যাতনা ভোগ কৰাৰ উপৰিও দৈনিক সংঘটিত হোৱা পথ দুৰ্ঘটনাত বিভিন্ন জন পথচাৰী তথা চালকে মৃত্যুক ■ ৮ পৃষ্ঠাত

## 'স্ট্ৰীমিং বাটাৰফ্লাইজ'ৰে ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিল অভিনেত্ৰী আইমী বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৫ জুন ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ উজলি উঠিছে জনপ্ৰিয় অভিনেত্ৰী তথা পৰিচালক আইমী বৰুৱা। ডিমাছা ভাষাত নিৰ্মিত ছবি 'চেমখৰ'ৰ জৰিয়তে দেশৰ লগতে বিদেশতো অসমক গৌৰৱান্বিত কৰিবলৈ সমৰ্থ হোৱা অভিনেত্ৰীগৰাকীয়ে এইবাৰ তথ্যচিত্ৰৰে সকলোৰে হৃদয় জিনিবলৈ সমৰ্থ হৈছে। ১৭ সংখ্যক মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত জিলিকি উঠা এই তথ্যচিত্ৰখন হৈছে 'স্ট্ৰীমিং বাটাৰফ্লাইজ'। ৬০ মিনিটতকৈ কম সময়ৰ তথ্যচিত্ৰৰ শিতানত আইমী বৰুৱাই পৰিচালনা কৰা তথ্যচিত্ৰখনে চলচ্চিত্ৰ মহোৎসৱখনিত ■ ৮ পৃষ্ঠাত



# বিশ্ব পৰিৱেশ দিৱস পালন

### পানীদিহিং পক্ষী অভয়াৰণ্যত জিলা ট্যুৰিষ্ট গাইড আৰু সামাজিক সংস্থা অৰণ্যমে ৰোপণ কৰিলে গছপুলি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৫ জুন ঃ** উজনি অসমৰ একমাত্ৰ পক্ষী অভয়াৰণ্য পানীদিহিঙত আজি জিলা ট্যুৰিষ্ট গাইড আৰু সামাজিক সংস্থা অৰণ্যমৰ উদ্যোগত, জিলা পৰ্যটন বিভাগৰ সহযোগত এক বৃক্ষ ৰোপন কাৰ্যসূচী ৰূপায়ন কৰা হয়। পানীদিহিং পক্ষী অভয়াৰণ্যৰ গাতে লাগি থকা চ'ৰগুৱা বন উপ-সংমণ্ডল কাৰ্যালয়ৰ সমীপত তথা পানীদিহিং পক্ষী অভয়াৰণ্যলৈ পৰ্যটকে অহা-যোৱা কৰা পথৰ কাষত ■ ৮ পৃষ্ঠাত

## ডিব্ৰুগড়ত সলিল সমাধি এটি শিশু

### কথমপি প্ৰাণ ৰক্ষা আন এটি শিশুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৫ জুন ঃ** ডিব্ৰুগড়ত আজি সংঘটিত হয় অঘটন। প্ৰধামন্ত্ৰী আগমনৰ সময়ত ডিব্ৰুগড় হিলৈধাৰীত হেলিপেড নিৰ্মাণ কৰিব বাবে খন্দা হেলিপেডৰ গাঁতত পৰি মৃত্যু এটি শিশু। কথমপি প্ৰাণ ৰক্ষা আন এটি শিশুৰ। ডিব্ৰুগড় হিলৈধাৰী গাঁৱৰ বিতুল দাসৰ পুত্ৰ তথা শিশু ভাৰতী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ অনচ দাসৰ (১০) সলিল সমাধি হয়। ■ ৮ পৃষ্ঠাত

## অতুল পৌৰাণিক আয়ুৰ্বেদিক চিকিৎসা কেন্দ্ৰৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, জুন ঃ** যি সময়ত ৰাজ্যত দুৰাৰোগ্য কেন্সাৰ ৰোগৰ চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰে টাটা ন্যাসৰ যৌথ উদ্যোগত কেন্সাৰ হাস্পতাল মুকলি কৰি আধুনিক চিকিৎসা পদ্ধতিক সহজ - সুলভ কৰিব বিচাৰিছে, সেই সময়তে পৌৰাণিক আয়ুৰ্বেদিক চিকিৎসা পদ্ধতি অৱলম্বন কৰি বনৌষধিৰ পৰা নিজ হাতেৰে তৈয়াৰ কৰা 'অতুল শক্তি চূৰ্ণ', 'ৰসময়ী সালসা' , 'অভিজিৎ বটিকা' আৰু 'পিংকি বটিকা' দৰবৰ দ্বাৰা কেন্সাৰ ৰোগৰ চিকিৎসা কৰি ৰোগীক সুস্থ কৰি তোলাৰ দাবী কৰিছে হেকিম ডাঃ অতুল মণ্ডলে। বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত শনিবাৰে আয়োজিত এক সংবাদ মেলত বঙাইগাঁও-চিৰাঙৰ সীমামূৰীয়া তথা বঙাইগাঁও শোধনাগাৰ ৫ নম্বৰ গেটৰ সমীপৰ কুকুৰমাৰীত থাকি ৰোগীক চিকিৎসা সেৱা আগবঢ়াই থকা মালদাৰ হেকিম ডাঃ অতুল মণ্ডলে দাবী কৰা মতে অস্ত্ৰোপচাৰ নকৰা, ■ ৮ পৃষ্ঠাত

# ছেক্স'ৰ বিনিময়ত এখন পিএইচডি থেছিছ!



### জুৰী বৰা বৰগোহাঞিৰ নতুন উপন্যাস 'চিঞৰ' ঃ চিঞৰত বহু বিস্ফোৰক বিষয় উপস্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৫ জুন ঃ** উচ্চ শিক্ষা প্ৰতিষ্ঠানত যৌন-শোষণ ক্ৰমাৎ বাঢ়ি আহিছে। 'মি টু' আন্দোলনৰ প্ৰভাৱে বৰ্তমানেও না না গোপন কাহিনী আমাৰ সমুখত উন্মোচিত কৰি আছে। বাতৰি কাকত, নিউজ চেনেলত আজিকালি শৈক্ষিক প্ৰতিষ্ঠান কিছুমানৰ এনে ঘটনাবোৰ বেনাৰ হেডলাইন, ব্ৰেকিং নিউজ হৈ প্ৰচাৰ হৈ আছে। প্ৰায় প্ৰতিদিনেই এনেধৰণৰ বাতৰি প্ৰচাৰ হোৱা দেখা যায়। শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ ভিতৰচ'ৰাত ঘটা এনে কাণ্ডই বহু চিন্তাশীল লোকৰ মনত উদ্বেগ সৃষ্টি কৰিছে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় বা অন্যান্য শিক্ষাৰ প্ৰতিষ্ঠানসমূহতো নাৰীসকল যেন সুৰক্ষিত নহয় তেনে এক পৰিৱেশ সৃষ্টি হৈছে। আনহাতে বিশ্ববিদ্যালয় পৰ্যায়ত কেৰিয়াৰৰ জখলাত বগাই যোৱাৰ প্ৰতিযোগিতাত সকলো বস্তু পণ্য হৈ যোৱাৰ দৰে সন্মানজনক শৈক্ষিক ডিগ্ৰীও পণ্য হৈ গৈছে নেকি? পি এইচ ডি বা ডক্তৰেট ডিগ্ৰী আমাৰ সমাজৰ বাবে আটাইতকৈ সন্মানজনক ডিগ্ৰী। চাকৰি, পদোন্নতি, বিদ্যায়তনিক স্বীকৃতি বা অন্য গৱেষণাৰ বাবে এই ডিগ্ৰী ■ ৮ পৃষ্ঠাত




### পশ্চিম দৰঙত চৰকাৰী সম্পত্তি বিনষ্ট

# ৬ লাখটকীয়া বজাৰ গৃহ ধ্বংসৰ দিশে গতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৫ জুন ঃ** চৰকাৰৰ বিভিন্ন বিভাগে উন্নয়ন আঁচনিৰ নামত বছৰি ৰাজকোষৰ লক্ষ লক্ষ টকা আবণ্টন দি খৰচ কৰি আহিছে যদিও ৰূপায়ণ আঁচনিসমূহত চলা অনিয়ম-অনীতিৰে পালমাৰি কৰাৰ বাবেই কম সময়তে তেনে আঁচনিসমূহ ধ্বংস হৈ যোৱাৰ উপক্ৰম ঘটিছে। দৰঙৰ ছিপাঝাৰ তথা পশ্চিম দৰং অঞ্চলৰ বৃহত্তৰ ঘোপেলীত থকা সাপ্তাহিক দেওবৰীয়া বজাৰত ২০০৬ বৰ্ষত গ্ৰামোন্নয়ন বিভাগৰ ৬ লক্ষ টকাৰে সভাগৃহ আকাৰত নিৰ্মাণ কৰা হৈছিল এটা বজাৰ গৃহ। য'ত ৰূপায়ণৰ নামত কেই গৰাকীমান যুৱ ঠিকাদাৰে একেবাৰে নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি পালমাৰি আঁচনিখন ৰূপায়ণ কৰে। কিন্তু কেইটামান মাহৰ পিছতে ৰাইজে ভবা মতেই পকী মজিয়া বখলা-বখলকৈ এৰি যোৱাৰ লগতে চালিৰ নিম্নমানৰ টিনসমূহ ফুটি-ফাটি জহি খহি যাব ধৰে। আঁচনিৰ নামত ৰাইজৰ পৰিৱৰ্তে বিষয়া-ঠিকাদাৰহে উপকৃত হোৱা উক্ত বজাৰ গৃহটো সম্প্ৰতি ধ্বংসৰ দিশে গতি কৰাত সচেতন লোকসকলক ভবাই তুলিছে। কিয়নো আঁচনিখনৰ জৰিয়তে ৰ'দ-বৰষুণৰ বতৰত বজাৰত থকা ক্ৰেতা-বিক্ৰেতাসকল উপকৃত হ'ব পাৰে। এনে এখন প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ আঁচনি মেৰামতি কৰি কাৰ্যক্ষম কৰি তোলাৰ বিপৰীতে ধ্বংস হৈ যাব দিয়াটো আশ্চৰ্যজনক কথা। পঞ্চায়ত ব্যৱস্থাই এনে আঁচনিসমূহ মেৰামতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে যদিও এইবোৰক লৈ তিলমানো গুৰুত্ব নিদিয়াটো দুৰ্ভাগ্যজনক। আনহাতে, বজাৰখনত থকা প্ৰস্ৰাৱাগাৰটোত হাবি-জংঘলেৰে আৱৰি ধৰিছে। এই লৈ বজাৰৰ মহলদাৰৰ নাই কোনো ভ্ৰূক্ষেপ। পৰিতাপৰ কথা যে বজাৰৰ লোকসকলে মুকলি ঠাইতে প্ৰস্ৰাৱ কৰি প্ৰদূষণৰ সৃষ্টি কৰি অহাটো আশ্চৰ্যজনক কথা। বিভাগৰ এই লৈ একোকে দায়িত্ব নোহোৱাটো চিন্তনীয় হৈ পৰিছে।

## নলবাৰীৰ বৰকুৰাত বিনামূলীয়া থেৰাপী সেৱা কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৫ জুন ঃ** বিশ্বৰ ১২০ খন দেশত উপলব্ধ হোৱা নুগাবেষ্টৰ বিনামূলীয়া সেৱা আজিৰে পৰা আৰম্ভ হল নলবাৰীত। আজি নলবাৰীৰ বৰকুৰাত নুগাবেষ্ট (NUGA BEST) ৰ বিনামূলীয়া DEMO থেৰাপী সেৱা মুকলি কৰা হয়। উল্লেখযোগ্য যে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ কাৰ্যসূচীৰে আজি নুগাবেষ্ট নলবাৰীৰ প্ৰথমটো সেৱা কেন্দ্ৰ মুকলি কৰা হয়। আনহাতে এই কেন্দ্ৰটোত প্ৰতি দিনেই বিনামূলীয়াকে ২০০ গৰাকীয়ে থেৰাপীৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। ইফালে আজিৰ এই কেন্দ্ৰটোৰ গৰাকী কিশোৰ নাথ, ধনজিৎ কুমাৰ নাথ আৰু বিশ্বজিৎ নাথ আৰু প্ৰদীপ নাথ আৰু




নলবাৰী জিলা পৰিষদৰ সদস্য বিৰাজ মেধি উপস্থিত থাকে। আনহাতে নৰ্থ-ইষ্টৰ ৮ টাকৈ স্থানত উপলব্ধ এই সেৱা কেন্দ্ৰ উপলব্ধ হব।

## পদপথৰ ব্যৱসায়ীৰ সকলো দায়িত্ব পৌৰ নিগমে লোৱা সম্ভৱ নহয় ঃ মৃগেন শৰণীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৫ জুন ঃ** গুৱাহাটী মহানগৰীৰ পদাপথৰ ব্যৱসায়ী সকলক শীঘ্ৰেই ফুটপাথ সমূহ খালী কৰিবলৈ গুৱাহাটী পৌৰনিগমে আহ্বান জনাইছে। যিসকল ব্যৱসায়ীয়ে ফুটপথ সমূহ খালী নকৰে তেওঁ লোকৰ বিৰুদ্ধে উচ্ছেদ অব্যাহত থাকিব বুলি মেয়ৰ মৃগেন শৰনীয়াই কয়। আজি পল্টনবজাৰ সুভাষ চন্দ্ৰ বসু জন্মজয়ন্তী উদযাপন সমিতিৰ উদ্যোগত উদ্দীপন ফাউণ্ডেচনৰ সহযোগত আয়োজিত বিশ্ব পৰিবেশ দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকি মেয়ৰ মৃগেন শৰনীয়াই এইদৰে কয়। তেওঁ কয় যে ফুটপথত ব্যৱসায়ী কৰা সকলো দায়িত্বত গুৱাহাটী পৌৰনিগমে লোৱা সম্ভব নহয়। ধনী মানুহে গাড়ীৰে অহাযোৱা কৰে তেওঁলোকৰ বিশেষ অসুবিধা নহয়। সাধাৰণ নাগৰিকে খোজকাঢ়ি মহানগৰীৰ ঘুৰা ফুৰা কৰে। সেই সকল নাগৰিকৰ প্ৰতি লক্ষ্য ৰাখি পদপথ সমূহ খালী কৰিব লাগিব। পদপথৰ একাংশ ব্যৱসায়ী গোটেই ফুটপথ টো ব্যৱসায়ৰে বন্ধ কৰি পেলাইছে। আনকি টিৰ্পাল লগাই টেবুল চকী পাৰি সম্পূৰ্ণভাবে ফুটপথ বন্ধ কৰিছে। সেই বাবেই মানুহে ফুটপথৰে অহাযোৱা কৰিব নোৱাৰা অৱস্থা হৈছে বুলি শৰনীয়াই উল্লেখ কৰে। তেওঁ লগতে কয় ব্যৱসায়ী সকলে নিজৰ নিজৰ অঞ্চল সমূহৰ মানুহৰ ঘৰে ঘৰে গৈ ব্যৱসায় আৰম্ভ কৰাৰ পৰামৰ্শ দিয়ে মৃগেন শৰনীয়াই। উল্লখ্য যে বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি পল্টনবজাত বৃক্ষ ৰোপণ কৰা হয়। সুভাষ চন্দ বসু উদযাপন সমিতিৰ সাধাৰণ সম্পাদক ৰাজীব দাস, কাৰ্যকৰী সভাপতি দেৱশিষ সেনগুপ্ত, উদ্দীপন ফাউণ্ডেচনৰ সভাপতি মনোজ ডেকা, সম্পাদক কমল শইকীয়া উপস্থিত থাকে।

## চামতাত বিশেষ প্ৰসৱ পূৰ্বক অভিযান আৰম্ভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৫ জুন ঃ** প্ৰতিগৰাকী গৰ্ভৱতী মহিলাৰ এনিমিয়াকে ধৰি বিভিন্ন গৰ্ভকালীন সমস্যাসমূহ হ্ৰাস কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে নলবাৰী জিলাতো ৩০ মে'ৰ পৰা ৫ জুনলৈ বিশেষ প্ৰসৱ পূৰ্বক অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ অধীনত চামতা সামূহিক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ মুগকুছি হেল্‌থ ৱেলনেছ চেণ্টাৰ আৰু এলেঙিদল স্বাস্থ্য কেন্দ্ৰত সামূহিক স্বাস্থ্য বিষয়া অপৰ্ণা বৰ্মনৰ তত্ত্বাৱধানত এক বিশেষ প্ৰসৱপূৰ্বক পৰীক্ষণ শিবিৰ অনুষ্ঠিত হয়। উক্ত শিবিৰত উক্ত অঞ্চলটোৰ ভালেকেইগৰাকী প্ৰসূতিৰ গৰ্ভকালীন পৰীক্ষাসমূহ কৰাৰ লগত গৰ্ভকালীন খাদ্যাভ্যাসসমূহৰ বিষয়ে কোৱা হয়। ৩০ মে'ৰ পৰা আৰম্ভ হোৱা উক্ত শিবিৰত সামূহিক সামূহিক স্বাস্থ্য বিষয়া অপৰ্ণা বৰ্মনৰ লগতে এএনএম দীপিকা তালুকদাৰ, প্ৰতিভা ৰাজবংশী, পাপৰি ভূএগ্ৰা, এমপিডব্লিউ দেৱজতি শৰ্মা তথা আশাকৰ্মীসকল উপস্থিত থাকে।

## বিশ্ব পৰিৱেশ দিৱসত ৰাজ্যজুৰি ভিন্ন কাৰ্যসূচী ৰূপায়ণ কৃষক মৰ্চাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৫ জুন ঃ** নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ আঠ বছৰ পূৰ্তি উপলক্ষে ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশজুৰি গ্ৰহণ কৰা '৮ বছৰ : সেৱা, সু-শাসন আৰু গৰীৱ কল্যাণ' শীৰ্ষক কাৰ্যসূচীৰ অধীনত তথা 'বিশ্ব পৰিৱেশ দিৱস'ৰ লগত সংগতি ৰাখি আজি কৃষক মৰ্চাৰ অসম প্ৰদেশ সমিতিয়ে ভাজপাৰ মূল সমিতিৰ লগতে অন্যান্য সকলো মৰ্চাৰ সহযোগত ৰাজ্যখনৰ বিভিন্ন জিলাত গছপুলি ৰোপণ, বিতৰণ আদি কাৰ্যসূচী গ্ৰহণ কৰে। একে উদ্দেশ্যৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকন ডাঙৰীয়াৰ উদ্যোগত তথা গোলাঘাট জিলা কৃষক মৰ্চাৰ সহযোগত বৰপথাৰ টেঙানিৰ দুই নৈ মুখত 'এক লাখ গছপুলি ৰোপণ' কাৰ্যসূচীত উপস্থিত থাকে কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিত বৰা।



এই কাৰ্যসূচীত বিধায়ক বিশ্বজিত ফুকনৰ লগতে সাংসদ কামাখ্যাপ্ৰসাদ তাচা, জিলা ভাজপাৰ সভাপতি দেবপ্ৰদীপ বৰা, জিলা উপায়ুক্ত প্ৰমুখ্যে বিশিষ্ট ব্যক্তি সকলে ভাগ লয়। উল্লেখযোগ্য যে, কৃষক মৰ্চাৰ উদ্যোগত তথা ভাজপাৰ অন্যান্য মৰ্চা আৰু মূল সমিতিৰ সহযোগত আজি অসমৰ মুঠ ৩৭ খন জিলাত পৰিৱেশ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সেই অনুসৰি কামৰূপ জিলা কৃষক মৰ্চাৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত উপস্থিত থাকে কৃষক মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি ঋষিৰাজ হাজৰিকা, কামৰূপ জিলা কৃষক মৰ্চাৰ সভাপতি সঞ্জীৱ সমৰ ডেকা, জাগ্ৰত যুৱ সমাজৰ সভাপতি তথা ৰাজ্যিক কাৰ্যালয় সম্পাদক সুজিত বিশ্বাস, কৃষক মৰ্চা অসম প্ৰদেশৰ সাধাৰণ সম্পাদক ইন্দ্ৰাণী তহবিলদাৰ, সংবাদ মাধ্যম আহ্বায়িকা অসমী বৰা, কাৰ্যালয় সম্পাদিকা তৃষ্ণা দাস শৰ্মা, কৃষক মৰ্চাৰ ৰাজ্যিক সদস্য অনুৰাগ চলিহা জিলা আৰু মণ্ডলৰ কাৰ্যকৰ্তাসকল। এই অনুষ্ঠানত গছপুলি বিতৰণ, ৰোপণ, সজাগতা সভা আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। বেজৰা মণ্ডলত উপস্থিত থাকে কৃষক মৰ্চাৰ উপসভাপতি ৰঞ্জিত ভট্টৰায়, সাধাৰণ সম্পাদক নিবাৰণ লহকৰ আৰু মণ্ডলৰ বিষয়ববীয়াসকল।

## তামুলপুৰ আঞ্চলিক ই- ৰিক্সা সন্থাৰ স্থায়ী ভৱনৰ আধাৰশিলা অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৫ জুন ঃ** তামুলপুৰ জিলা সদৰৰ ঘগ্ৰাচ'কত আজি তামুলপুৰ আঞ্চলিক ই- ৰিক্সা সন্থাৰ এটি স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। সম্পূৰ্ণ এক মাংগলিক পৰিৱেশত আধাৰশিলা স্থাপন কৰে তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ প্ৰাক্তন সভাপতি ভবেন্দ্ৰ নাথ দাসে। আধাৰশিলা স্থাপন অনুষ্ঠানত তামুলপুৰ আঞ্চলিক ই- ৰিক্সা সন্থাৰ উপ সভাপতি অনন্ত ৰাজবংশী, শ্ৰমিক সন্থাৰ উপদেষ্টা এডভোকেট নৰকান্ত দাস, তামুলপুৰ আঞ্চলিক শ্ৰমিক সন্থাৰ প্ৰাক্তন বিষয়ববীয়া বিপিন দাস, বিশ্ব শৰ্মাৰ উপৰিও তামুলপুৰ আঞ্চলিক ই- ৰিক্সা সন্থাৰ শতাধিক সদস্য উপস্থিত থাকে।

## মাজবাটত এপলো সম্পিতালৰ তথ্য কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৫ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট টাউনৰ মাজ মজিয়াত চেন্নাইৰ এপলো সম্পিতালৰ তথ্য কেন্দ্ৰ মুকলি কৰা হয়। তথ্য কেন্দ্ৰটো মুকলি কৰে চেন্নাইৰ এপলো সম্পিতালৰ অভিজ্ঞ চিকিৎসক ডাঃ নৱীন পদ্মনাভনে। পদ্মনাভনে তথ্য কেন্দ্ৰটো মুকলি কৰি কয় যে মই সদায় আপোনালোকৰ চিকিৎসা সেৱা কৰিবৰ কাৰণে ব্ৰতি। উক্ত তথ্য কেন্দ্ৰ মাজবাটৰ ইউকো বেংকৰ কাষত এপলো সম্পিতাল তথ্য কেন্দ্ৰ মাজবাটৰ লগত যোগা যোগ কৰিব পাৰিব বুলি ৰত্না মেডিকেলৰ স্বত্বাধিকাৰি বান্টি দেয় জানিবলৈ দিয়ে। ওদালগুৰি জিলাৰ লগতে সমূহ মাজবাট বাসিৰ ৰাইজৰ কাৰণে যি কোনো কেন্সাৰ সমস্যা ব্লাড কেন্সাৰ ৰেকটেল কেন্সাৰ, কিডনি, লিভাৰ, স্কিন, থায়,ৰোয়ড আদি কেন্সাৰৰ সমস্যাৰৰ সমস্যাত পৰিলে এই তথ্য কেন্দ্ৰত যোগাযোগ কৰি চিকিৎসা সেবা গ্ৰহণ কৰি আৰোগ্য লাভ কৰিব। তথ্য কেন্দ্ৰটো মুকলি কৰাত মাজবাট অঞ্চলৰ লগতে ওদালগুৰি জিলাৰ জনসাধাৰণে সুবিধা সমূহ লব পাৰিব। আজিৰ এই তথ্য কেন্দ্ৰ মুকলি অনুষ্ঠানত উপস্থিত থাকে তেজপুৰৰ এপলো সম্পিতাল ইনফৰমেশন চেন্টাৰৰ স্বত্বাধিকাৰ প্ৰিতম বৰঠাকুৰ লগতে চেন্নাইৰ এপলো সম্পিতালৰ মেনেজাৰ আদি উপস্থিত থাকে।

## মাজবাটত এক্সপ্ৰেছ ৰে'ল ৰখোৱাৰ দাবী জনাই উত্তৰ-পূবৰ মহাপ্ৰবন্ধকক পত্ৰ প্ৰেৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৫ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট ৰেলৱে ষ্টেচনত যোৱা ৪ জুন আবেলি ৫ মান বজাত মাজবাট বাসি ৰাইজ তথা বিভিন্ন দল সংগঠনে ৩৯ নং পাচঁনৈ ছেৰফাং পৰিষদিয় সমষ্টিৰ এম চি এল এ দীপক মৌৰৰ নেতৃত্বত উত্তৰ পূব সীমান্ত ৰেলৱে বিভাগৰ মহা প্ৰবন্ধক অঞ্চল গুপ্তাৰ হাতত কামৰূপ এ'প্ৰেস, অৰুণাচল এ'প্ৰেস, শতাব্দী এ'প্ৰেস, দৈনিপুল এ'প্ৰেস, টি বি এম এ'প্ৰেস আদি এ'প্ৰেস সমূহ মাজবাটত ৰখোৱাৰ দাবিৰে এখন স্মাৰক পত্ৰ হাতত তুলি দিয়ে। মহাপ্ৰবন্ধক জনে স্মাৰক পত্ৰ হাতত লৈ কয় যে অলপ দিনৰ ভিতৰত আপোনালোকৰ দাবি পত্ৰ বোৰ চাই বেৱস্থা লোৱা হব বুলি কয়। আজিৰ এই কাৰ্যসূচীত মাজবাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উৎপল কুমাৰ ডেকা,আৰক্ষী চক্ৰ পৰিদৰ্শক জে সিং, মাজবাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জে পি শৰ্মা, লালপানী আৰক্ষী চকীৰ আৰক্ষী বিষয়া ৰাজীৱ গোঁহাই, ৰেলৱে বিভাগৰ আৰক্ষী বিষয়া মন্টু ডেকা আদি উপস্থিত থাকে।

## ঘগ্ৰাপাৰ-বৰাজোলত গুণোৎসৱত অংশগ্ৰহণ কৰি অভিভূত বহিঃ নিৰীক্ষক

### গুণোৎসৱে আনিছে ইতিবাচক পৰিৱৰ্তন ঃ ৰাজশ্ৰী শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৫ জুন ঃ** ৰাজ্যখনৰ অন্য কেইবাখনো জিলাৰ লগতে নলবাৰীতো চলা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ কালি সামৰণি পৰে। জিলাখনৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ ২০১খন বিদ্যালয়ত চলা গুণোৎসৱত বহিঃ নিৰীক্ষক, প্ৰশ্ন-পত্ৰ, ও এম আৰ আদিৰ কোনো সমস্যাৰ উদ্ভৱ হোৱা নাই যদিও প্ৰশ্ন-পত্ৰত থকা ছপা ভুলৰ বাবে একাংশ অভিভাৱক অসন্তুষ্ট হোৱাৰ খবৰ পোৱা গৈছে। আজি বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অধীনস্থ বৰাজোল ছোৱালী হাইস্কুল, বৰাজোল আঞ্চলিক এম ই মাদ্ৰাছা, ধুৰকুছিয়াপাৰা প্ৰাথমিক বিদ্যালয় আদি ভ্ৰমণ কৰে সমগ্ৰ শিক্ষা অসমৰ ৰাজ্যিক তথ্য বিশেষক ৰাজশ্ৰী শইকীয়াই। শিক্ষাখণ্ডটোৰ অন্যতম সমল ব্যক্তি সুভাষ বৰ্মনে পৰিদৰ্শন কালত তেওঁক সহযোগিতা আগবঢ়ায়। বৰাজোল ছোৱালী হাইস্কুলত কাৰ্যক্ৰমণিকাৰ দ্বিতীয়াৰ্ধত অনুষ্ঠিত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, মাতৃগোট, অভিভাৱক আৰু ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত চমু সভাখনত ৰাজশ্ৰী শইকীয়াই কয় যে বিদ্যালয়বোৰ উন্নত মানৰ কৰাত গুণোৎসৱৰ দৰে অনুষ্ঠানে সহায় কৰিব। বহিঃ নিৰীক্ষক হীৰেন কুমাৰ দাসে সমগ্ৰ কাৰ্য পৰিচালনা প্ৰত্যক্ষ কৰি সাংবাদিকৰ আগত গভীৰ সন্তুষ্টি ব্যক্ত কৰে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নৃপেন ডেকা আৰু বৰ্তমানৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক চৈয়দ আব্দুল হাকিমে বিদ্যালয়খনত বিজ্ঞানাগাৰ, কম্পিউটাৰ লেব'লোটেৰি আদিৰ অভাৱৰ কথা উল্লেখ কৰে। পুৱাৰ ভাগতেই ঘগ্ৰাপাৰৰ জ্যেষ্ঠ সাংবাদিক বীৰেন কলিতা, তপন দাস, দ্বীজেন ডেকা আদিয়ে পৃথকে পৃথকে ভ্ৰমণ কৰি বিদ্যালয়বোৰৰ প্ৰধানেৰে বিভিন্ন দিশ আলোচনা কৰে। বৰাজোল আঞ্চলিক এম ই মাদ্ৰাছাৰ প্ৰধান কালীচৰণ কলিতাই বিদ্যালয়খনৰ সামগ্ৰিক অৱস্থাৰ ব্যাখ্যা কৰি কয় যে বিদ্যালয় ভৱনবোৰত কিছু মেৰামতিৰ প্ৰয়োজন হৈ পৰিছে। বহিঃ নিৰীক্ষকৰূপে উপস্থিত থকা হাজোৰ সুৰেন দাস কলেজৰ শিক্ষা বিভাগৰ অধ্যাপিকা ড° বিনীতা দেৱীয়ে সামগ্ৰিক দিশ প্ৰত্যক্ষ কৰি সন্তুষ্টি ব্যক্ত কৰে। ধুৰকুছিয়াপাৰা প্ৰাথমিক বিদ্যালয়ৰ বহিঃ নিৰীক্ষক হিচাপে উপস্থিত থকা জিলা ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰবন্ধক মোহাক্ষি দত্ত হাজৰিকাই বিদ্যালয়খনৰ সমগ্ৰ দিশ পৰ্যালোচনা কৰে। চি আৰ চি চি নিপু শৰণীয়াই নিখুঁতভাৱে দায়িত্ব সম্পন্ন কৰাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা, জিলাখনৰ শিক্ষা বিভাগৰ বিত্ত আৰু একাউণ্ট বিষয়া পৰেশ ডেকা, সহঃ পৰিদৰ্শক জ্যোতিষ দাস, ব্লক এম আই এছ ক'অৰ্ডিনেটৰ সুশান্তমল্ল বৰুৱা আদিয়ে ধন্যবাদ জ্ঞাপন কৰিছে।

## বগুলামাৰী আঞ্চলিক হাইস্কুলৰ গুণোৎসৱ সম্পন্ন

### প্ৰাচীৰ পত্ৰিকা উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ৫ জুন ঃ** ৰাজ্যত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ চলি থকাৰ মাজতে যোৱা ১ আৰু ২ জুনত বা'ং জিলাৰ বগুলামাৰী আঞ্চলিক হাইস্কুলত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ সম্পন্ন হৈ যায়। গুণোৎসৱৰ প্ৰথমদিনা স্ব-মূল্যায়ন হোৱাৰ লগতে এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়। বিদ্যালয়খনৰ সাহিত্য বিভাগৰ তত্ত্বাৱধায়ক লীলাধৰ পাঠকৰ প্ৰচেষ্টাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ বিভিন্ন লেখা আৰু চিত্ৰ অংকনেৰে আটকধুনীয়াকৈ সাজি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'সাধনা' উন্মোচন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰঞ্জিত ভাণ্ডাৰীয়ে। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি প্ৰধান শিক্ষকগৰাকীয়ে ছাত্ৰ- ছাত্ৰীসকলক 'সাধনা'ৰ জৰিয়তে সাহিত্য সাধনাত ব্ৰতী থাকি প্ৰতিভা বিকাশৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। 'সাধনা' ছাত্ৰ-ছাত্ৰীৰ এক বৌদ্ধিক কঠিয়াতলী হ'ব বুলি আশা প্ৰকাশ কৰে প্ৰধান শিক্ষকগৰাকীয়ে। লীলাধৰ পাঠকে আঁত ধৰা উন্মোচনী অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী



আৰু বিদ্যালয় পৰিচালনা সমিতিৰ কেইবাগৰাকী সদস্য উপস্থিত থাকে। আনহাতে ২ জুনত বিদ্যালয়খনত অনুষ্ঠিত হৈ যায় তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়নৰ কাৰ্যসূচী। বিদ্যালয়খনত বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকে বাগানপাৰাস্থিত ধমধমা উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ইভলিনা আহমেদ। বিদ্যালয় প্ৰধান ৰঞ্জিত ভাণ্ডাৰীৰ নেতৃত্বত অসমীয়া আৰু বড়ো মাধ্যমৰ বিদ্যালয়খনে দেখুওৱা পাৰদৰ্শিতাত অভিভূত হৈ পৰে বহিঃমূল্যাককে ধৰি বিষয়া-কাৰ্যকৰ্তাসকল। বহিঃ মূল্যায়ক গৰাকীয়ে বিদ্যালয়খনত উপস্থিত থাকি সন্তুষ্টি প্ৰকাশ কৰে। গুণোৎসৱ উপলক্ষে বিদ্যালয়ত শিক্ষয়িত্ৰী সকলৰ উপৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গণেশ ডেকাৰ লগতে সদস্যসকল, মাতৃ গোটৰ সদস্যাসকল আৰু অভিভাৱক উপস্থিত থাকে।

## কুলবিল সত্ৰৰ সমাজ সেৱক, ব্যৱসায়ী তিলক বৰ্মনৰ বিয়োগত শোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৫ জুন ঃ** পশ্চিম নলবাৰীৰ খাটাৰূপীয়াবাথান গাওঁৰ কুলবিল বৰ্মন চুবুৰি নিৰাসী সমাজ সেৱক, ক্ষুদ্ৰ ব্যৱসায়ী তিলক বৰ্মন(৪৮)ৰ কালি সন্ধিয়া স্নায়ুজনিত আৰু বৃক্কৰ ৰোগত আক্ৰান্তহৈ নিজ ঘৰতে বিয়োগ ঘটাত অঞ্চলজুৰি শোকাৰ ছাঁ পৰিছে। কুলবিলঘাট ৰাজহুৱা শিৱালয়ৰ একান্ত সেৱক, ভাৰতীয় জনতা পাৰ্টীৰ মধুপুৰ মণ্ডলৰ অন্তৰ্গত খাটাৰূপীয়াবাথান গাওঁৰ বুথ কমিতিৰ সদস্য তিলকে চামতা মটৰষ্টেণ্ডত এখন ফলমুলৰ দোকান দি পৰিয়ালৰ ভোৰণ পোষণ দি আছিল। ১০ মাহমান পূৰ্বে বৰ্মনে এদিন হঠাৎ ভৰি মোচকাখাই আঘাত পায়। ভৰি এখনত সামান্য বিষ অনুভ কৰা বৰ্মনে টেবলেট সেৱন কৰি প্ৰথমে চিকিৎসা আৰম্ভ কৰিছিল যদিও তিনিমাহ পিছত তেওঁৰ ভৰিৰ বিষ বেছি হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাটীৰ চিকিৎসকৰ ওচৰলৈ গৈ চিকিৎসা আৰম্ভ কৰিছিল যদিওঁ আৰোগ্য লাভ নকৰিলে। অৰ্থৰ অভাৱত ৰাজ্যৰ বাহিৰত উন্নত চিকিৎসাৰ বাবে যাব নোৱাৰা বৰ্মন যোৱা তিনিমাহধৰি শয্যাগতহৈ থকাৰ পিছত কালি তেওঁৰ নিজ ঘৰতে মৃত্যু হয়। মৃত্যুৰ সময়ত বৰ্মনে পত্নী দুই নাবালক পুত্ৰ কন্যাক ইহ সংসাৰত এৰিথৈ যায়। নিশাৰ ভিতৰতে বুঢ়াদিয়াৰ পাৰৰ ৰাজহুবা শ্মশানত বৰ্মনৰ শেষকৃত্য সম্পন্ন কৰা হয়। বৰ্মনৰ বিয়োগত মধুপুৰ মণ্ডল বিজেপি, ৰূপীয়াবাথান গাঁও পঞ্চায়ত, বিজেপি বুথ কমিতি, কুলবিলঘাট ৰাজহুৱা শিৱালয় সমিতি, স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

## ৰাশিফলত আজিৰ দিনটো

**২২ জেঠ, সোমবাৰ, ৬ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা সপ্তমী, নক্ষত্ৰ ঃ মঘা, জন্ম ৰাশি ঃ সিংহ**
**সূৰ্যোদয়- ৪-৩৫-২৬ সূৰ্যাস্ত- ৬-৭-১৭**



■ **মেষ ঃ** সাহিত্য সেৱা ■ **বৃষ ঃ** ব্যস্ততা ■ **মিথুন ঃ** শুভ সংবাদ ■ **কৰ্কট ঃ** জটিলতা ■ **সিংহ ঃ** কৰ্ম পৰিৱৰ্তন ■ **কন্যা ঃ** উত্তম ভোজন ■ **তুলা ঃ** আনন্দ ■ **বৃশ্চিক ঃ** প্ৰেমত শুভ ■ **ধনু ঃ** এলাহ ■ **মকৰ ঃ** আশা পূৰণ ■ **কুম্ভ ঃ** প্ৰতিভা প্ৰকাশ ■ **মীন ঃ** সুনাম।

### বিটিচিৰ কাৰ্যবাহী সদস্যৰ বিৰুদ্ধে বিস্ফোৰক মন্তব্য অবড়ো সুৰক্ষা সমিতিৰ

## অবড়োসকলক বিক্ৰী কৰি গাদী দখল কৰি আছে কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৫ জুন ঃ** বাক্সা জিলাৰ মুছলপুৰত অবড়ো সুৰক্ষা সমিতি, অসমৰ প্ৰাক্তন সম্পাদক জোন দাসক বিটিচিৰ কাৰ্যবাহী সদস্য তথা জিএছপি দলৰ উপ-সভাপতি ঘনশ্যাম দাসে দালাল, মিছলীয়া বুলি মন্তব্য কৰাৰ পিছতে সংবাদ মেলযোগে শনিবাৰে প্ৰত্যুত্তৰ দিয়ে জোন দাসে। মুছলপুৰত সংবাদ মেল সম্বোধন কৰি অবড়ো সুৰক্ষা সমিতিৰ প্ৰাক্তন সম্পাদক জোন দাসে কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে অবড়ো ৰাইজৰ আৱেগত জয়লাভ কৰি আজি ইউপিপিএলৰ লগত মিত্ৰতা কৰাটো লজ্জাজনক বুলি অভিহিত কৰে জোন দাসে। তেওঁ কয় যে আজি ঘনশ্যাম দাসে মোক চিনি নাপাও বুলি মন্তব্য কৰিছে। কিন্তু যি সময়ত ই এম ঘনশ্যাম দাসে এগৰাকী নাবালিকাক যৌন নিৰ্যাতন চলাই জে'লৰ ভাত খাব লগা হৈছিল সেই সময়ত কিন্তু জোন দাসেই সহায় কৰিছিল। জোন দাস নহ'লে আজিও ঘনশ্যাম দাস হয়তো জে'লতে থাকিব লাগিলহেঁতেন। যদি ইয়াৰ তথ্য-প্ৰমাণ লাগে তেন্তে সেয়া মোৰ লগত মজুত আছে। তেওঁ কয় যে অবড়ো ৰাইজৰ আৱেগিক ভোটেৰে জয়লাভ কৰি এতিয়া এইগৰাকী ই এম ঘনশ্যাম দাসে তেওঁৰ কৃষি বিভাগৰ ডাঙৰ ডাঙৰ ঠিকাৰ কাম কমিছনৰ অংকত বড়ো ঠিকাদাৰক দিয়ে বুলিও গুৰুতৰ অভিযোগ কৰে। সংবাদ মেলত জোন দাসে বিটিআৰৰ অবড়ো ৰাইজৰ ভূমিৰ সমস্যা সমাধান হোৱা বুলি সভাই-সমিতিয়ে ঘনশ্যাম দাসে কৈ আহিছে যদিও ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ অধীনৰ কোনো ভূমি কিনা-বেচা হোৱা নাই বুলি জানিবলৈ দি কয় যে কাৰ্যবাহী সদস্যগৰাকীৰ এবিঘা মাটি টিএলচিচিৰ সদস্য শৈলেন গোস্বামীৰ ওচৰত বিক্ৰী কৰি তেওঁৰ নামত নামজাৰী কৰি দিব পাৰিবনে। আজিও বিটিআৰ অঞ্চলত মাটি-বাৰীৰ সমস্যা সমাধান হোৱা নাই। যদি হৈছে সেয়া প্ৰমাণ কৰিব পাৰিলে ঘনশ্যাম দাসৰ ওচৰত জোন দাসে শৰণাপন্ন হ'ব বুলি স্পষ্ট কৰি দিয়ে। সেয়ে আগন্তুক বিটিচিৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি, ইউপিপিএল আৰু জিএছপিৰ মিত্ৰ-জোঁটৰ প্ৰাৰ্থীক ভোট প্ৰদান নকৰি বিবেক ভোট প্ৰদান কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে অবড়ো সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত ই এম ঘনশ্যাম দাস, সাংসদ নৱ কুমাৰ শৰণীয়াই অবড়ো ৰাইজক দিয়া শ্বহীদ বেদী নিৰ্মাণৰ প্ৰতিশ্ৰুতি আজিলৈকে কিয় পূৰণ নকৰিলে বুলি প্ৰশ্ন কৰে। এইসকল নেতাক শ্বহীদৰ আত্মাই কোনোদিনে ক্ষমা নকৰে বুলিও মন্তব্য কৰে জোন দাসে। সেইসকল তথাকথিত নেতাই শ্বহীদৰ নামত দালালি কৰি থকা বুলিও কয় জোন দাসে। ইফালে কোকলাবাৰী পৰিষদীয় উপ-নিৰ্বাচনৰ অবড়ো সুৰক্ষা সমিতিৰ মনোনীত নিৰ্দলীয় প্ৰাৰ্থী হীৰেন দাসক ঘনশ্যাম দাস, সাংসদ নৱ কুমাৰ শৰণীয়াৰ দৰে নেতাই হাইজেক কৰিছে বুলি বিস্ফোৰক অভিযোগ কৰে জোন দাসে। তেওঁ কয় যে উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকী বিজয়ী হ'লে বিটিআৰৰ মাটি সমস্যা আৰু গাঁও কৰ্তনৰ দাবী কেতিয়াও সমাধান নহ'ব। কাৰণ শাসকীয় পক্ষৰ বিৰুদ্ধে মাত মাতিব পৰা কোনো ব্যক্তি নাথাকিব। আনহাতে কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে জোন দাসক দালাল বুলি কৰা মন্তব্যৰ বিৰুদ্ধে মানহানিৰ গোচৰ ৰুজু কৰিব বুলিও হুংকাৰ দিয়ে।

## নগাঁৱৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় খ্ৰীষ্টজ্যোতিত অসমীয়া কলা-সংস্কৃতি প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৫ জুন ঃ** নগাঁও খ্ৰীষ্টজ্যোতি বিদ্যালয়ত অনুষ্ঠিত কৰা এখন বিজ্ঞান প্ৰদৰ্শনীত দেখা গ'ল চমক। বিজ্ঞানৰ বহু অভিনৱ উদ্ভাৱনৰ লগতে প্ৰদৰ্শনীখনত জিলিকি উঠিল অসমৰ কৃষ্টি-সংস্কৃতি। প্ৰদৰ্শনীখনত এগৰাকী ছাত্ৰই প্ৰদৰ্শন কৰিলে বৰষুণৰ পানী সংৰক্ষণ কৰাৰ লগতে বিশুদ্ধ কৰি খোৱাপানীৰ অভাৱ দূৰ কৰিব পৰা বৈজ্ঞানিকভিত্তিক এক মডেল। তদুপৰি ভূমিকম্পৰ সময়ত সংকেতৰ জৰিয়তে ভূমিকম্পৰ বিষয়ে অৱগত হ'ব পৰাকৈ ভূমিকম্প এলাৰ্ম উদ্ভাৱন কৰিও বহুতৰ দৃষ্টি আকৰ্ষণ কৰিছে পঞ্চম শ্ৰেণীৰ পাঁচগৰাকীকৈ ছাত্ৰই। নগাঁৱৰ খ্ৰীষ্টজ্যোতি স্কুলত অসমীয়া সংস্কৃতি বহু শিশু বিজ্ঞানীৰ উদ্ভাৱনে বিদ্যালয়খনৰ শিক্ষক তথা অভিভাৱকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যি সময়ত ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষা-সংস্কৃতিৰ কোনো ধৰণৰ চৰ্চা নহয় বুলি অভিযোগ উত্থাপিত হয়, তেনে সময়তে খ্ৰীষ্টজ্যোতি বিদ্যালয়ত কৰা হৈছে অসমীয়া কলা-সংস্কৃতিৰ প্ৰদৰ্শন। বিজ্ঞান প্ৰদৰ্শন, অসমীয়া কলা-সংস্কৃতিৰ প্ৰদৰ্শনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ চেষ্টা কৰে বিদ্যালয় কৰ্তৃপক্ষই। আজি বিদ্যালয়খনত আয়োজন কৰা অনুষ্ঠানত চহা অসমীয়া কৃষি সঁজুলিৰ পৰা অসমীয়া সাজপাৰ, গহনা প্ৰদৰ্শন কৰাৰ উপৰি গুৰু আসন, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ বহু সৃষ্টি প্ৰদৰ্শন কৰা হয়। লগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ ৰেকৰ্ড প্লেয়াৰো আজিৰ প্ৰজন্মৰ মাজত চিনাকি কৰি দিয়াৰ উদ্দেশ্যে কৰা হয় প্ৰদৰ্শন। বৰ্তমান নৱ-প্ৰজন্মৰ বহুতেই অসমৰ সম্ভ্ৰান্ত কলা-সংস্কৃতিৰ বিষয়ে জ্ঞাত নহয়। তেনে সময়ত এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ে অসমৰ কলা-সংস্কৃতি ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিচয় কৰি দিব বিচৰাটো নিসন্দেহে প্ৰশংসনীয় পদক্ষেপ।

## সোণাৰিত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৫ জুন ঃ** বিশ্বৰ বিভিন্ন ঠাইৰ লগতে আজি সোণাৰিতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। এই উপলক্ষে সোণাৰিৰ শিশু চেমনীয়াৰ প্ৰতিভা বিকাশৰ অনুষ্ঠান পথিকৃৎ গোষ্ঠীৰ উদ্যোগত অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ কাষৰীয়া গোৱালাপথাৰ গাঁওত আজি পুৱা এক বৃক্ষ ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। পথিকৃৎ গোষ্ঠীৰ বিষয়ববীয়া সকলৰ লগতে স্থানীয় সচেতন ৰাইজে গোৱালাপথাৰ মধ্য ইংৰাজী বিদ্যালয়, গোৱালাপথাৰ প্ৰাথমিক বিদ্যালয়, গোৱালাপথাৰ উপ স্বাস্থ্য কেন্দ্ৰ আৰু গোৱালাপথাৰ পানী যোগান আঁচনিৰ প্ৰাংগণত গছ পুলি ৰোপণ কৰে। ইয়াৰ পিছতে গোৱালাপথাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাংগণত এক সজাগতা সভা অনুষ্ঠিত হয়। পথিকৃৎ গোষ্ঠীৰ সম্পাদক মৃত্যুঞ্জয় দাস, আৰু সদস্যা প্ৰীতিমা চাংমায়ে আঁত ধৰে সভা খনত সোণাৰিৰ বিশিষ্ট সমাজকৰ্মী মণি গগৈ, প্ৰধান শিক্ষক গিৰিন দিহিঙীয়া, পথিকৃৎ গোষ্ঠীৰ সভাপতি পুলক গগৈ, বিষয় শিক্ষয়িত্ৰী ইন্দিৰা ফুকন, সোণাৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাজীৱ কটকী আদিয়ে পৰিৱেশ দিৱসৰ তাৎপৰ্য, পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা, ছাত্ৰ ছাত্ৰীৰ দায়িত্ব আদিৰ সম্পৰ্কে ভাষণ দিয়ে। সভাত স্থানীয় ছাত্ৰ ছাত্ৰী সকলে বিভিন্ন গীত নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰে। ইফালে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি সোণাৰিত ৰক্তদান শিবিৰ আৰু সজাগতা সভাৰো আয়োজন কৰা হয়। মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ চমুকৈ ওৱেৰিয়ৰছৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত আৰু পিবি চিকিৎসালয় আৰু ৰোগ নিৰ্ণয় গৱেষণা কেন্দ্ৰৰ সহযোগত সোণাৰিত আজি ৰক্তদান শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত কৰা হয়। সোণাৰিৰ পি বি চিকিৎসালয় আৰু ৰোগ নিৰ্ণয় গৱেষণা কেন্দ্ৰত অনুষ্ঠিত কৰা হয় এই কাৰ্যসূচী। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃক্ষৰোপণ কৰাৰ পাছতে অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত অৰ্ধশতাধিক লোকে আজি ৰক্তদান কৰে।



*বিশ্ব পৰিৱেশ দিৱস উপলক্ষে চাইকেল ৰেলীৰ ফ্লেগ অফ কৰিছে মিছন সঞ্চালক, এন এইচ এমৰ ডঃ লক্ষ্মীপ্ৰিয়াই, গুৱাহাটীৰ খ্ৰীষ্টানবস্তিত*

টংলাত আছু আৰু প্ৰাক্তন আছু মাজত মুখামুখি সংঘাত

# প্ৰাক্তন আছু কৰ্মীয়ে প্ৰাক্তন সতীৰ্থ সন্মিলন অনুষ্ঠিত কৰাক লৈ এই সংঘাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ভেৰগাও, ৫ জুন ঃ** সমগ্ৰ ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছু আৰু প্ৰাক্তন আছুৰ মাজত প্ৰাক্তন আছু কৰ্মীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰকৰ্মীৰ সতীৰ্থ সন্মিলনৰ জন্মক কেন্দ্ৰ কৰি তীব্ৰ বিতৰ্ক অব্যাহত থকাৰ সময়তে আজি ওদালগুৰি জিলাৰ টংলাত দৰং জিলা আৰু ওদালগুৰি জিলাৰ প্ৰাক্তন আছুৰ একাংশ নেতা কৰ্মীসকলে অবিভক্ত দৰং জিলাৰ সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সতীৰ্থ সন্মিলন খন অনুষ্ঠিত কৰিবলৈ অবিভক্ত দৰং জিলাৰ কেবাগৰাকীও ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা উপস্থিত হৈ সভাখন অনুষ্ঠিত কৰিবলৈ আৰম্ভ কৰাৰ সময়তে দৰং আৰু ওদালগুৰি জিলাৰ বৰ্তমানৰ আছু নেতা কৰ্মী সকল অৱগত হোৱাৰ লগে লগে ক্ষোভিত হৈ পৰে আৰু সভা অনুষ্ঠিত নকৰিবলৈ বাধা প্ৰদান কৰে। উল্লেখযোগ্য যে, উক্ত সভা অনুষ্ঠিত নকৰিবলৈ বৰ্তমানৰ আছু নেতা কৰ্মী সকলে তীব্ৰ বাধা প্ৰদান কৰাক লৈ দুই পক্ষৰ মাজত তীব্ৰ বাক বিতন্দাৰ লগতে হতা হতিৰো সৃষ্টি হয়। উল্লেখ থাকে যে, টংলাত অনুষ্ঠিত হোৱা আজিৰ সভালৈ অহা আছুৰ প্ৰাক্তন সভাপতি প্ৰবীণ বড়ো , প্ৰাক্তন আছু নেতা কমলেশ ডেকা নিৰঞ্জন নাথ, বিদ্যুৎ প্ৰাণ চহৰীয়া ,ইদুল হক আদি কেন্দ্ৰীয় পৰ্য্যায়ৰ কেবাগৰাকীও প্ৰাক্তন নেতা বৰ্তমানৰ আছু নেতা কৰ্মী সকলৰ পৰা বাধা পাই আনুষ্ঠানিক ভাৱে সভা অনুষ্ঠিত নকৰি প্ৰাক্তন আছু নেতা কৰ্মী সকলে নিজৰ মাজত মত বিনিময় কৰি এসাঁজ লগে ভাগে ভোজ ভাত খাই উভতি যায়। এইখিনিতে উল্লেখ থাকে যে প্ৰাক্তন আছু সতীৰ্থ সন্মিলনখন অনুষ্ঠিত কৰাৰ প্ৰাক মুহূৰ্তত সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য আৰু আছুৰ নেতা বিতোপন দাস,পৰাগ চহৰীয়াৰ নেতৃত্বত অহা দুই শতাধিক আছু কৰ্মীয়ে বাধা প্ৰদান কৰাৰ ফলত টংলাত সেই স্থানত অপ্ৰীতীকৰ পৰিস্থিতি উদ্ভৱ হয় । প্ৰবীন বড়ো, নিৰঞ্জন নাথ,ফনী পাঠক, কমলেশ ডেকাৰ সৈতে অহা আছুৰ প্ৰাক্তন বিষয়-ববীয়া সকল তীব্ৰ প্ৰশ্নবানৰ সন্মুখীন হব লগীয়া হয়। ছাত্ৰ সন্থাৰ তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হৈ সভা আৰু সমিতি গঠনৰ সিদ্ধান্ত বাতিল কৰিবলগীয়া হয় বৰ্তমানৰ আছু নেতৃত্বৰ। আছু নেতাৰ অভিযোগ অনুসৰি বিভিন্ন ৰাজনৈতিক দলত থকা প্ৰাক্তন আছু নেতা আৰু বহিস্কৃত নেতাৰে গঠিত এই সন্মিলনে আছুৰ ভাৱমূৰ্তী বিনষ্ট কৰিছে আৰু কৰিব । প্ৰাক্তন আছু বুলি তেওঁলোকে লিখি লৈ সংগঠন কৰাৰ নৈতিক দায়িত্ব নাই বুলি অভিযোগ কৰে বৰ্তমানৰ আছু নেতা কৰ্মী সকলে। এই ক্ষেত্ৰত জয়ন্ত কুমাৰ ভট্টাচাৰ্যই কয় যে, ছাত্ৰ সন্থাৰ নীতি আদৰ্শক জলাঞ্জলি দি ছাত্ৰ সন্থাক লজ্জিত কৰা প্ৰাক্তন সকলে ছাত্ৰ সন্থাক জনমানসত হেয় প্ৰতিপন্ন কৰিব পৰা পদক্ষেপ গ্ৰহণ যোগ্য নহয় । বিভিন্ন ৰাজনৈতিক দলত থাকি দালালী কৰা এচাম প্ৰাক্তন ছাত্ৰ কৰ্মী আৰু বহিস্কৃত সকলে নিজৰ ব্যকিগত স্বাৰ্থ সিদ্ধিৰ বাবে ছাত্ৰ সন্থাৰ সত্তাক বাৰে বাৰে অপমানিত কৰি আহিছে। এই সকল প্ৰাক্তন ছাত্ৰ কৰ্মী যে আছু বা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰ কৰ্মী সতীৰ্থ সন্মিলন নাম দি অৰাজনৈতিক সংগঠন গঠন কৰিবলৈ নৈতিক অধিকাৰ নাই। তেওঁ আৰু কয় যে, এনে লোকে কোনো কাৰনতে সদৌ অসম ছাত্ৰ সন্থাৰ নাম ব্যৱহাৰ কৰিব নোৱাৰিব। আনফালে প্ৰাক্তন সভাপতি প্ৰবীণ বড়োৱে এয়া আছুৰ লগত সংঘাটৰ বাবে নহয় সহযোগিতাৰ বাবেহে এই সন্মিলন গঠন কৰা হ'ব বুলি মন্তব্য কৰি জাতীয় ইচ্যুবোৰত সহযোগীতা কৰিব বুলি মন্তব্য কৰে । শেষত আছুৰ বাধা ওফৰাবলৈ আজি সক্ষম নহ'ল যদিও প্ৰাক্তন আছু নেতা, কৰ্মীসকল একত্ৰিত হ'ব বুলি প্ৰবীণ বড়োৱে মন্তব্য কৰে।

# থলুৱা তৰুতৃণবোৰ ৰক্ষা কৰক ঃ অপূৰ্ব বল্লভ গোস্বামী

## ডায়েট কামৰূপৰ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৫ জুন ঃ** বন বিভাগে বনানীকৰণ বৃদ্ধি কৰি থলুৱা জাতৰ তৰুতৃণবোৰ বচাবলৈ যত্নবান হওক। এই আহ্বান জনালে বিশিষ্ট পৰিৱেশকৰ্মী তথা সাংবাদিক অপূৰ্ব বল্লভ গোস্বামীয়ে। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান কামৰূপৰ সৌজন্যত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য প্ৰদান কৰে পৰিৱেশকৰ্মীগৰাকীয়ে। প্ৰতিষ্ঠানখনৰ অধ্যক্ষা ডঃ পংকজা বৰুৱাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত অপূৰ্ব বল্লভ গোস্বামীয়ে কয় যে বন ধ্বংসৰ পৰা মুক্ত হ'বলৈ হ'লে চৰকাৰে ৰাইজক আস্থাত লৈ কাম কৰিব লাগিব। আইনে জৈৱ বৈচিত্ৰ্য ৰক্ষাৰ বাবে সকলো সুযোগ দিছে কিন্তু মানুহৰ দীৰ্ঘম্যাদী চিন্তা চেতনাইহে প্ৰকৃতাৰ্থত পৰিৱেশ ৰক্ষা কৰিব। কেৱল এদিন গছ পুলি ৰুলেই নহ'ব। বিশেষকৈ বন বননিবোৰত সেৰেঙা হৈ অহা আবাদী পুৰাবলৈ আমাৰ চিষ্টেম জাগ্ৰত হ'ব লাগিব। জলচৰ, স্থলচৰ তথা উভচৰ সকলোকে বচাই ভাৰসাম্যযুক্ত এখনেই পৃথিৱী ধাৰণাক আমি আগবঢ়াই লৈ যাব লাগিব। উল্লেখ্য যে আজিৰ এই বক্তৃতানুষ্ঠানটো আঁঞ্জত ধৰে ডায়েটৰ প্ৰবক্তা ড° শিৰোমণি ভূঞাই। শলাগৰ শৰাই আগবঢ়াই ড° হিমালিনী বেজবৰুৱা। পুৱাতে আৱাসিক প্ৰশিক্ষাৰ্থীসকলৰ সহযোগত গছ পুলি ৰোপণ কাৰ্যসূচীত নেতৃত্ব লয় গ্ৰন্থাগাৰিক ভৰত ৰাজবংশীয়ে। অফলাইন আৰু অনলাইন- দুয়ো মাধ্যমতে অনুষ্ঠিত হোৱা সমগ্ৰ কাৰ্যসূচীত ডায়েটৰ প্ৰবক্তাসকল তথা শিক্ষক প্ৰশিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰাৰ লগতে এই মাহৰ অতিথিগৰাকীৰ সৈতে ভাব বিনিময় কৰে।

অসম কৃষি বিশ্ববিদ্যালয়ত মাইক্ৰফৰেষ্ট গ্ৰীণ জ'নৰ আঁচনি

# বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি অসম কৃষি বিশ্ববিদ্যালয়ৰ অভিলাসী পৰিকল্পনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৫ জুন ঃ** মাইক্ৰফৰেষ্ট গ্ৰীণ জ'নৰ এক অভিনৱ পৰিকল্পনাৰে আজিৰে পৰা অসম কৃষি বিশ্ববিদ্যালয়ে আৰম্ভ কৰিছে এক সেউজ সজাগতা অভিযান । বিশ্ব পৰিৱেশ দিৱসৰ দিনাই আজি বিশ্ববিদ্যালয়ৰ যোৰহাট চৌহদত এই পৰিকল্পনাৰ শুভাৰম্ভ কৰে অসম কৃষি বিশ্ববিদ্যালয় পৰিয়ালে ।বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত অনুষ্ঠিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি গছপুলি ৰোপণেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয় । অসম বিজ্ঞান সমিতিৰ অসম কৃষি বিশ্ববিদ্যালয় শাখা আৰু বেচৰকাৰী সংস্থা অপ্ৰতিৰোধ্যৰ সহযোগত ''বিশ্ব পৰিৱেশ দিৱস''ৰ এই কাৰ্যসূচীত গছপুলি ৰোপণৰ লগতে পৰিৱেশ সংৰক্ষণ সম্পৰ্কে এক সজাগতা অনুষ্ঠান অনুষ্ঠিত হয় । ড° বসন্ত কুমাৰ বৰাই আত ধৰা এই কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূঞা, পঞ্জীয়ক তপন কুমাৰ গোহাঁই আৰু সামুহিক বিজ্ঞানগুৰু ডঃ ৰুমা ভট্টাচাৰ্যই পৰিৱেশ সংৰক্ষণ আৰু সচেতনতাৰ ওপৰত বক্তৃতা আগবঢ়ায় ।অপ্ৰতিৰোধ্যৰ বিশ্বজ্যোতি মহন্ত আৰু অংকিতা বনিয়াই পৰিৱেশ সংৰক্ষণত যুৱ প্ৰজন্মৰ ভূমিকাৰ বিষয়ে সতীৰ্থসকলক সজাগ সচেতন হবলৈ আহ্বান জনাই । লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কবিতা লেখন, শ্লোগান লেখন আৰু প'ষ্টাৰ অংকন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয় ।পৰিবেশ দিৱসৰ এই কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ যুটীয়া পঞ্জীয়ক ড° অনুপ কুমাৰ দাস, সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° ৰঞ্জিত কুমাৰ সাউদৰ লগতে বিশ্ববিদ্যালয়ৰ কেবাটাও বিভাগৰ মুৰব্বী অধ্যাপক , গৱেষক , বিজ্ঞানী তথা ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে ।

# হালোৱাটিঙত ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ দুৰ্ঘটনা

## নিহত ১ বাইক আৰোহী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ৫ জুন ঃ** শিৱসাগৰ জিলাৰ অসম নগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষী অন্তৰ্গত হালোৱাটিং বাগিচাৰ সমীপৰ ৬১ নং ৰাষ্ট্ৰীয় ঘাই পথত আজি দিনৰ ১ বজাত সংঘটিত এক ভয়াবহ পথ দুৰ্ঘটনাত এজন যুৱক নিহত হোৱাৰ লগতে দুজন যুৱক গুৰুতৰভাবে আহত হয়। প্ৰাপ্ত বাতৰি অনুসৰি হালোৱাটিঙৰ পৰা আমগুৰি অভিমুখে আহি থকা এছ ০৪ এডি ০৯৩৮ নম্বৰ পালছাৰ মটৰ চাইকেল আৰু বিপৰীত মুখী যাত্ৰীবাহি বেটাৰি চালিত ৰিক্সাৰ লগত মুখা মুখী সংঘৰ্ষ হয়। সংঘৰ্ষত বেটাৰি চালিত ৰিক্সাত থকা যাত্ৰীৰ আৰু চালক কোনো ক্ষতি নহয় যদিও বাইক আৰোহী বৰবাম বাগিচাৰ দেব তাছা (১২) আৰু বিকাশ বাউৰী(২৫)গুৰুত্ব ভাবে আহত হয়। আহত সকলক হালোৱাটিং আৰক্ষীয়ে আমগুৰি সামূহিক চিকিৎসালত ভৰ্তি কৰাই । গুৰুত্ব ভাবে আহত বাইক আৰোহী দুয়োজনকে ডাক্তৰে উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসালয় পোৱা আগতে বাইক আৰোহী বিকাশ বাউৰীয়ে মৃত্যুক সাৱটি লয়।

বাক্সাৰ নিকাছীত ফেশ্বন শ্বো প্ৰতিযোগিতা

# ৰাজ্যৰ ভিন্ন প্ৰান্তৰ শতাধিক প্ৰতিযোগীৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৫ জুন ঃ** বাক্সা জিলাৰ নিকাছীস্থিত জ্ঞানপীঠ ডিগ্ৰী কলেজৰ প্ৰেক্ষাগৃহত আজি এদিনীয়া কাৰ্যসূচীৰে এক ফেশ্বন শ্বো প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যখনৰ গুৱাহাটী, নলবাৰী, ওদালগুৰি, চিৰাং, বা'ঁ, তামুলপুৰ আদি বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে উক্ত ফেশ্বন শ্বো প্ৰতিযোগিতাত। Awesome Rockstarৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত ফেশ্বন শ্বো প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে বড়ো ফিল্ম জগতৰ জনপ্ৰিয় অভিনেত্ৰী হেলিনা দৈমাৰী তথা মিষ্টাৰ দৈজিং খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱা শিৱা বসুমতাৰী। উল্লেখিয যে কিছুদিন পূৰ্বে মিষ্টাৰ অসম খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱা জিলাখনৰ নিকাছীৰ আশীষ গজমেৰ তথা স্থানীয় সমাজ সেৱক ৰাজু বৰালৰ প্ৰচেষ্টাত অনুষ্ঠিত কৰা উক্ত ফেশ্বন শ্বোৰ মাধ্যমেৰে ভাৰত-ভূটান সীমান্তত বসবাস কৰা নৱ প্ৰজন্মক সজাক কৰি নিজকে আগুৱাই যোৱাৰ সাহস বৃদ্ধি কৰা বুলি জানিবলৈ দিয়ে আশীষ গজমেৰে । বিচাৰকৰ ৰূপত উপস্থিত থকা শিৱা বসুমতাৰীয়ে কয় যে চুটি কাপোৰ পিন্ধিলে মাত্ৰ ফেশ্বন শ্বো দেখুওৱা নহয় । নিজক সাহসেৰে সকলোৰে আগত পৰিচিত কৰিব পৰাটোহে আচল কথা। কেৱল চহৰৰ মানুহে মাত্ৰ ফেশ্বন শ্বো কৰা নহয়। গাওঁ তথা ভিতৰুৱা অঞ্চলত বসবাস কৰা সকলেও নিজৰ জাতীয় সাজ-পোচাক পৰিধান কৰি দৰ্শকৰ মাজত নিজক উপস্থাপন কৰাটোকে ফেশ্বন শ্বো বা মডেল বুলিব পাৰি । আজিৰ এই ফেশ্বন শ্বো প্ৰতিযোগিতাখন উদ্বোধন কৰে নিকাছী জ্ঞানপীঠ ডিগ্ৰী কলেজৰ অধ্যক্ষ গুনজিৎ পাঠকে, অতিথি হিচাপে উপস্থিত থাকে সাহিত্যক বদ্ৰী গুৱাগাঞী, শিক্ষক ঈশ্বৰ গৌতম, সোমনাথ পৰাজুলী, জয়ন্তীকালা দেৱী তথা আগছু, এবছুৰ নেতা-কৰ্মীৰ লগতে শতাধিক স্থানীয় ৰাইজ।

# জামুগুৰি ব্যৱসায়িক কেন্দ্ৰত ২৫ কোটিৰে নিৰ্মান হ'বলগা পকী পথৰ শুভাৰম্ভ বিধায়ক পদ্মৰ

## পথ নিৰ্মাণে উপকৃত কৰিব পৰ্যটকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ৫ মে' ঃ** জামুগুৰি ব্যৱসায়ীক কেন্দ্ৰৰ পৰা টলকাবাৰী,গমিৰপাল হৈ নাগশংকৰলৈকে প্ৰায় ১২.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱা অত্যাধুনিক ভাৱে নিৰ্মান কাৰ্যৰ আজি ভূমিপূজনৰ দ্বাৰা শুভাৰম্ভ কৰা হয় । এই উদ্দেশ্যৰে আজি জামুগুৰি ব্যৱসায়ীক কেন্দ্ৰস্থলৰ পৰিদৰ্শন বঙলাৰ সন্মুখৰ তিনিআলিত ৰঙা ফিতা কাটি পথছোৱাৰ নিৰ্মাণ কাৰ্যৰ শুভ উদ্বোধন কৰে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই । উত্তৰ-পূৰ্ব বিশেষ আন্তঃগাঠনি উন্নয়ন আচঁনিৰ অধিনত প্ৰায় ২৫ কোটি টকাৰে নিৰ্মান হ'ব লগা পথছোৱাৰ নিৰ্মান কাৰ্যৰ সম্পূৰ্ণ মাংগলিক কাৰ্যৰে শুভাৰম্ভ কৰি বিধায়ক পদ্ম হাজৰিকাই কয় মোৰ সমষ্টিৰ ৮০ শতাংশ মূল পথেই ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে । গাওঁ সমূহক সংযোগ কৰা প্ৰতিটো পথেই উন্নত কৰা হৈছে । বিজেপি চৰকাৰখনৰ উন্নয়নমুখী চিন্তা চৰ্চা তথা কাম-কাজে মোৰ সমষ্টিৰ প্ৰতিজন দুখীয়া দৰিদ্ৰ ৰাইজক উপকৃত কৰিবলৈ সক্ষম হৈছে । এই পথছোৱাৰ উন্নয়ণে পৰ্যটক সকলক যথেষ্ট উপকৃত কৰিব । এই পথৰেই ঐতিহাসিক নাগশংকৰ দেৱালয়,কাজিৰঙা ষষ্ঠ সংযোজন এলেকা অতি সহজে পৰিদৰ্শণৰ সুবিধা লাভ কৰিব বুলিও মন্তব্য কৰে বিধায়ক পদ্ম হাজৰিকাই l নিৰ্ধাৰিত সময়ৰ পূৰ্বেই জামুগুৰি পৌৰসভা এলেকাৰপৰাই আৰম্ভ হোৱা সুদীৰ্ঘ পথছোৱা উন্নত মানদণ্ডৰে ঠিকাদাৰ বাবুল নাথক নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায় বিধায়ক পদ্ম হাজৰিকাই । আজিৰ এই পথ নিৰ্মানৰ শুভ উদ্বোধনী অনুষ্ঠানত লোক নিৰ্মান বিভাগৰ ভালেকেইগৰাকী উচ্চ-পদস্থ বিষয়া-কৰ্মচাৰী প্ৰমুখ্যে কেন্দ্ৰ কৰি জামুগুৰি পৌৰ সভাৰ পৌৰপতি পল্লৱীতা শৰ্মা মহন্তকে ধৰি দহটাকৈ ওৱাৰ্ডৰ প্ৰতিগৰাকী সদস্য আৰু বহুকেইটা অনুষ্ঠান প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলো উপস্থিত থাকে ।



*গুৱাহাটী প্ৰেছ ক্লাবত 'জীৱনৰ ৰং আৰু ওমলা মাতৰ মৌ' শীৰ্ষক গ্ৰন্থ উন্মোচনৰ দৃশ্য*

# বিশ্ব পৰিবেশ দিৱস উপলক্ষ্যে খাৰুপেটীয়া প্ৰেছ ক্লাবৰ উদ্যোগত গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ৫ জুন ঃ** আজি বিশ্ব পৰিবেশ দিৱস উপলক্ষ্যে দৰঙৰ খাৰুপেটীয়া প্ৰেছ ক্লাবৰ উদ্যোগত খাৰুপেটীয়া অঞ্চলৰ বিভিন্ন ঠাইত বৃক্ষ ৰোপণ কৰা হয় । উল্লেখ্য যে সমগ্ৰ বিশ্বতেই আজিৰ ৫ জুন তাৰিখতেই পালন কৰা হয় বিশ্ব পৰিবেশ দিবস । সাম্প্ৰতিক সময়ত বিশ্বত ভয়াবহ ৰূপে দেখা দিয়া পৰিৱেশ পদুষণ ৰোধ কৰাৰ বাবে ৫ জুনৰ দিনটো পৰিবেশ দিৱস হিচাপে পালন কৰা হয় । এই দিৱসৰ লগত সংগতি ৰাখি আজি খাৰুপেটীয়া প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি দ্বয় তথা জেষ্ঠ সাংবাদিক মেছেৰ আলী , জেষ্ঠ সাংবাদিক আতাউৰ ৰহমান, সভাপতি শ্ৰৱণ কুমাৰ ঝা , সম্পাদক আব্দুল হাকিম , প্ৰাক্তন সম্পাদক জেষ্ঠ সাংবাদিক ইমদাদুল ইছলাম , সদস্য ফখৰুল ইছলাম, আবুল হাশেম আৰু সাংবাদিক খইবৰ মণ্ডল, নুৰ আবু জাহেৰ ছিদ্দিক , আৰু খাৰুপেটীয়া আঞ্চলিক আমছুৰ নেতৃবৰ্গৰ উপস্থিতিত অচিনতলা এম ই স্কুল , খাৰুপেটীয়া আৰক্ষী থানা আৰু টাউন জামে মজছিদত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয় । এই কাৰ্যসূচীত খাৰুপেটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিতাই চন্দ্ৰ ৰয় , এ এচ আই ছাব্বিৰ আহমেদ , যান বাহন আৰক্ষী বিষয়া মণ্টু বৰা সহযোগ আগবঢ়ায় ।



*যোৰহাটত বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ দৃশ্য*

# মাণিকপুৰত বিশ্ব পৰিবেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৫ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে বঙাইগাঁও জিলাৰ মাণিকপুৰত বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত সাজালপাৰা প্ৰাথমিক বিদ্যালয়ত আজি ১১০ জন ছাত্ৰ ছাত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ অভিভাৱক চিআৰচিচি ইনতাজ আলীৰ উপস্থিতিত গছ পুলি ৰোপণ কৰি পৰিবেশ দিৱস পালন কৰে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰি পৰিবেশ ৰক্ষা কৰাৰ বাবে শপত লয় ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক শিক্ষয়িত্ৰী সকলে। গছ পুলি ৰোপণ কৰাৰ পিছতে এক ব্যতিক্ৰমী পদযাত্ৰা উলিয়াই। গছ পুলি ৰোপণ কৰক, পৰিৱেশ ৰক্ষা কৰক, পৰিৱেশ দিৱস পালন কৰক আৰু ছাত্ৰ ছাত্ৰীক বিদ্যালয়লৈ প্ৰেৰণ কৰক আদি বিভিন্ন শেগানেৰে এক ব্যতিক্ৰমী পদযাত্ৰা উলিয়াই ।কিন্তু সাংবাদিকৰ আগত দুখ প্ৰকাশ কৰি বিদ্যালয়ৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰিছে শিক্ষকে। উপযুক্ত শ্ৰেণীকোঠাৰ অভাৱত বাহিৰতেই পাঠদান কৰিব লগীয়া হৈছে। বিদ্যালয়খনত ১৫০ জন ছাত্ৰ ছাত্ৰীৰ পৰিৱৰ্তে ১ জন শিক্ষক, বিদ্যালয়ৰ খনত নাই উপযুক্ত খোৱা পানীৰ সুব্যৱস্থা, অতি শীঘ্ৰই বিদ্যালয়খনত শিক্ষক নিয়োগৰ বাবে অসম চৰকাৰলৈ কাতৰ আহ্বান প্ৰধান শিক্ষকৰ।

# ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়-বেচৰকাৰী সংগঠন পৰমাৰ্থৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ৫ জুন ঃ** ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ৰ উদ্যোগত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয় ।তদুপলক্ষে চিকিৎসালয় প্ৰাংগণত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয় ।চিকিৎসালয়খনৰ উপ অধিক্ষক ডাঃ দিলীপ কুমাৰ বৈশ্যৰ লগতে আন কেবাগৰাকী জ্যেষ্ঠ চিকিৎসক তথা কৰ্মচাৰীয়ে উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰে ।তেনেদৰে বেচৰকাৰী সংগঠন পৰমাৰ্থৰ উদ্যোগতো আজি তৰণীস্থিত কৃষ্ণগুৰু শাখা সেৱাশ্ৰম প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰা হয় ।সংগঠনটোৰ সভাপতি ভাস্কৰ কলিতা ,সম্পাদক বিশ্বজিৎ কাকতীৰ নেতৃত্বত ৰূপায়িত উক্ত কাৰ্যসূচীত বৈদ্যগড় চক্ৰৰ সভাপতি প্ৰতাপ কলিতা, সম্পাদক দীপক বৰ্মণ ,কৃষ্ণগুৰু আধ্যাত্মিক যুৱ সমাজ,বৈদ্যগড় চক্ৰৰ সভাপতি গগণ ভূঞা প্ৰমুখ্যে আন কেবাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰে ।

# নগৰবেৰাত বিশ্ব পৰিবেশ দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৫ জুন ঃ** আজি ৫ জুন, সমগ্ৰ বিশ্বই পাৰিপাৰ্শ্বিক ভাৰসাম্যতা বৰ্তাই ৰাখিবলৈ আজিৰ দিনটো বিশ্ব পৰিবেশ দিৱস হিচাপে উদযাপন কৰে। অন্যান্য প্ৰান্তৰ দৰে বৃহত্তৰ নগৰবেৰাৰো বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত এই দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰবিবাৰ হোৱা সুত্ৰেই স্কুল কলেজ বন্ধ থাকে যদিও পৰিবেশ দিৱস উদযাপনক লৈ প্ৰতিখন শিক্ষানুষ্ঠানতে ভালে সংখ্যক শিক্ষক শিক্ষাৰ্থীৰ সমাগম পৰিলক্ষিত হয়। নগৰবেৰাস্থ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ইলিগেন্ট ইনষ্টিটিউটৰ উদ্যোগত , নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয় আৰু নগৰবেৰা বজাৰ কমিটিৰ সহযোগত বিশ পৰিবেশ দিৱস উপলক্ষে শিক্ষানুষ্ঠান খনৰ ছাত্ৰ ছাত্ৰীয়ে শোভাযাত্ৰা উলিয়াই সজাগতা সৃষ্টি লগতে বজাৰৰ মাজত গছ পুলিও ৰোপণ কৰে।


Azadi Ka Amrit Mahotsav

পাৱৰগ্ৰিড POWERGRID

## জাননী

(১) চিইআৰচি (কনডাক্ট অৱ বিজিনেছ) ৰেগুলেচন-১৯৯৯ ৰ বিধি-৮৬ আৰু চিইআৰচি (টাৰ্মছ এণ্ড কণ্ডিচন অৱ টেৰিফ) ৰেগুলেচন-২০১৯ অধীনত অনুমোদিত (i) ২০১৪-১৯ টেৰিফ ব্লকৰ সংবহন মাচুলৰ কাৰণে হোৱা সত্যতা, (i) ২০১৯-২৪ টেৰিফ ব্লকৰ সংবহন মাচুল নিৰ্ধাৰণৰ কাৰণে সংবহন সম্পদ "প্ৰতিস্থাপন কৰা বৰ্তমানৰ ৪×১০৫ এম ভি এ, ৪০০/২২০ কেভি, ১-ফেজ আই চি টিসমূহ লগতে ১×৫০০ এম ভি এ, ৪০০/২২০ কেভি, ৩-ফেজ আই চি টি মিছা উপ-আস্থানত" উত্তৰ-পূৰ্বাঞ্চল সংমণ্ডলৰ 'নৰ্থ-ইষ্টাৰ্ণ সংমণ্ডলৰ শক্তিশালীকৰণ আঁচনি-IV (এন ই আৰ এছ এছ-IV) অধীনত।

(২) উপৰোক্ত সংবহন পদ্ধতিৰ হিতাধিকাৰীসকল (১) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, (২) মেঘালয় শক্তি নিগম লিঃ, (৩) অৰুণাচল প্ৰদেশ চৰকাৰ, (৪) শক্তি আৰু বিদ্যুৎ বিভাগ, মিজোৰাম, (৫) বিদ্যুৎ বিভাগ, মণিপুৰ (৬) শক্তি বিভাগ, নাগালেণ্ড, (৭) ত্ৰিপুৰা ৰাজ্যিক বিদ্যুৎ নিগম লিঃ।

**(৩) মাচুলৰ সবিশেষ ঃ (ক) ২০১৪-১৯ ব্লক** টকা লাখৰ হিচাপত

| প্ৰকল্প | | ২০১৪-১৫ | ২০১৫-১৬ | ২০১৬-১৭ | ২০১৭-১৮ | ২০১৮-১৯ |
|---|---|---|---|---|---|---|
| এছেট-১ | এ এফ চি অনুমোদিত | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ২.৭০ |
| | পুনৰ বিবেচিত এ এফ চি সত্যতাৰ ভিত্তিত | ০.০০ | ০.০০ | ০.০০ | ০.০০ | ২.৬৯ |

খ) ২০১৯-২৪ ব্লক টকা লাখৰ হিচাপত

| প্ৰকল্প | | ২০১৪-১৫ | ২০১৫-১৬ | ২০১৬-১৭ | ২০১৭-১৮ | ২০১৮-১৯ |
|---|---|---|---|---|---|---|
| এছেট-১ | এ এফ চি | ৫২০.৪৫ | ৫৩৭.৩৬ | ৫৩৬.২৯ | ৫৩৪.৫২ | ৫৩২.১৮ |

(৪) মাচুল নিৰ্ধাৰণৰ আৰশ্যক হোৱা আবেদনৰ প্ৰতিলিপি সংলগ্ন কৰা হৈছে ৱেবছাইট **www.powergrid.in**ত।

(৫) পৰামৰ্শ আৰু ওজৰ-আপত্তিসমূহ, যদিহে আছে, মাচুল নিৰ্ধাৰণৰ বাবে দাখিল কৰা প্ৰস্তাৱসমূহত, যিকোনো ব্যক্তিয়ে দাখিল কৰা আবেদনত, হিতাধিকাৰীসহ, দাখিল কৰিব পাৰিব সচিব, কেন্দ্ৰীয় বৈদ্যুতিক নিয়ামক আয়োগ, তৃতীয় আৰু চতুৰ্থ মহলা, চন্দ্ৰলোক বিল্ডিং, জনপথ, নতুন দিল্লী-১১০০০১ ঠিকনাত (বা অন্য ঠিকনাত য'ত আয়োগৰ অফিচ অৱস্থিত)। লগতে, এই জাননী প্ৰকাশৰ ৩০ দিনৰ ভিতৰত এটা প্ৰতিলিপি প্ৰেৰণ কৰিব লাগিব আবেদনকাৰীলৈ ক'ৰ্পোৰেট কাৰ্যালয়ৰ ঠিকনাত।

**স্থান ঃ** গুৰগাঁও
**তাৰিখ ঃ** ৩১.০৫.২০২২

স্বা/-
**চিনিয়ৰ ডি জি এম (বাণিজ্যিক)**

পাৱাৰ গ্ৰীড ক'ৰ্পোৰেচন অব ইণ্ডিয়া লিমিটেড
(ভাৰত চৰকাৰৰ এটা প্ৰতিষ্ঠান)
**কৰ্পৰেট অফিচ ঃ** 'সৌদামিনি', প্লট নং-২, চেক্টৰ-২৯, গুৰগাঁও-১২২০০১, (হাৰিয়ানা) ফোন ঃ ০১২৪-২৫৭১৭০০-৭১৯
**পঞ্জীয়ন কাৰ্যালয় ঃ** বি-৯, কুটাব ইনষ্টিটিউট এৰিয়া, কাটৱাৰিয়া চৰাই, নতুন দিল্লী-১১০০১৬, ফোন ঃ ০১১-২৫৫৫০১১২, ২৬৫৬০১২১
www.powergrid.in, **চিআইএন ঃ** এল৪০১০১ডিএল১৯৮৯জিঅ'আই০৩৮১২১


এটা মহাৰত্ন পিএছইউ

PG/CC/Notice-08/Advt-14/2022-23/OTS



Affordable Health Mission
GNRC Quality • Value • Trust
স্বাস্থ্য-বাৰ্তা

প্ৰকাশ পালে জুন সংখ্যা
জিএনআৰচি স্বাস্থ্য




ওচৰৰ বিপণীৰ পৰা আপোনাৰ কপিটো আজিয়েই সংগ্ৰহ কৰক

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৬ জুন ■ ২০২২ ■ ২২ জেঠ ■ গুৱাহাটী

## সাৰৰ ক'লা বজাৰ আৰু কৃষকৰ সমস্যা

চাওঁতে চাওঁতে ৰাজ্যখনত ক'লা বজাৰে এফালৰ পৰা ৰাজ্যবাসীক গ্ৰাস কৰি আহিছে। নিত্য ব্যৱহাৰিক বস্তুৰ ওপৰত ক'লা বজাৰে গ্ৰাস কৰি অহাৰ পিছত খেতিয়কৰ খেতিত ক'লা বজাৰৰ ব্যৱসায়ীয়ে ৰমৰমীয়া বাণিজ্য চলাই অহাৰ বাতৰিয়ে গভীৰ সমস্যাত পেলাইছে ৰাজ্যখনৰ খেতিয়কসকলক। এফালে বান-খহনীয়াত জুৰুলা হোৱা খেতিয়কসকলৰ শালি খেতিৰ বতৰ আৰম্ভ হোৱাৰ লগে লগে ব্যস্ততা তুংগত উঠিছে যদিও ইউৰিয়াকে ধৰি প্ৰয়োজনীয় অন্যান্য সাৰৰ কৃত্ৰিম নাটনি নাইবা আকাশলংঘী মূল্যবৃদ্ধিক লৈ গভীৰ সমস্যাত পৰিছে ৰাজ্যৰ খেতিয়কসকল। একাংশ অসাধু ব্যৱসায়ীয়ে প্ৰয়োজনীয় সাৰৰ কৃত্ৰিম নাটনি সৃষ্টিৰে কলা বজাৰ গঢ়ি তুলি মাধমাৰ শোধাইছে এশ-এবুৰি সমস্যাত জৰ্জৰিত কৃষকসকলক। ক'লা বজাৰত পাইকাৰী মূল্যতকৈ ২/৩ গুণ অধিক মূল্যত ইউৰিয়াকে ধৰি অন্যান্য সাৰ, কীটনাশক কিনিবলগীয়া হোৱাত হাহাকাৰ লাগিছে কৃষকসকলৰ মাজত। বিভিন্ন প্ৰান্তৰ একাংশ কৃষকে সদৰী কৰাৰ দৰে সাৰৰ কৃত্ৰিম নাটনি আৰু ক'লা বজাৰত হোৱা দুৰ্মূল্যৰ বাবে তেওঁলোকে সন্মুখীন হোৱা হাহাকাৰ অৱস্থাৰ কথা। আনহাতে, অনুজ্ঞাপ্ৰাপ্ত সাৰৰ দোকানৰ পৰা বিভিন্ন বিধ সাৰ, কীটনাশক ক্ৰয় কৰিবলৈ এতিয়া কৃষকসকলৰ আধাৰ কাৰ্ড, পান কাৰ্ড, পৰিচয়-পত্ৰ আদিৰো প্ৰয়োজন হোৱাত তাক লৈও চৰম অসুবিধাৰ সন্মুখীন হৈছে কৃষকসকল। সাৰৰ দুৰ্মূল্যত জৰ্জৰিত একাংশ ভুক্তভোগী কৃষকৰ মতে শালি খেতিৰ বতৰত ইউৰিয়াকে আদি কৰি বিভিন্ন ধৰণৰ সাৰৰ প্ৰয়োজন বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে কৃত্ৰিম নাটনিৰো সৃষ্টি হৈছে। একাংশ অসাধু ব্যৱসায়ীয়ে কৃত্ৰিম নাটনিৰ সৃষ্টি কৰা বাবে কৃষকে উপযুক্ত মূল্যত সাৰ পোৱা নাই। অথচ ক'লা বজাৰত দুই-তিনিগুণ মূল্যত সাৰ বিক্ৰী কৰি আছে অসাধু ব্যৱসায়ীয়ে। যাৰ বাবে কৃষকসকলে মূৰে-কপালে হাত দিবলগীয়া হৈছে। মুঠতে সাৰৰ বেগত থকা দামতকৈ অধিক দামত সাৰ বিক্ৰী কৰি আছে অসাধু ব্যৱসায়ীসকলে। কিন্তু সাৰৰ কৃত্ৰিম নাটনি দেখুৱাই অসাধু ব্যৱসায়ীসকলে প্ৰতি কিলোত ১২/১৫ টকাকৈ অধিক দামত বিক্ৰী কৰি থকাৰ খবৰ সদৰী হৈছে। একেদৰে অন্যান্য সাৰ, কীট নাশকৰ ক্ষেত্ৰতো অত্যধিক দাম আদায় কৰি ৰাজ্যৰ কৃষকসকলক মাধমাৰ শোধাই আহিছে অসাধু ব্যৱসায়ীসকলে। কিন্তু এইক্ষেত্ৰত তেওঁলোকে চৰকাৰৰ পৰা কমিছন লাভ কৰি আহিছে। তৎসত্ত্বেও অত্যধিক লাভৰ বাবে ক'লা বজাৰত দুই-তিনি গুণ অধিক দামত সাৰ বিক্ৰী কৰি কৃষকসকলক সমস্যাত পেলাইছে তেওঁলোকে। লক্ষণীয়ভাৱে এই অসাধু ব্যৱসায়ীসকলক নাকী লগাবলৈ ৰাজ্যৰ কৃষি বিভাগে অলপতে সংবাদ মাধ্যমত বিজ্ঞাপন প্ৰকাশ কৰি ৰাজ্যৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত মজুত ৰাখি সাৰৰ পৰিমাণ উল্লেখ কৰি অসাধু ব্যৱসায়ীসকললৈ কঠোৰ সকীয়নি দিছিল যদিও ইয়াৰ কোনো সুফল নাপালে ৰাজ্যৰ কৃষকসকলে। চৰকাৰৰ এটা বিয়াগোম বিভাগ থকা সত্ত্বেও আৰু বিষয়াসকলে উপযুক্ত সকীয়নি দিয়া সত্ত্বেও এইসকল অসাধু ব্যৱসায়ীয়ে কাণসাৰ নকৰাটো তাৎপৰ্যৰ বিষয়। ফলত মূৰে-কপালে হাত দিয়াৰ বাহিৰে গত্যন্তৰ নোহোৱা হৈছে ৰাজ্যৰ কৃষকসকলৰ। এইক্ষেত্ৰত চৰকাৰ আৰু কৃষকৰ বিভিন্ন সমস্যাৰ হকে মাত মাতি অহা একাধিক সংগঠনৰ নেতৃবৰ্গই বিষয়টোত গুৰুত্ব দিব লাগে, যাতে প্ৰকৃত মূল্যত কৃষকসকলে সাৰ ব্যৱহাৰ কৰি উপকৃত হ'ব পাৰে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### আপুনি যদি ধাৰ্মিক

হয়, আপুনি যদি ধাৰ্মিক, ধৰ্মৰ প্ৰতি যদি আপোনাৰ আছে অগাধ বিশ্বাস। আপুনি যদি ঈশ্বৰ, আল্লাহ, ভগৱানক মনে-প্ৰাণে শ্ৰদ্ধা-ভক্তি কৰে, আপুনি যদি ঈশ্বৰিক গ্ৰন্থসমূহক অন্তঃকৰণেৰে বিশ্বাস কৰে, আপুনি যদি ঈশ্বৰ প্ৰেৰিত মহাপুৰুষসকলক মান্যতা প্ৰদান কৰে তেন্তে (হিন্দু-মুছলমান বুলি কোন কথা নাই) আপুনি মানৱ জাতিক ভাল পাবই লাগিব। মানুহক বিশ্বাসত লৈ ভাতৃ জ্ঞান কৰিবই লাগিব। পাপী-তাপী নিৰ্বিশেষে সকলো মানুহক মৰ্যাদা দিবই লাগিব। ঈশ্বৰ সৃষ্টি মানুহৰ লগত ভেদাভেদ নাৰাখি সকলোকে সমান চকুৰে চাবই লাগিব। জাতি-ধৰ্ম নিৰ্বিশেষে সৰুক স্নেহ আৰু ডাঙৰক সন্মান কৰিবই লাগিব। কোনো মানুহকে কষ্ট দিব নোৱাৰিব আপুনি। (মনত ৰাখিব লাগিব যে, মানুহক কষ্ট দিয়া মানে ঈশ্বৰক কষ্ট দিয়া আৰু মানুহক ভালপোৱা মানে ঈশ্বৰক ভালপোৱা।) ঈশ্বৰৰ পথত অনুসৰণ কৰি চলা কোনো এজন ব্যক্তিয়ে মানুহৰ মনোকষ্ট দিয়াতো দূৰৰে কথা হিংসা, ঘৃণা তথা নিন্দা কৰিবও নোৱাৰে, কিয়নো ধৰ্মশাস্ত্ৰত সেয়া নিষেধ কৰি বসুধৈৱ কুটুম্বকম কথা কৈছে। তেনেহলে আপুনি কেনেকৈ মানুহক বিনা কাৰণত বেয়া পাব। হিংসা, ঘৃণা তথা নিন্দা কৰিব? আৰু পৰস্পৰৰ মাজত ভাতৃত্ববোধৰ সম্পৰ্ক প্ৰতিষ্ঠাৰ পৰিবৰ্তে বিদ্বেষৰ বিষবাষ্প ছটিয়াব? এনে কৰিলে ধৰ্মৰ বিৰুদ্ধাচৰণ কৰা নহ'বনে? এটা কথা ঠিক যে, যিয়ে অপৰাধ-অপকৰ্ম তথা অসামাজিক কাৰ্যকলাপত জড়িত থাকিব নিশ্চিতভাৱে তেওঁ শাস্তি পোৱাৰ যোগ্য। পিছে সেই শাস্তি দিয়াৰ অধিকাৰ কেৱল দেশৰ প্ৰচলিত আইনৰ আছে। আইনে নিজৰ মতে অপৰাধীক শাস্তি দিব। কোনেও আইন হাতত তুলি লোৱা উচিত নহয়। এজন বিবেকসম্পন্ন প্ৰগতিশীল চিন্তাধাৰাৰ ব্যক্তিৰ কাম হৈছে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ মাজত একতা, বিশ্বাস, সমন্বয় আৰু শান্তি প্ৰতিষ্ঠাৰ হকে অহোপুৰুষাৰ্থ কৰা। আৰু ধৰ্মীয় গুৰু বা পুৰোহিতসকলৰ কাম হৈছে নিস্বাৰ্থভাৱে ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰৰ হিতৰ কাৰণে সৰ্বস্তৰৰ মানুহৰ মাজত আধ্যাত্মিকতাৰ সুগন্ধিযুক্ত তথা ৰসাল জ্ঞান বিলাই মানুহক হিংসাকুৰীয়া, বিভেদকামী, স্বৈৰাচাৰী আৰু ঈৰ্ষাপৰায়ণ হোৱাৰ পৰা ৰক্ষা কৰা। মানৱীয় মূল্যবোধ আৰু নৈতিকতাৰ শিক্ষা প্ৰদান কৰাৰ সমান্তৰালকৈ ধৰ্ম, সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধশীল কৰি তুলিব লাগিব কিন্তু পৰিতাপৰ বিষয়, সাম্প্ৰতিক সময়ত যি দেখা পাওঁ তাতে, একাংশই ধৰ্মৰ নাম লৈ সমাজত অধৰ্মী আৰু আসুৰিক বাতাবৰণ সৃষ্টিতহে অধিক মনোযোগ দিছে, যাৰ ফলত আজি পৰস্পৰৰ মাজত দূৰত্ব বৃদ্ধি পাইছে। পৰস্পৰে পৰস্পৰক বিশ্বাসত লোৱাৰ পৰিৱৰ্তে ছাঁটো দেখিব নোৱৰা হৈছে। সি যি কি নহওক, আহক আমি সকলোৱে মিলি এখন সুন্দৰ, সুশৃংখল, শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সম্প্ৰীতিৰ ভাৰত গঢ়িবলৈ জাত-পাত আৰু ধৰ্মীয় গোড়ামি পৰিহাৰ কৰোঁ। আমি বিশ্বাস কৰোঁ যে, ধৰ্মৰ মত আৰু পথত চলা মানুহে কেতিয়াও জাতি-ধৰ্ম খুঁচৰি মানুহক হাৰাশাস্তি কৰিব নোৱাৰে, নোৱাৰে সমাজত বিদ্বেষৰ বিষবাষ্প বিয়পাবলৈ।

■ জুলহাছ আলী আহমেদ
ফোন ঃ ৯৭০৬৬-৬৬১৯২

### খাল কাটি ঘঁৰিয়াল চপাইছে

বাতৰিৰ শিৰোনাম দখল কৰা আলফা আৰু বৰ্তমান চৰকাৰৰ বুজা-পৰাৰ চুক্তিখন আশ্চৰ্যকৰ। কিয়নো এসময়ত আলফাৰ বাবেই বহু লোকে আপোনজনক হেৰুৱালে। অসম নিৰ্দোষী জনতাৰে ৰক্তাক্ত হৈছিল। বৰ্তমানৰ শাসকপক্ষই সেই দৃশ্য এসময়ত নিশ্চয় প্ৰত্যক্ষ কৰিছিল। আকৌ চৰকাৰখনে উগ্ৰপন্থীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি সন্ত্ৰাসবাদক আমন্ত্ৰণ জনাইছে যেন বোধ হৈছে। এনে হ'লে অসমৰ জাতীয় জীৱনৰ প্ৰেক্ষাপটত ই বিপৰ্যয়ৰ বিষয়। সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰা মানে অসমত পুনৰ হয়তো ক'লা অধ্যায়ৰ সূচনা হ'ব। এতিয়া প্ৰশ্ন হয় যে সন্ত্ৰাসবাদে ৰাজ্যখনৰ প্ৰগতিৰ দিশত সুফল কঢ়িয়াব নেকি? নিৰ্দোষী জনতাৰ তেজেৰে ইতিহাস লিখাৰ মন পাঙিছে নেকি শাসক পক্ষই? বৰ্তমান শাসকপক্ষই হয়তো জনতাক সুৰক্ষা প্ৰদান কৰাত ব্যৰ্থ হৈছে যেন বোধ হৈছে। অসমৰ জাতীয় জীৱনলৈ আকৌ সংকট মতাৰ হয়তো ই এক আখৰাহে মাত্ৰ।

■ ৰিতুৰশ্মি হাজৰিকা
ফোন ঃ ৯৭০৬৬-১৬৪৩৫

প্ৰসংগ ঃ মুখ্যমন্ত্ৰীৰ চকী

# অসমৰ ৰাজনীতিত ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিত্ব



■ বিমান শইকীয়া

দিল্লীত মন্ত্ৰী হোৱাতকৈ দিছপুৰত মুখ্যমন্ত্ৰী হৈ থাকি নিজৰ ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত আত্মনিয়োগ কৰি ৰাজ্যখনৰ বুৰঞ্জীত শ্ৰেষ্ঠ মুখ্যমন্ত্ৰীৰ সন্মান লাভ কৰা মানসিকতা বুধিয়ক আৰু আত্মসন্তুষ্টিপৰায়ণ মানুহৰ কাম হ'ব। অৱশ্যে এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ চকীখনৰ অধিকাৰী হোৱাৰ যোগ্যতা আৰু দক্ষতা হয়তো বহুত ৰাজনৈতিক নেতাৰ ব্যক্তিত্বত থাকিব পাৰে। কিন্তু তেনে সকলো ৰাজনীতিকেই কোনো ৰাজ্যৰে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ'বলৈ সুযোগ পোৱা নাই। ভাৰতৰ প্ৰতিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ জীৱনৰ আঁতি-গুৰি নজৰ কৰিলে দেখা যায় যে প্ৰতিজনেই যোগ্যতা আৰু দক্ষতাৰ ভিত্তিত মুখ্যমন্ত্ৰীৰ চকীখনত বহিবলৈ পোৱা নাই। কিছুমান ৰাজনৈতিক নেতাৰ ক্ষেত্ৰত ৰাজনৈতিক পৰিস্থিতিৰ গৰাহত অৱলীলাক্ৰমে মুখ্যমন্ত্ৰীৰ গাদীত বহাৰ সুযোগ পাই বুৰঞ্জীত নাম ৰাখিবলৈ সক্ষম হৈছে। আন কিছুমান ৰাজনৈতিক নেতাই গভীৰ ৰাজনৈতিক অনুশীলনৰ ফলত জনসাধাৰণৰ স্বাৰ্থত মহান ত্যাগ আৰু নেতৃত্বৰ বলত মুখ্যমন্ত্ৰীৰ চকীখনত অধিষ্ঠিত হৈছে। কোনোবাই হয়তো ছমাহৰ বাবে আৰু আন কোনোবাজনৰ জীৱনত কুৰিবছৰতকৈও অধিক কাল ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত মুখ্যমন্ত্ৰী হৈ কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ ভিতৰত ছিকিমৰ মুখ্যমন্ত্ৰী পৱন কুমাৰ চেমলিঙৰ কাৰ্যকাল সৰ্বাধিক। তেওঁ ২৪ বছৰ ১৬৫ দিন মুখ্যমন্ত্ৰিত্বৰ চকীত আছিল। দ্বিতীয়তে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী জ্যোতি বসু ২৩ বছৰ ১৩৭ দিন মুখ্যমন্ত্ৰীৰ চকীখনৰ গৰাকী আছিল। এই তথ্যটো দাঙি ধৰাৰ কাৰণ হৈছে মুখ্যমন্ত্ৰীৰ বাবে এটা বা দুটা কোৱালিটী থাকিলে এনে ধৰণৰ দীৰ্ঘদিনৰ বাবে মুখ্যমন্ত্ৰীৰ চকীখনত অধিষ্ঠিত হোৱাৰ সম্ভাৱনাই নাথাকে। জ্যোতি বসুৰ নামটো পশ্চিমবংগত জনপ্ৰিয়েই নহয় প্ৰবাদপুৰুষৰ দৰে। ১৯৭৭ চনৰ পৰা ২০০০ চনলৈ মুখ্যমন্ত্ৰীৰ চকীখনত বহি জ্যোতি বসু ভাৰতৰ ৰাজনীতিত বিশেষ আসন লাভ কৰিবলৈ সক্ষম হৈছিল। চি পি এম দলৰ নেতা যদিও এটা সময়ত তেওঁক ভাৰতৰ প্ৰধানমন্ত্ৰীৰ বাবেও বিবেচিত হৈছিল। কিন্তু চি পি এমৰ পলিটব্যুৰ'ৰে প্ৰস্তাৱটো মানি নল'লে কাৰণেহে প্ৰধানমন্ত্ৰীৰ চকীখনত অধিষ্ঠিত হ'বলৈ সুযোগ নাপালে। এইক্ষেত্ৰত জ্যোতি বসুৱে দলৰ সিদ্ধান্তক 'হিষ্টৰিকেল ব্লাণ্ডাৰ' বুলি অভিহিত কৰিছিল। ভাৰতৰ জাতীয় কংগ্ৰেছৰ দৰে সোঁপন্থী ৰাজনৈতিক নেতা এজন দীৰ্ঘদিন মুখ্যমন্ত্ৰীৰ চকীখনত বহাৰ সুযোগ পোৱাতো মই ভাবো বৰ ডাঙৰ কথা নহয়, কিন্তু এজন বামপন্থী নেতা বিশেষকৈ চি পি এমৰ দৰে বামপন্থী দলটোৰ নেতা এজনে দুই বা ততোধিক কাৰ্যকাল মুখ্যমন্ত্ৰী হোৱাটো সহজ কথা নহয়। কেৰালাত, পশ্চিমবংগত আৰু ত্ৰিপুৰাত চিপিএমৰ নেতৃত্বত বামপন্থী চৰকাৰৰ শাসন ভাৰতৰ ৰাজনৈতিক ইতিহাসত গুৰুত্বপূৰ্ণ কথা বুলি মই বিবেচনা কৰো। কেৰালাত ভাৰতৰ স্বাধীনতাৰ পিছতে ১৯৫৭ চনতে কমিউনিষ্ট নেতা ই এম এছ নাম্বুদ্বিৰিপদ মুখ্যমন্ত্ৰীৰ চকীখনত বহিছিল। বৰ্তমানো কেৰালাত চি পি এমৰ নেতৃত্বত বামপন্থী চৰকাৰ চলি আছে। তাৰ অৰ্থ এইটো নহয় যে তাৰ ৰাইজে কমিউনিষ্ট আদৰ্শত শৰণাপন্ন হৈছে। যিহেতু কমিউনিষ্টৰ শাসন ধাৰাবাহিকভাৱে কেৰালাত চলি থকা নাই। বৰ্তমান অৱশ্যে কেৰালাত বিজয়নৰ নেতৃত্বত বামপন্থী চৰকাৰ চলি আছে। কেৰালাত জনসাধাৰণ ৰাজনৈতিকভাৱে পৰিপক্ক। কাজেই এবাৰ কংগ্ৰেছৰ নেতৃত্বত ইউ ডি এফৰ চৰকাৰ আৰু পিছত মাৰ্ক্সবাদী কমিউনিষ্ট দলৰ নেতা এল ডি এফ চৰকাৰ শাসনত বহে। ৰাজনৈতিক দলৰ আদৰ্শক ভাল পাই জনসাধাৰণে কমিউনিষ্টক শাসনত বহুওৱা হ'লে ওলট-পালট নহ'লহেঁতেন। ঠিক তেনেদৰেই পশ্চিম বংগত জ্যোতি বসুৰ প্ৰায় একুৰি তিনি বছৰ কমিউনিষ্ট শাসনত, বুদ্ধদেৱ ভট্টাচাৰ্যৰ দহ বছৰ কমিউনিষ্ট শাসনত থাকিও বৰ্তমান তৃণমূল কংগ্ৰেছৰ মমতা বেনাৰ্জীৰ হাতত শাসন ভাৰ এৰি দিবলৈ বাধ্য হৈছিল। পশ্চিম বংগত মমতা দিদিৰ শাসন চলি আছে বৰ্তমান। এইবিলাক দৃষ্টান্ত এইক্ষেত্ৰত এই কাৰণেই দাঙি ধৰিছো, যাতে ৰাইজৰ বুজাত ভুল নহয়। জ্যোতি বসুৰ ব্যক্তিত্ব আৰু তেওঁৰ বলিষ্ঠ পদক্ষেপত আকৃষ্ট হৈ তেওঁৰ কৰ্মদক্ষতাৰ বলত বংগৰ ৰাজনৈতিক পৰিস্থিতিৰ অনুকল বাতাবৰণে তেওঁক মুখ্যমন্ত্ৰীৰ বাবে সমৰ্থন কৰিছিল। পুনস্ব ঃ কমিউনিষ্ট জ্যোতি বসুই প্ৰধানমন্ত্ৰী হোৱাৰ এটা ডাঙৰ সুযোগ লাভ কৰিছিল। পিছে দলে তেওঁক সেই সুযোগ ল'বলৈ নিদিলে। কাজেই তেওঁ দলৰ বিধি-পথালিক historic blunder বুলি অভিহিত কৰিছিল।

অসমৰ ৰাজনীতিত ৰাজনৈতিকৈ প্ৰেক্ষাপটত মুখ্যমন্ত্ৰীৰ চকীখনত বহিবলৈ যিসকল ব্যক্তিৰ সৌভাগ্য হৈছে, তেওঁলোকৰ কাৰোবাৰ কাৰণে দক্ষতাৰ বা ততোধিক জনপ্ৰিয়তাৰ ফলত মুখ্যমন্ত্ৰীৰ চকীখনত অধিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰিছে। গোপীনাথ বৰদলৈৰ দিনৰে পৰা বৰ্তমানলৈকে যিসকল ব্যক্তি অসমৰ ৰাজনীতিত মুখ্যমন্ত্ৰীৰ চকীখনৰ অধিকাৰী হোৱাৰ সুযোগ লাভ কৰিছে, তেওঁলোকৰ কোনোবাই অৱলীলা ক্ৰমে আৰু আন কোনোবাজনৰ জীৱনত ৰাজনৈতিক প্ৰেক্ষাপটত কৃতিত্ব আৰু ত্যাগৰ ফচল হিচাপে চিহ্নিত হৈছে। সকলোৰে ক্ষেত্ৰত ৰাজনৈতিক পৰিস্থিতিৰ বিশ্লেষণ কৰিব খোজা নাই। মোৰ বিশ্বাস আৰু অধ্যয়নৰ বলত যিসকল মুখ্যমন্ত্ৰীক চকুৰ পচাৰতে গুণাগুণ বিচাৰ-বিশ্লেষণ কৰিবলৈ চেষ্টাহে কৰিছো। এইক্ষেত্ৰত অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী তথা মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈক সুকীয়া মৰ্যাদাৰে একাষৰীয়া কৰি ৰাখিলো। পৰৱৰ্তী কালত শৰৎ চন্দ্ৰ সিংহ অসমৰ ৰাজনীতিত বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। অসমৰ ৰাজনৈতিক ইতিহাসত শৰৎ চন্দ্ৰ সিংহৰ ত্যাগৰ শলাগ নলৈ নোৱাৰি। যিজনে মুখ্যমন্ত্ৰীৰ কাৰ্যকাল সামৰি ৰঙা বাছত অৰ্থাৎ ষ্টেট ট্ৰেন্সপ'ৰ্টত উঠি ঘৰলৈ গৈছিল। মুখ্যমন্ত্ৰীৰ আৱাস বেদখল কৰি মুখ্যমন্ত্ৰীৰ চকীখনৰ পৰকাষ্ঠা প্ৰদৰ্শন কৰা নাছিল। পৰৱৰ্তী কালত, অসমৰ ৰাজনীতিত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক একাংশ সমালোচকে কৰ্মশ্ৰী উপাধিৰে বিভূষিত কৰিছিল আৰু একাংশই গণশত্ৰু বুলি অভিহিত কৰিছিল। হ'লেও অসমৰ ৰাজনীতিত হিতেশ্বৰ শইকীয়াৰ শাসন কাল স্মৰণীয় হৈ আছে তেওঁৰ কঠোৰ সিদ্ধান্ত গ্ৰহণৰ দক্ষতাৰ বলত। আনহাতে, মুখ্যমন্ত্ৰীৰ চকীখনত বহা আঞ্চলিকতাবাদী নেতা প্ৰফুল্ল কুমাৰ মহন্তৰ মুখ্যমন্ত্ৰিত্বৰ দুটা কাৰ্যকালত জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদ এই দুইটাৰ সামঞ্জস্য ৰক্ষা কৰি অসমৰ জাতীয় জীৱনৰ ক্ষেত্ৰত নতুন প্ৰজন্মক নতুন পথৰ সন্ধান দিবলৈ তেওঁৰ দিনত চেষ্টা কৰিছিল। তেওঁৰ ৰাজনৈতিক দল অসম গণ পৰিষদ আজি কালৰ পাক চক্ৰত ৰাষ্ট্ৰীয়তাবাদৰ পৃষ্ঠপোষকতাত ধূসৰিত।

এতিয়া এই লেখাৰ মূল নায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক উত্থান-পতনৰ বিচাৰ-বিশ্লেষণ কৰি মুখ্যমন্ত্ৰিত্বৰ এটা বছৰত ইয়াৰ প্ৰতিফলন কেনে ধৰণৰে কোন বাটেৰে আগুৱাইছে আলোকপাত কৰাৰ এটি চমু অৱলোকন। ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই কৈছে যে তেওঁ ২৬ বছৰ বয়সতে অসম বিধানসভাত প্ৰৱেশ কৰিছিল। তাৰ আগতেই অসমৰ ৰাজনীতিৰ নাড়ীস্পন্দন ড° শৰ্মাই অনুভৱ কৰিছিল। অসীম সাহস আৰু দুৰ্জেয় দৃষ্টিভংগীৰ ফালৰ পৰাও ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিত্ব অপৰিসীম কল্পনাশক্তিৰ আধাৰস্বৰূপে জনমানসত বিদ্যমান। যোৰহাটৰ বাল্য ভৱনত স্কুলীয়া শিক্ষা আৰম্ভ কৰা ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ কামৰূপ একাডেমীত অধ্যয়ন কৰি কটন কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰে। সমান্তৰালভাৱেই আইনৰ ডিগ্ৰীও ল'বলৈ সক্ষম হয়। ১৯৬৯ চনত জন্মগ্ৰহণ কৰা ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনতো অংশগ্ৰহণ কৰিছিল সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ মজিয়াৰ পৰা। ল'ৰালি কালতে অসমীয়া চিনেমা ককা দেউতা নাতি হাতীৰ হাতীৰ পিঠিত উঠি এক দুই তিনি চাৰি গীতৰ লহৰত অভিনয় কৰা আজিৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজনৈতিক জীৱনৰ কোবাল সোঁতত উভতি চোৱা নাই, সন্মুখৰ বিশাল প্ৰত্যাহ্বান নিমিষতে সমাধান কৰাৰ দক্ষতাৰ বলত ৰাজনৈতিক প্ৰেক্ষাপটত কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত অৱশ্যে অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ অৱদান অৱধাৰিতভাৱেই উল্লেখযোগ্য। মুখ্যমন্ত্ৰিত্বৰ কালত কৃতিত্বৰ অধিকাৰী হোৱাৰ গৌৰৱোজ্জ্বল অধ্যায়ৰ গৰাকী হিচাপে তৰুণ গগৈৰ এখন মৰ্যাদাসম্পন্ন আসন আছে। তিনিটা কাৰ্যকাল তিতাবৰক প্ৰতিনিধিত্ব কৰি ১৫ বছৰ মুখ্যমন্ত্ৰী হৈ অসমৰ জনসাধাৰণৰ হিয়াৰ আমঠু হ'বলৈ তেওঁৰ কৃতিত্বই সুযোগ দিলে। এই কৃতিত্ব মুখ্যমন্ত্ৰী তৰুণ গগৈৰ কাৰ্যকালত সম্ভৱ হৈছিল ড° হিমন্ত বিশ্ব শৰ্মাৰ আন্তৰিক সহযোগিতাৰ সহায়ত। ড° হিমন্ত বিশ্ব শৰ্মাই তৰুণ গগৈৰ মুখ্যমন্ত্ৰিত্বৰ কালত তেওঁৰ সৌহাতস্বৰূপে প্ৰদৰ্শন কৰা দক্ষতাৰ বলত তৰুণ গগৈক কৃতিত্বৰ অধিকাৰী কৰাই নহয়, নিজৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হোৱাৰ দক্ষতাৰ আৰু যোগ্যতাৰ পৰিচয় দিছিল। কোৱা বাহুল্য যে মুখ্যমন্ত্ৰী তৰুণ গগৈৰ শাসনত ড° হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকাই আজিৰ ৰাজনৈতিক প্ৰেক্ষাপটত ড° শৰ্মাক মুখ্যমন্ত্ৰী হ'বলৈ বাট প্ৰশস্ত কৰিলে। ৰাজনৈতিক মঞ্চ সলনি হ'ল যদিও সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বৰ দিনতো ড° হিমন্ত বিশ্ব শৰ্মাই নামত নহ'লেও কামত মুখ্যমন্ত্ৰীৰ দৰেই পাঁচ বছৰ কটালে। বৰ্তমান কৰ্মসংস্কৃতিৰ বলত ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰিত্বৰ এটা বছৰত প্ৰতিটো দিশতে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাই নহয়, তুলনামূলক অধ্যয়নত মুখ্যমন্ত্ৰীৰ কৃতিত্বৰ দৌৰত পূৰ্বৰ মুখ্যমন্ত্ৰীসকলক চেৰ পেলাবলৈ এটা বছৰত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এইটো মোৰ ব্যক্তিগত অভিজ্ঞতাৰ অভিমত নহয়, ৰাজনৈতিক প্ৰেক্ষাপটত ৰাইজৰ সমৰ্থনত প্ৰকাশিত আস্থাৰ অভিমত। এনেদৰেই পৰিকল্পিত কৰ্মসংস্কৃতিৰ জখলাত আগুৱাই গ'লে তেওঁৰ পাঁচবছৰীয়া কাৰ্যকালত লাভ কৰা কৃতিত্বই মুখ্যমন্ত্ৰীৰ চকীখন তেওঁৰ বাবে আগন্তুক ১৫ বছৰলৈ সুৰক্ষিত কৰিব। বিজেপিৰ অসম মুলুকত ড° হিমন্ত বিশ্ব শৰ্মাক উলাই কৰিব পৰা নেতাৰ বৰ্তমান জন্মই হোৱা নাই। কাজেই অসমৰ নতুন প্ৰজন্মৰ মামা ড° হিমন্ত বিশ্ব শৰ্মাই ককা উপাধি লৈও মুখ্যমন্ত্ৰীৰ চকীখনত বহাৰ প্ৰতিচ্ছবি তেওঁৰ কৰ্মসাধনাত প্ৰকট হৈছে।

■ অজয় বৰুৱা

# গাৰোৰ গোবিন্দ আতা

অসমৰ জনজাতীয় মূলৰ একান্ত ভকত তথা অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ সমন্বয়ৰ সংস্কৃতি গঢ়োতা আছিল গাৰোৰ গোবিন্দ আতৈ। ছমৰীয়া সত্ৰৰ প্ৰতিষ্ঠাপক, দক্ষিণ কুলীয়া শ্ৰীশ্ৰীবৰবিষ্ণু আতাৰ তেওঁ আলধৰা আছিল। তেওঁ বৈষ্ণৱ ধৰ্ম প্ৰচাৰত নিজকে সমৰ্পিত কৰি দক্ষিণ কুলৰ অগণন গাৰো সম্প্ৰদায় তথা জনজাতি লোকক মহাপুৰুষীয়া ধৰ্মলৈ আনি ১৫ শতিকাৰ বৰ অসমৰ মহামিলনৰ সেতু গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

'কিৰাত কছাৰী খাচী গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মুলুক ধোবা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।

গোৰো গোবিন্দ আতাৰ প্ৰকৃত নাম অজ্ঞাত যদিও স্থানীয় লোকৰ মাজত থকা প্ৰবাদ মতে (জনশ্ৰুতি মতে) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ওচৰত শৰণ লোৱাৰ পূৰ্বে তেওঁৰ নাম আছিল 'ৰ'ন্দা জে চাংমা (Ronda J. Sangma)। মানে হ'ল Jongske (জংছকে)। গোবিন্দ আতা আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ একান্ত ভক্ত তথা প্ৰিয় শিষ্য। গোবিন্দ আতাক শৰণ দি তেওঁ নাম দিছিল 'গোবিন্দ'। শৰণ লোৱাৰ পিছত উপাধি পালে 'আতা'। গাৰো সম্প্ৰদায়ৰ আছিল বাবে 'গাৰোৰ গোবিন্দ আতা'। পিছলৈ সকলোৰে পৰিচিত নাম হ'ল 'গাৰো গোবিন্দ আতৈ'। গোবিন্দ আতৈৰ উপৰিপুৰুষ কামৰূপ জিলাৰ বৰ্তমান ছয়গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বনগাঁও মৌজাৰ বামুণীগাঁৱৰ দক্ষিণ ফালে বগাই ৰজাৰ অধীনৰ 'লাৰুবামা গাঁৱৰ' বুলি জনা যায়। ইয়াক 'আলুখুন্দা' বুলিও জনা যায়। গোবিন্দ আতাৰ বংশধৰ আৰু লাৰুবামা গাঁওবাসীৰ মতে আনুমানিক ১৫১০ খ্ৰীষ্টাব্দৰ পৰা ১৫৩০ খ্ৰীষ্টাব্দৰ ভিতৰত আতাৰ জন্ম হৈছিল। কিন্তু তেওঁৰ জন্মস্থান সম্পৰ্কে কিছু দ্বিমত দেখা যায়। কিছুসংখ্যকৰ মতে তেওঁৰ জন্ম লাৰুবামা গাঁৱৰ পৰা দক্ষিণে থকা 'নকমানক' নামৰ গাঁৱত। আন কিছুমানৰ মতে বকোৰ দক্ষিণ-পশ্চিমত থকা 'গামেৰীমূৰা' নামৰ গাঁৱত। মাতৃতান্ত্ৰিক প্ৰথানুসৰি লাৰুমূৰা গাঁৱত বিয়া পাতি তাত থাকিবলৈ লয়। এক জনশ্ৰুতি মতে বৰ্তমানৰ বৰপেটাৰ 'গোমূৰী' নামৰ ঠাইখনতহে গোবিন্দ আতাৰ জন্ম হৈছিল আৰু পিছত জন্মসূত্ৰে লাৰুবামা বা আলুখুন্দাত থাকিবলৈ লয়। এই গোমূৰীৰ নখন্দা নদীৰ পাৰত এদিন হালবাই থাকোতে এদিন ঘটনাক্ৰমে লগ পাইছিল। সেয়ে গোমূৰী বা সেই অঞ্চলতে তেওঁৰ জন্ম বুলি বিশ্বাস কৰে। গোবিন্দ আতাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ওচৰত শৰণ লৈছিল গুৰুজনা পাটবাউসীত থাকোতে। গোবিন্দ আতাই 'একশৰণ হৰিনাম ধৰ্মত' শৰণ লৈ এবাৰ স্ব-গৃহ লাৰুবামা গাঁৱলৈ আহে। জনপ্ৰবাদ মতে নিজ গাঁৱলৈ অহাৰ পিছত আতাই গাঁৱৰ 'মাহাৰী মেলত' ভগৱান শ্ৰীকৃষ্ণ, গুৰুজনাৰ মহিমা তথা একশৰণ নামধৰ্মৰ তত্ত্ব কৈছিল আৰু তেতিয়া তেওঁলোক আৱেগ-বিহ্বল হৈছিল আৰু ঠাইডোখৰত দিব্য পৰিৱেশ বিৰাজ কৰিছিল। তাকে দেখি গাঁৱৰ মানুহে তেওঁৰ গাত দৈৱশক্তি থকা বুলি আঁঠুকাঢ়ি সেৱা জনাইছিল। এই কথা বগাই ৰজাৰ কাণত পৰাত ৰজাৰ ৰোষত পৰিছিল আৰু শাস্তি হিচাপে আতৈক বেত্ৰাঘাতৰ হুকুম দিছিল আৰু ৰাজ্যৰ (গাৰো সমাজৰ) পৰা বহিষ্কাৰ হ'বলগীয়া হৈছিল, কিয়নো সেই সময়ত ৰজাৰ বাহিৰে অন্য লোকক আঁঠুকাঢ়ি সেৱা কৰাটো নিয়মৰ বাহিৰত আছিল। সহজ-সৰল প্ৰকৃতিৰ আতৈয়ে তথাপি তেওঁ গুৰুজনাৰ ধৰ্ম প্ৰচাৰ-প্ৰসাৰ কৰি গৈছিল। তেওঁৰ গুৰু ভক্তি আছিল অতি গভীৰ। মহাপুৰুষ শংকৰদেৱৰ মহাপ্ৰয়াণৰ পিছত শ্ৰীশ্ৰীমাধৱদেৱৰ ওচৰত আছিল গুৰুভাৰ। আৰু সেয়ে গোবিন্দ আতাই মাধৱদেৱক গুৰুৰ দৰে সন্মান আৰু শ্ৰদ্ধা কৰিছিল। দুয়োৰে মাজত আছিল আত্মিক তথা ভাতৃসুলভ সম্পৰ্ক। এদিন গোবিন্দ আতৈয়ে গুৰুজনাক পাটবাউসীত দেখা কৰি সেৱা জনালে। গুৰুজনাই বোলে 'গোবিন্দ দেখো আহিছা'! গোবিন্দই ক'লে 'হয় বাপ, তোকে সেৱা কৰিবলৈ আহিছোঁ।' উভতি যাওঁতে ভকতে ক'লে— 'হেৰা বাপ, গুৰুজনাক 'তই' কিয় বোলা? গোবিন্দই সুধিলে... 'কি বুলিব লাগে নো? বোলে 'তুমি', তোম্ৰা এনেকৈ ক'ব লাগে। কথাখিনি গোবিন্দৰ গাত লাগিল আৰু পুনৰ গুৰুৰ কাষলৈ গ'ল। গোবিন্দক আকৌ অহা দেখি গুৰুজনাই সুধিলে— 'গোবিন্দ দেখো আকৌ আহিছা?' গোবিন্দই ক'লে— 'বাপ তোকে তুমি বুলিবলৈ আহিছোঁ। গুৰুজনাই হাঁহি ক'লে— 'এ গোবিন্দ, 'তই' বুলিলে যিমান সন্তোষ পাওঁ আনে 'তুমি' বুলিলে তিমান নাপাওঁ। মাধৱদেৱৰ কথা শুনি গোবিন্দ আতৈ সন্তোষ মনেৰে ঘৰলৈ উভতি গ'ল। এয়াই হৈছে গুৰুজনাৰ মহানুভৱতা আৰু জনগোষ্ঠীৰ প্ৰতি থকা উদাৰতা, নিৰ্মল ভাবৰ এক উদাহৰণ।

গোবিন্দ আতৈ আছিল গাৰো জনগোষ্ঠী আৰু অগাৰো জনগোষ্ঠীৰ মাজত মিলনৰ এক সাঁকো। যিয়ে বৃহত্তৰ অসমীয়া সংহতিৰ সেতু নিৰ্মাণ কৰিছিল। দক্ষিণ কুলত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত আতৈৰ আছিল অপৰিসীম অৱদান। সুদূৰ মালচাৰ পৰা হেৰেমদলৈকে 'একশৰণ হৰিনাম ধৰ্ম' প্ৰচাৰ-প্ৰসাৰেৰে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। যেতিয়া মাধৱদেৱৰ গুৰুজনা মালচালৈ আহিছিল তেতিয়া গোবিন্দ আতাৰ চেষ্টা আৰু নেতৃত্বত তেওঁক চাবলৈ, ধৰ্ম কথা শুনিবলৈ বহু লোক আহিছিল। মানুহবিলাকে গুৰুজনাৰ ভৰি স্পৰ্শ কৰি সেৱা কৰিলে। আৰু তেতিয়াৰ পৰা দক্ষিণ কুলত ভৰি চুই সেৱা কৰা পৰম্পৰাটো চলি থাকিল যিটো অন্য সত্ৰত দেখিবলৈ পোৱা নাযায়। মুঠতে গোবিন্দ আতৈৰ দক্ষিণ কুলত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ আৰু এই নতুন পৰম্পৰাৰ পৰোক্ষভাৱে দাবীদাৰ বুলি ক'ব পাৰি।

গোবিন্দ আতাই বৈষ্ণৱ ধৰ্ম প্ৰচাৰ-প্ৰসাৰত নিজৰ জীৱন তুচ্ছ কৰিছিল তাৰ প্ৰমাণ পোৱা যায়। গুৰু চৰিত মতে এবাৰ তেওঁক ফেঁটি সাপে দংশন কৰিছিল। তেওঁ দৰৱ, বেজ নিবিচাৰি নাম অৰ্থাৎ হৰিনাম লৈ সাপৰ বিষৰ পৰা আৰোগ্য লাভ কৰিছিল। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে এবাৰ তেওঁ 'হেৰেমদলৈ' (সেই সময়ৰ প্ৰান্তীয় ৰাজ্য)লৈ গৈছিল। হৰিনাম গাই সাপৰ বিষ নাইকিয়া কৰাৰ কথা গম পাই 'হেৰেমেশ্বৰে' আতৈক প্ৰমাণ কৰাৰ উদ্দেশ্যেৰে বিহ এবাটি খাবলৈ দিছিল। 'বোলে সাপৰ বিহে বৰবিহে সমান। বিহ এটা খোৱা নামেৰে গুচক চাওঁ।' ৰজাৰ আদেশ মানি আতৈয়ে হৰিনাম লৈ লৈ বিহ খোৱাত তেওঁৰ দেহ বিহৰ জালত এবাৰ ক'লা এবাৰ বগা হ'বলৈ ধৰিলে যদিও এটা সময়ত বিহৰ জাল কটা গ'ল। ৰজা আচৰিত হ'ল আৰু গোবিন্দ আতৈক প্ৰশংসা আৰু ৰাজকীয় সন্মানেৰে বিদায় দি ক'লে— 'নমো সত্য, গুৰু সত্য, ভকতো সত্য। ইয়েই প্ৰমাণ কৰে যে গাৰো গোবিন্দ আতাৰ 'নামধৰ্ম'ৰ প্ৰভাৱত হেৰেমদ' ৰজাও প্ৰভাৱান্বিত হৈছিল। গোবিন্দ আতৈয়ে অসমীয়া সাহিত্য বা লিপিৰ সৃষ্টিত এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল। তেওঁ মহি (চিয়াঁহী) দক্ষিণ কুলৰ পৰা যোগাৰ কৰি আনি বৰপেটাত থকা মাধৱদেৱৰ গুৰুজনাক যোগান ধৰিছিল। যি মহিৰে মাধৱদেৱ গুৰুজনাই ঘোষা-পদ-নাট ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছিল। ছমৰীয়া সত্ৰ আছিল গাৰো গোবিন্দ আতাৰ প্ৰধান সেৱাৰ স্থলী। যাৰ বাবে এই সত্ৰক 'গাৰো গোবিন্দ আতাৰ থান' বুলিও জনপ্ৰবাদ আছে। ইয়াত তেওঁ একশৰণ বৈষ্ণৱ ধৰ্মৰ একনিষ্ঠ সেৱক হিচাপে সেৱা আগবঢ়াইছিল।

ফোন ঃ ৯৭০৭৭-৩০৪২৭

■ অশ্বিনী ডেকা

# জৈৱ-বৈচিত্ৰ্য আৰু আমাৰ কৰণীয়



সম্প্ৰতি পৃথিৱীত দ্ৰুতগতিত হ্ৰাস পাই আহিছে খাল, বিল, পুখুৰী, জলাশয়, পিটনি। তৰাং হৈ আহিছে নৈৰ বুকু। হাবি, জংঘল, বাঁহনি, কাঠনি অহৰহ মানৱ জাতিৰ অত্যাচাৰত ফোঁপোলা হৈ পৰিছে। আজিৰ পৰা প্ৰায় তিনি-চাৰি দশক আগলৈকে আমাৰ চাৰিওফালে জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ আছিল। খাল, বিল, জলাশয়, নদ- নদীত বিভিন্ন প্ৰজাতিৰ মাছ, কাছ, পোক-পৰুৱা, সাপ, ভেকুলী, চৰাই আদি নানা ধৰণৰ প্ৰাণীৰে পৰিপূৰ্ণ আছিল। পথাৰত গৰু বা ম'হেৰে হাল বাইছিল আৰু তাত থকা মাছ-পুঠিবোৰেও একপ্ৰকাৰ সুৰক্ষিত হৈ আছিল। জাল, জাকৈ, পল', জুলুকীৰে মাছ ধৰাৰ ব্যৱস্থা আছিল। আজিকালিৰ নিচিনা উন্নত মানৰ মাছধৰা সঁজুলি নাছিল। সেয়ে প্ৰায় সকলোৱে এটা নিৰ্দিষ্ট পৰিমাণতহে মাছ ধৰিবলৈ সক্ষম হৈছিল। ট্ৰেক্টৰেৰে মাটি চহাবলৈ লোৱাৰ পৰা মাটিত থকা কেঁচু, পথাৰৰ পানীত থকা মাছ আদি প্ৰাণীবোৰ ধ্বংস হৈ আহিছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে জলাশয়, খাল, বিল পুতি বাঁহনি, কাঠনি মুকলি কৰি ঘৰ-দুৱাৰ সাজিবলৈ ল'লে। ব্যৱসায় প্ৰতিষ্ঠানবোৰ গঢ়ি উঠিল। যাৰ ফলত জৈৱ-বৈচিত্ৰ্যতাৰ প্ৰতি প্ৰবল ভাবুকি আহি পৰিল। মাছ, কাছ, ঘঁৰিয়াল, সাপ, বিভিন্ন প্ৰজাতিৰ চৰাই- ডাউক, শৰালি, পানী কাউৰী, কামচৰাই, বালিমাহী, বাটৈটোকা, হাইঠা, ফেঁচা, ঘৰচিৰিকা, ধনেশ, শগুণ আদিবোৰ দেখিবলৈ নাইকিয়া হ'ল। আমাৰ সৰুকালত শগুণে জাক পাতি মৰাশ ভক্ষণ কৰা দেখা পাইছিলোঁ। এচাম দুষ্ট লোকৰ লালসাৰ বাবে আজি হাবিত মূল্যৱান গছ-গছনিৰ লগতে জীৱ-জন্তুবোৰ লুপ্তপ্ৰায় হৈ আহিছে। জলাশয় বা দ' ঠাইবোৰ পুতিবলৈ পাহাৰৰ পৰা মাটি খান্দি আনিব লগা হোৱা বাবে ভূমিস্খলন হৈ সেইবোৰ মাটি আহি আহি নদীৰ বুকু বাম কৰে। নদীৰ বুকু বাম হোৱা বাবে নদীৰ বহন ক্ষমতা হ্ৰাস পাইছে। যাৰ ফলত বানপানীৰ দৰে সমস্যাই জুৰুলা কৰাৰ লগতে খৰালি নৈবোৰত পানী কমি যায় বা শুকাই যোৱাৰ বাবে তাত থকা মাছ, কাছ, ঘঁৰিয়াল, শিহু আদিৰ জীৱন বিপন্ন হ'ব ধৰিছে। আজিৰ পৰা প্ৰায় তিনি দশক আগতে নিমাতীঘাটৰ পৰা মাজুলীৰ প্ৰায় সকলোবোৰ বিলতে জাক পাতি পাতি চৰাই পৰি থকা দৃশ্য অতি মনোৰম আছিল। বৰ্তমান সেই দৃশ্য দেখা পোৱা নাযায়। মাজুলীৰ বিলৰ মাছ যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। তাৰ ভিতৰত কিছুমান আলংকাৰিক কিছুমান প্ৰজাতিৰ মাছ বিলুপ্ত হৈছে। সেই সময়ত পথাৰত গোবৰ পচন সাৰ আদি প্ৰয়োগ কৰিছিল। ভেকুলী আৰু কিছুমান চৰাই-চিৰিকটিয়ে শস্যৰ অনিষ্টকাৰী পোক-পৰুৱা খাই শস্যৰ উপকাৰ সাধন কৰিছিল। ৰবাব টেঙাৰ বাকলিৰে ধানৰ বিভিন্ন ৰোগ নিৰাময় কৰা হৈছিল। কিন্তু আজি কীটনাশকৰ প্ৰয়োগৰ বাবে মাছ, সাপ, ভেকুলী আদি মৃত্যুমুখত পৰিছে। জধে-মধে প্ৰয়োগ কৰা ৰাসায়নিক সাৰ আৰু কীটনাশকে পানী দূষিত কৰি জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। বাঘজান অঞ্চলত উৎপন্ন হোৱা খাদ্য শস্যৰ পৰা মানুহৰ দেহত কেন্সাৰ ৰোগ হোৱাৰ আশংকা আছে বুলি এখন চৰকাৰী সমিতিয়ে তেওঁলোকৰ প্ৰতিবেদনত সকীয়াই দিছে। বাঘজানৰ ঘটনাত অঞ্চলটোৰ প্ৰায় ৫৫ শতাংশ জৈৱ-বৈচিত্ৰ্য নষ্ট হ'ল। প্ৰায় ১৬৩২ হেক্টৰ জলাশয়, ৫২৩ হেক্টৰ বনভূমি, নদী আৰু সুঁতিৰ প্ৰায় ১৭২ হেক্টৰ এলেকা আৰু ২১৩ হেক্টৰ বনাঞ্চলৰ বিভিন্ন ধৰণে ক্ষতি হ'ল। ক্ষতিগ্ৰস্ত পৰিৱেশতন্ত্ৰৰ ভিতৰত সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা মাগুৰি মোতা পুংবিলৰ ৭০ শতাংশ কেঁচু মৰিল বুলি প্ৰতিবেদনত কোৱা হৈছিল। মাগুৰি বিলত পোৱা বহু প্ৰজাতিৰ আলংকাৰিক মাছ এতিয়া বিপদাপন্ন। অঞ্চলটোৰ পৰা বহু স্তন্যপায়ী প্ৰাণী ইতিমধ্যে অন্য স্থানলৈ গুচি গৈছে। বাঘজান জৈৱ-বৈচিত্ৰ্যতাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। হাবি-বননিৰে ভৰা কাৰ্বি পাহাৰ আজি টকলা হৈ পৰিছে। সেইবোৰ ঠাইত জৈৱ-বৈচিত্ৰ্যতাৰ প্ৰতি প্ৰবল ভাবুকি আহি পৰিছে। তাত থকা নলা-জান-জুৰি-নৈ আদিত বিষ দি মাছ ধৰা হয়। যাৰ ফলত সৰু-সুৰা বহুতো প্ৰাণী নিধন হৈ আহিছে। সেইদৰে চৰাইপুঙত আজি আৰু দিনতে বাঘৰ গোজৰণিৰ উম-ঘাম নাই। অৰুণাচলত আজি ঠায়ে ঠায়ে মানুহৰ উপদ্ৰৱৰ বাবে চৰাইৰ মাত শুনিবলৈ পোৱা নাযায়। আশাৰ বতৰা এয়ে যে এটা সময়ত ভাৰত-ভূটান সীমান্ত অঞ্চলত এচাম লোকে হাবি-বন কাটি টহিলং কৰিছিল। কিন্তু বৰ্তমান সেইবোৰ মানুহে নিজে এতিয়া প্ৰকৃতিক সুৰক্ষা দি আহিছে। বৰ্তমান মানুহৰ বসতি উদ্যোগ আদিৰ ফলত জীৱ-জন্তুৰ বাসস্থান আৰু সংকুচিত হৈ আহিছে, যাৰ ফলত হাতী, বান্দৰ আদিৰ লগত মানুহৰ সংঘাত বৃদ্ধি পাই আহিছে। সময় থাকোতেই এনেবোৰ কথাত গুৰুত্ব নিদিলে অদূৰ ভৱিষ্যতে পৰিস্থিতি ভয়াৱহ হ'ব। মে', জুন মাহত মাছৰ কণী পৰা সময়তে এচাম অসাধু লোকে মাছ মাৰি বজাৰত মুকলিকৈ বিক্ৰী কৰি আহিছে। সামাজিক সংগঠন, চৰকাৰে এইবোৰৰ ওপৰত কঠোৰ স্থিতি গ্ৰহণ কৰিলে এইবোৰ সমস্যা সমাধান কৰিব পৰা যায়। ৫ জুন 'বিশ্ব পৰিৱেশ দিৱস'ৰ দিনাখনেই আমি জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ হকে কাম কৰিম বুলি প্ৰতিজ্ঞা কৰা উচিত। পৰিৱেশ সুৰক্ষাৰ লগতে জৈৱ-বৈচিত্ৰ্যতা ৰক্ষাৰ বাবে স্বেচ্ছাসেৱী সংগঠন, ছাত্ৰ-ছাত্ৰী, প্ৰকৃতিপ্ৰেমীৰ লগতে সৰ্বস্তৰৰ লোকে নিঃস্বাৰ্থভাৱে আগবাঢ়ি আহিব লাগিব। নহ'লে পৃথিৱীখন ভৱিষ্যতে বাসোপযোগী হৈ নাথাকিব।

# গুণোৎসৱৰ প্ৰাৰ্থনা সভাত আজান বিতৰ্কত এখন চৰকাৰী বিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৫ জুন ঃ** মৰিয়নিৰ এখন চৰকাৰী বিদ্যালয়ত প্ৰাৰ্থনা সভাত শুনিবলৈ পোৱা গ'ল আজানৰ সুৰ। মৰিয়নিৰ জ্ঞানবিকাশ বিদ্যালয়ৰ গুণোৎসৱৰ প্ৰাৰ্থনা সভাৰ আৰম্ভণিতে এগৰাকী কণমানি ছাত্ৰই গালে আজানৰ সুৰ। এই দৃশ্য ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ যোৱাৰ পিছতে ব্যাপক বিতৰ্কৰ সৃষ্টি হয়। ছাত্ৰজনৰ আজানৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ পিছতে বিতৰ্কৰ সৃষ্টি হয়। একাংশই বিদ্যালয়খনৰ এই কাণ্ডৰ গৰিহণা দিছে। বিষয়টো অনুসন্ধানৰ বাবে শুকুৰবাৰে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন, আৰক্ষী অধীক্ষক মোহনলাল মিনা, অতিৰিক্ত উপায়ুক্ত শিক্ষা বিভাগৰ কবিতা ফুকন বিদ্যালয়খনত উপস্থিত হৈ বিষয়টো অনুসন্ধান কৰে। ইফালে গুণোৎসৱত ছাত্ৰ-ছাত্ৰীসকলে বিহু, ঝুমুৰ পৰিৱেশন কৰাৰ সমান্তৰালভাৱে ছাত্ৰজনে ইচ্ছাকৃতভাৱে আজান আওৱোৱা বুলি জানিবলৈ দিয়ে যোৰহাটৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে। উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়া মতে এয়া কোনো পূৰ্বপৰিকল্পিত নহয় বা তেওঁক কোনেও শিকাই যো দিয়া নাই। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সুপ্ত প্ৰতিভা দাঙি ধৰিবলৈ নিজ নিজ কলা-কৌশল প্ৰদৰ্শন কৰে। ইয়াৰ লগতে গীত-নিত্য, মহৎ লোকৰ বাণীও প্ৰাতঃ সভাত গায়। অনুৰূপ ধৰণে কালি গুণোৎসৱৰ দিনাখন প্ৰাতঃ সভাত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ প্ৰতিভা প্ৰদৰ্শন কৰিছিল। কিছু ছাত্ৰ-ছাত্ৰীয়ে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰিছিল, কিছুৱে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰিছিল। তেনে সময়তে এই ছাত্ৰজনে আজান আওৱাই দিয়ে। ছাত্ৰজনে আজান দিয়া ভিডিঅ'টো কোনো লোকে সামাজিক মাধ্যমত ভাইৰেল কৰি সামাজিক বাতাবৰণ বেয়া কৰাৰ অপচেষ্টা কৰা বুলি সচেতন ব্যক্তিসকলে মতপোষণ কৰিছে। মন কৰিবলগীয়া যে ছাত্ৰজনে আজান আওৱোৱা দৃশ্যটো এটা চক্ৰই ছ'চিয়েল মিডিয়াত আপলোড কৰি বিদ্যায়খনে প্ৰাৰ্থনাৰ সলনি আজান দিয়া বুলি অপপ্ৰচাৰ চলোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উপায়ুক্তগৰাকীয়ে আজি নিজেই বিদ্যালয়খনত উপস্থিত হৈ সমগ্ৰ ঘটনাটোৰ বুজ লয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰণৱ আৰন্ধৰায়ো এই বিষয়ে অৱগত কৰে যে ছাত্ৰজন সকলো ক্ষেত্ৰতে আগ্ৰহী সেয়েহে তেৱোঁ বাকী ছাত্ৰসকলে নৃত্য-গীত প্ৰদৰ্শন কৰা দেখি কি কৰিম বুলি ভাবি আজান গায়। ইয়াকে লৈ কোনো লোকে এই ভিডিঅ'টো সামাজিক মাধ্যমত ভাইৰেল কৰি দিয়ে।



## মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ১১ লাখ ১১ হাজাৰ টকাৰ চেক বিতৰণ ৰহমৰীয়াৰ যুৱ ব্যৱসায়ী ৰঞ্জন দত্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৫ জুন ঃ** এসময়ত বানৰ ভয়াৱহতাৰ মাজত থাকি বৰ্তমানে ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠিত হোৱা ৰহমৰীয়াৰ যুৱ ব্যৱসায়ী ৰঞ্জন দত্তই আজি বন্যাৰ্তসকলক সহায়ৰ অৰ্থে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ মুখ্যমন্ত্ৰীক ১১ লাখ ১১ হাজাৰ টকাৰ চেক আগবঢ়ায়। বাৰিষাৰ সময়ত বানবিধ্বস্ত ৰাইজক সহায় কৰাৰ লক্ষ্যৰে ব্যৱসায়ীজনে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ আগবঢ়োৱা এই ধনৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ব্যৱসায়ীজনক ধন্যবাদ জনোৱা পৰিলক্ষিত হয়,।লগতে এই সহায়ে আগন্তুক সময়ত বান সাহায্যৰ প্ৰচেষ্টাক অধিক শক্তিশালী কৰিব আৰু আৰ্তজনৰ কাষ চপাত ই সবল ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে মন্তব্য কৰা পৰিলক্ষিত হয়।।!



## জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ অধিৱেশনৰ মুকলি সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৫ জুন ঃ** জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ ঊনবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখনৰ কালি দ্বিতীয় দিনা মুকলি সভাখন অনুষ্ঠিত হৈ যায়। ৩ কালিৰে পৰা অনুষ্ঠিত অধিবেশনৰ আজি অনুষ্ঠিত মুকলি সভাখন সঞ্চালনা কৰে পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ বিদায়ী সভাপতি দীপজ্যোতি বৈশ্যই। জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে মুন ঠাকুৰীয়াই। উল্লেখ্য যে সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা মাছৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামীয়ে জাতীয়তাবাদৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ কয় যে আমি যাতে সম্পদৰ ওপৰত অধিকাৰ লাভ কৰিব নোৱাৰো তাৰ বাবে আমাক ধৰ্মৰ নামত ভাগ ভাগ কৰা হৈছে। ধৰ্মীয় মেৰুকৰণৰ পৰা আমি আঁতৰি থাকিব লাগিব। আমি হিন্দু, মুছলমান, জতি-জনগোষ্ঠীৰ ভাগ ভাগৰ পৰা দূৰত থাকিলেহে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লক্ষ্য পূৰণ হ'ব। সাম্প্ৰদায়িকতাবাদ, মৌলবাদ আৰু সন্ত্ৰাসবাদৰ পৰা আমি আঁতৰি থাকিব লাগিব। লগতে নিৰ্দিষ্ট বক্তাগৰাকীয়ে 'কা' আন্দোলনৰ বিষয়ে মন্তব্য কৰে। একেদৰে সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সৌৰভ দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাষণ দিয়ে। মুকলি সভাখনত আমন্ত্ৰিত অতিথিৰূপে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি শৰ্মা, বিশিষ্ট সাংবাদিক অজিত শৰ্মা, মৰিগাঁও মিডিয়া ক্লাবৰ সভাপতি ৰাতুল ডেকাকে ধৰি বহুকেইগৰাকী সন্মানীয় অতিথি উপস্থিত থাকে। উল্লেখ্য যে কালি অনুষ্ঠিত বিষয় বাছনি সভাত সংগঠনটোৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি হিচাপে জ্যোতিৰ্ময় গোস্বামী আৰু সাধাৰণ সম্পাদক হিচাপে পুনৰ মিৰ্জা আৰিফ আলমক নিৰ্বাচিত কৰে।

## ■ জামুগুৰিহাটৰ হোলাকানত নতুনকৈ সংযোজন হ'ল উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ■

# নদুৱাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দ্বাৰ মুকলি বিধায়ক পদ্ম হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ৫ জুন ঃ** জামুগুৰিহাটৰ বাকোলা মাজগাঁৱৰ হোলাকানত আজিৰ পৰা মুকলি হ'ল এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। অঞ্চলটোৰ কেইগৰাকীমান শিক্ষিত ব্যক্তিৰ প্ৰচেষ্টাত গঢ়ি উঠা নদুৱাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলখন আজিৰ পৰা অঞ্চলটোৰ শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত নতুনকৈ এটি নাম সংযোজন হ'ল। আজি চতিয়া সমষ্টিৰ কেবিনেট মৰ্যাদাপ্ৰাপ্ত বিধায়ক পদ্ম হাজৰিকাই ফিতা কাটি আনুষ্ঠানিকভাৱে মুকলি কৰে উচ্চ শিক্ষাৰ এই প্ৰতিষ্ঠানটিক। অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তিৰ উপস্থিতিত মুকলি কৰা বিদ্যালয়খনত নতুন শিক্ষানীতিৰ আধাৰত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে অভিজ্ঞ শিক্ষকৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক পাঠদান কৰোৱাৰ উপৰি বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ দিনৰ লক্ষ্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ডাক্তৰ, ইঞ্জিনিয়াৰ, প্ৰশাসনিক বিষয়া আদিৰ ওপৰতো শিক্ষাদান কৰাৰ লগতে অনলাইন ডিজিটেল ক্লাছৰো ব্যৱস্থা কৰিছে বিদ্যালয় কৰ্তৃপক্ষই। ১৪ বিঘা মাটিৰে আগুৰা অত্যাধুনিক শ্ৰেণী কোঠাৰে পৰিৱেষ্টিত বিদ্যালয়খন মুকলি কৰি বিধায়ক পদ্ম হাজৰিকাই কয় যে- বিশ্বায়নৰ যুগত আমাৰ ল'ৰা-ছোৱালীক যুগৰ লগত খাপ খোৱাকৈ এনে ধৰণৰ পৰিকল্পনাৰে বিদ্যালয় গঢ় লৈ উঠাৰ যথেষ্ট প্ৰয়োজন আছে আৰু এক মহৎ উদ্দেশ্য আগত লৈ ১২গৰাকী শিক্ষিত লোকে গঢ় দিয়া বিদ্যালয়খনলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ভৱিষ্যৎ দিনত বিদ্যালয়খনৰ পৰা অঞ্চলটোত মানৱ সম্পদ সৃষ্টি হোৱাৰ কামনা কৰে বিধায়কগৰাকীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ চাহাবুদ্দিন আহমেদ, সম্পাদক ব্লুপাইন ইংলিছ হাইস্কুলৰ প্ৰধান শিক্ষক শিবু মজুমদাৰ, ড° ছফিকা আহমেদ, লুকা পি টি, ৰাতুল বসুমতাৰী, তেজ নেৱাৰ, সিদ্ধেশ্বৰ চাহু, জুমলি ভৰালী, পুনম চাহু, চেমিম আহমেদ, গোলাপ চন্দ্ৰ শইকীয়া আৰু নৰেশ চাহুকে ধৰি পৰিচালনা সমিতিৰ সকলোৱেই আজিৰ এই বিশেষ দিনটোত অনুষ্ঠিত মুকলি অনুষ্ঠানত সহযোগিতা আগবঢ়োৱা সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতাও জ্ঞাপন কৰে। আজিৰ এই অনুষ্ঠানত দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ইন্দ্ৰ শৰ্মা, উত্তৰ জামুগুৰি হাইস্কুলৰ অধ্যক্ষ ক্ষেমৰাজ ধাকালকে প্ৰমুখ্য কৰি বাকোলা, হোলাকান আৰু হাটিঙা অঞ্চলৰ বহুকেইগৰাকী গণ্যমান্য ব্যক্তিও উপস্থিত আছিল।

## বাইহাটা চাৰিআলিত দুৰ্ঘটনাত পতিত অচিনাক্ত মহিলাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ৫ জুন ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথত অচিনাক্ত বাহনৰ খুন্দাত দুৰ্ঘটনাত পতিত এগৰাকী অচিনাক্ত মহিলাৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত কালি মৃত্যু হয়। প্ৰাপ্ত খবৰ অনুসৰি, ৭ মে'ৰ পুৱা বেজেৰাত এখন অচিনাক্ত বাহনৰ খুন্দাত আঘাতপ্ৰাপ্ত হোৱা মহিলাগৰাকীক বাইহাটা আৰক্ষীয়ে তৎপৰতাৰে বেজেৰা সামূহিক চিকিৎসালয়ত ভৰ্তি কৰায়। ইয়াৰ পিছত আৰক্ষীয়ে তেওঁক সুস্থ কৰিবলৈ যথেষ্ট চেষ্টা চলাই যদিও অৱশেষত মহিলাগৰাকীৰ মৃত্যু হয়। বৰ্তমানলৈকে কোনো গৰাকী নোলোৱাত মহিলাগৰাকী পৰিচয়বিহীন হৈ আছে বুলি স্থানীয় বাইহাটা চাৰিআলি আৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

## উজলি উঠিছে মেৰাপানীৰ নৰজিৎ নাৰ্জাৰী

### মিছকলৰে ভোট দিয়াৰ আহ্বান সদৌ অসম ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ৫ জুন ঃ** জি টিভিৰ ৰেয়েলিটী শ্ব' ডি আই ডি লিটল মাষ্টাৰৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য প্ৰতিযোগিতাত চমক সৃষ্টি কৰি ছিজন-৫ ৰাউণ্ডত প্ৰৱেশ কৰা গোলাঘাট মেৰাপানীৰ চাংখাঁতীৰ উপেন নাৰ্জাৰী আৰু অনু নাৰ্জাৰী সুযোগ্য সন্তান নৰজিৎ নাৰ্জাৰীৰ ঘৰত আজি সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ এটা সঁজাতী দল উপস্থিত হয়। দলটোৱে চাংখাঁতীত নৰজিতৰ বাসগৃহত উপস্থিত হৈ কিশোৰজনক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। উক্ত কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৰৰ্তন গোস্বামী, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱাল, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দীপক বৰা, গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা অংশুমান বৰুৱা, বিশ্বজিৎ গগৈ, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য হিমাংশু শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। সংগঠনটোৰ নেতৃবৰ্গই সমূহ অসমবাসী ৰাইজক শনিবাৰৰ ৰাতি ন বজাৰ পৰা সোমবাৰ পুৱা ৯ বজালৈ অসমবাসীক ৯১৫২৯১৫২৪৬ নম্বৰত এটা মিছকল দি ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনাইছে।

### কামৰূপ মহানগৰ জিলাত গুণোৎসৱ-২০২২ৰ সফল সমাপ্তি

## মন্ত্ৰী, সাংসদ, বিধায়ক উপায়ুক্তই ভাগ ল'লে গুণোৎসৱত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ৫ জুন ঃ** ১ জুনৰ পৰা ৪ জুনলৈকে বিদ্যায়লয়সমূহৰ গুণগত মান নিৰ্ণয়ৰ বাবে আয়োজিত চাৰিদিনীয়া গুণোৎসৱৰ আজি কামৰূপ মহানগৰ জিলাত সফল সামৰণি পৰে। মুঠ ৬৩৭খন বিদ্যালয়ত নৱম শ্ৰেণীলৈকে সামৰি অনুষ্ঠিত হোৱা এই বাৰৰ গুণোৎসৱত ৭৮,৯২২গৰাকী ছাত্ৰ-ছাত্ৰী সামৰি লোৱা হয়। আনহাতে, নিয়োজিত বহিঃমূল্যায়কৰ সংখ্যা আছিল ৩২০গৰাকী। আনহাতে, এই সমগ্ৰ প্ৰক্ৰিয়াটোত নিয়োজিত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা আছিল ৪,৩৭৯গৰাকী। জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি সোণাৰাম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুৱৰ্তিতাৰ উপৰি জ্ঞান আৰু গুণগত মানত মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। উপায়ুক্ত পল্লৱ গোপাল ঝায়ে ২ জুনত পাণবাৰী প্ৰাথমিক বিদ্যালয়ত বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ আচাৰ-ব্যৱহাৰ, নিয়মানুৱৰ্তিতাত অভিভূত হৈ পৰে উপায়ুক্তগৰাকী। ছাত্ৰ-ছাত্ৰীসকলৰ লগত একেলগে বহি মধ্যাহ্ন ভোজন কৰাৰ উপৰি উপায়ুক্তগৰাকীয়ে মাতৃ গোট, নাগৰিক সমিতিৰ লগত মতবিনিময় কৰে আৰু কাৰ্যক্ৰম সামৰি পাণবাৰী উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি সেই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰে। ইয়াৰ উপৰি পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই কামৰূপ একাডেমীত, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাই মণিপুৰীবস্তি প্ৰাথমিক বিদ্যালয় আৰু অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ননী গোপাল মহন্তই ৰুক্মিণীগাঁও বালিকা বিদ্যালয় আৰু পাণ্ডু আদৰ্শ বিদ্যালয় দুখনত বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকা, গৌৰীশংকৰ দাস, বিপুল কুমাৰ দাস, ড° ধ্ৰুৱজ্যোতি হাজৰিকা, বিক্ৰম চেত্ৰী আৰু সুকন্যা বৰা, সহকাৰী আয়ুক্ত ভাস্কৰজ্যোতি কলিতা, হেমন্ত দত্ত, অনুৰাগ ৰুদ্ৰ, ৰিমঝিম কোঁৱৰেও বহিঃমূল্যায়ক হিচাপে বিভিন্ন বিদ্যালয়ত অংশগ্ৰহণ কৰে। জিলাখনৰ কেইবাজনো উপ-আৰক্ষী আয়ুক্তয়ো অংশগ্ৰহণ কৰে এই গুণোৎসৱত। গুণোৎসৱ-২০২২ৰ সমগ্ৰ প্ৰক্ৰিয়াটো সুকলমে সমাপ্ত কৰাৰ বাবে বিদ্যালয় পৰিদৰ্শক প্ৰসন্ন বৰুৱাই অংশগ্ৰহণ কৰা প্ৰতিজন বহিঃমূল্যায়ক, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

## পানীগাঁৱত ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৫ জুন ঃ** তেলাহী কমলাবৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভাখন আজি লখিমপুৰৰ পানীগাঁওস্থিত পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেশ দত্তই আদৰণী ভাষণ প্ৰদান কৰা সভাখনত উদ্বোধনী ভাষণ প্ৰদান কৰে লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সহ-সম্পাদক সিদ্ধাৰ্থ পাঠকে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) কাৰ্যনিৰ্বাহক ধনমণি দত্তই। মুখ্য অতিথিৰূপে ভাষণ দিয়ে আছুৰ সাংগঠনিক সম্পাদক পুলক বৰাই। লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈয়েও সভাত ভাষণ প্ৰদান কৰে। সভাত উপস্থিত থাকে উত্তৰ লখিমপুৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে জ্যোতিৰ্ময় হাজৰিকা আৰু কৃষ্ণজ্যোতি হাজৰিকা। তেলাহী আৰু কমলাবৰীয়া দুই মৌজাৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰা প্ৰতিনিধিৰ মাজৰ পৰা সভাপতি দেৱজিৎ শৰ্মা আৰু সাধাৰণ সম্পাদক অংকুৰ দাসকে ধৰি তেলাহী কমলাবৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ৪১জনীয়া এখন নতুন সমিতি গঠন কৰা হয়।

# মৰিগাঁও জিলা যোগী সন্মিলনীৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন

## সোমেশ্বৰ নাথক সভাপতি হিচাপে লৈ ৩১জনীয়া পূৰ্ণাংগ জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৫ জুন ঃ** অসম প্ৰাদেশিক যোগী সন্মিলনীৰ অন্তৰ্গত সক্ৰিয় জিলা শাখা হিচাপে মৰিগাঁও জিলাৰ সুনাম আছে। আজি দিনজোৰা কাৰ্যসূচীৰে এই মৰিগাঁও জিলা যোগী সন্মিলনীৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশনখন নটুৱাগাঁও আঞ্চলিক যোগী সন্মিলনীৰ আতিথ্যত নটুৱাগাঁও ৰাস মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা ৯ বজাত জিলা সন্মিলনীৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলা সমিতিৰ সভাপতি সোমেশ্বৰ নাথে আৰু স্মৃতি তৰ্পণ কৰে ৰাজ্যিক অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষক দয়াৰাম নাথে। গছপুলি ৰোপণ কৰে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ উপ-সভাপতি ৰামধন নাথে। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিনিধি সভাখনত পৰ্যবেক্ষক হিচাপে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ উপ-সভাপতি ঘনশ্যাম নাথ, কোষাধ্যক্ষ হীৰালাল হাজৰিকাই অংশগ্ৰহণ কৰে। প্ৰতিনিধি সভাত মৰিগাঁও জিলাৰ বিভিন্ন আঞ্চলিকৰ পৰা প্ৰায় দুই শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। আনহাতে, মৰিগাঁও জিলাৰ নিকটৱৰ্তী নগাঁও জিলা যোগী সন্মিলনীৰ সম্পাদক পুষ্পেন্দ্ৰ নাথ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। প্ৰতিনিধি সভাই পূৰ্বৰ সভাপতি সোমেশ্বৰ নাথক পুনৰ সভাপতি পদত অধিষ্ঠিত কৰাৰ লগতে কাৰ্যকৰী সভাপতি আৰু সম্পাদক হিচাপে পৱিত্ৰ কুমাৰ নাথ আৰু হেমন্ত নাথক লৈ মৰিগাঁও জিলা যোগী সন্মিলনীৰ ৩১ জনীয়া পূৰ্ণাংগ সমিতিখন সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা পৰিলক্ষিত হয়। উল্লেখ থাকে যে মায়ং আঞ্চলিক মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীভূষণ নাথ, বিশিষ্ট শিক্ষাবিদ পোনাৰাম নাথ আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ৰমেন নাথক উপদেষ্টা হিচাপে প্ৰতিনিধি সভাই বাছনি কৰে। বিয়লি অনুষ্ঠিত হোৱা মুকলি সভাত 'অসমৰ সমাজ জীৱনত যোগী জাতিৰ অৱদান' শীৰ্ষক আলোচ্য বিষয়ত আলোচক হিচাপে সাহিত্যিক তথা মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পোনাৰাম নাথ, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰবিন্দ নাথ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। নৱ-নিৰ্বাচিত সভাপতি সোমেশ্বৰ নাথৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভাখনত প্ৰায় দুই শতাধিক স্বজাতিপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। বিশেষকৈ সংবাদ ৰত্ন বঁটাৰে বিভূষিত হোৱা মৰিগাঁৱৰ সাংবাদিক অচ্যুত কুমাৰ নাথক মৰিগাঁও জিলা যোগী সন্মিলনীৰ তৰফৰ পৰা এখন জাতীয় গামোচাৰে সম্বৰ্ধনা জনায়। ইফালে এই সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে সম্পাদক পৰেশ নাথে।



## চিৰাঙত সুকলমে গুণোৎসৱৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৫ জুন ঃ** চিৰাং জিলাত আত্মমূল্যায়ন আৰু বাহ্যিক মূল্যায়নৰ সৈতে ২০২২ চনৰ ১ জুনৰ পৰা ৪ জুনলৈ চাৰি দিন ধৰি অনুষ্ঠিত হোৱা তৃতীয় পৰ্যায়ৰ গুণোৎসৱ-২০২২ শনিবাৰে সুকলমে সামৰণি পৰে। গুণোৎসৱৰ এই পৰ্যায়ত ৯১২খন বিদ্যালয়ত ৮৮ শতাংশৰে প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ পঢ়া মুঠ ৭১,৯৬৬ গৰাকী লক্ষ্য নিৰ্ধাৰণ কৰা ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ৬৩,১৭১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰা হয়। চিৰাঙৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে জিলাখনত গুণোৎসৱ-২০২২ সুচাৰুৰূপে সম্পূৰ্ণ হোৱাত কৃতজ্ঞতা আৰু সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ ৰাজ্য চৰকাৰৰ সকলো জ্যেষ্ঠ বিষয়াৰ লগতে চুবুৰীয়া জিলাসমূহৰ বিষয়াসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ যিসকলে জিলাখন পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়সমূহৰ কৰ্মক্ষমতাৰ মূল্যায়ন কৰা জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলক, বিভিন্ন বিভাগৰ বিষয়ববীয়াসকলক আৰু বিশেষকৈ জিলা শিক্ষা বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলক কৃতজ্ঞতা জনায়। উল্লেখ্য যে ৰাজ্য চৰকাৰে নিযুক্তি দিয়া তিনিজন বাহ্যিক মূল্যায়ক যথাক্ৰমে বিশেষ পিচিচিএফ (এছএফ) অনিনিদ্য স্বৰ্গীয়াৰী, এআইজিপি কৃষ্ণ দাস আৰু এআইজিপি সৰ্মীষ্ঠা বৰুৱাকে ধৰি মুঠ ৪২২জন বাহ্যিক মূল্যায়নকাৰীয়ে জিলাখনত বাহ্যিক মূল্যায়ন কৰিছিল। এই গুণোৎসৱৰ সময়ত প্ৰথম দিনাৰ পৰাই জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়া আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে সমগ্ৰ প্ৰক্ৰিয়াটো নিৰীক্ষণ কৰিছিল। শেষৰ দিনাও উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু বিজনী মহকুমাৰ মহকুমাধিপতি ৰাহুল গুপ্তাই বিজনী বান্ধৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয়খনত চলি থকা বাহ্যিক মূল্যায়নৰ বুজ লয়। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পঢ়া, লিখা আৰু গাণিতিক দক্ষতা, বিদ্যালয়ৰ আন্তঃগাঁথনি, সম্প্ৰদায়ৰ অংশগ্ৰহণ, পুথিভঁৰাল, বিজ্ঞান পৰীক্ষাগাৰ, শৌচাগাৰ আৰু মধ্যাহ্ন ভোজনৰ ৰূপায়ণৰ ক্ষেত্ৰত মূল্যায়ন কৰাৰ লগতে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে।

# বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ উদ্যোগত শুভাৰম্ভণী অনুষ্ঠান

## ■ বিশ্বনাথ নগৰৰ ২৩৮গৰাকী হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আৱাসৰ (চহৰাঞ্চল) অভিপ্ৰায়-পত্ৰ

## ■ আঁচনিৰ ধনৰ সদ্ব্যৱহাৰ কৰিবলৈ হিতাধিকাৰীলৈ বিধায়ক-উপায়ুক্তৰ আহ্বান



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৫ জুন ঃ** বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ অধীনৰ মুঠ ২৩৮গৰাকী হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আৱাসৰ (চহৰাঞ্চল) অভিপ্ৰায়-পত্ৰ কালি আনুষ্ঠানিকভাৱে বিতৰণৰ শুভাৰম্ভ কৰা হয়। 'আজাদী কা অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্বল আৰু দৰিদ্ৰ জনসাধাৰণক উপকৃত কৰিব পৰাকৈ গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিৰ ভিতৰত অন্যতম প্ৰধানমন্ত্ৰী আৱাসৰ (চহৰাঞ্চল) বাবে নিৰ্বাচিত হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে অভিপ্ৰায়-পত্ৰ বিতৰণ কৰা উপলক্ষে কালি বিশ্বনাথ চাৰিআলিৰ পৌৰ সভাৰ উদ্যোগত অনুষ্ঠিত হয় এখন গাম্ভীৰ্যপূৰ্ণ সভা। বিশ্বনাথ কৃষি মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানটোত বিশ্বনাথ বিধানসভা সমষ্টি বিধায়ক প্ৰমোদ বৰঠাকুৰ, উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, উপ পৌৰপতি দীপক শইকীয়া, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ কাৰ্যবাহী বিষয়া দেৱাশিস গোস্বামীৰ লগতে পৌৰ সভাৰ ৱাৰ্ড সদস্য আৰু সদস্যাসকলৰ উপস্থিতিত প্ৰতিটো ৱাৰ্ডৰ পৰা নিৰ্বাচিত হোৱা হিতাধিকাৰীসকলৰ পৰা একোজনকৈ হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাসৰ অভিপ্ৰায়-পত্ৰ বিতৰণ কৰি সমগ্ৰ প্ৰক্ৰিয়াটোৰ শুভাৰম্ভ কৰা হয়। জ্যেষ্ঠ সাংবাদিক ভাস্কৰজ্যোতি বৰাই আঁত ধৰা আৰু পৌৰ সভাৰ কাৰ্যবাহী বিষয়া দেৱাশিস গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত বিধায়ক প্ৰমোদ বৰঠাকুৰ, উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে আৰু পৌৰপতি অমৰজ্যোতি বৰঠাকুৰে ২০২১-২২ বিত্তীয় বৰ্ষত প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল) লাভ কৰা হিতাধিকাৰীসকলে নিজৰ নিজৰ বেংক একাউণ্টৰ জৰিয়তে লাভ কৰিব লগা আঁচনিখনৰ ধনৰ সদ্ব্যৱহাৰ কৰি নিজৰ ঘৰটো নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। এইক্ষেত্ৰত পৌৰ সভাৰ পৌৰপতি, উপ-পৌৰপতি তথা সংশ্লিষ্ট ৱাৰ্ড সদস্য-সদস্যাসকলকো তদাৰক কৰিবলৈ বিধায়ক আৰু উপায়ুক্তই আহ্বান জনায়। উল্লেখ্য যে এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে তিনিটা কিস্তিত আৱাস নিৰ্মাণৰ বাবে ধন লাভ কৰিব। প্ৰথম কিস্তিত আশী হাজাৰ টকা, দ্বিতীয় কিস্তিত নব্বৈ হাজাৰ টকা আৰু তৃতীয় কিস্তিত ত্ৰিশ হাজাৰ টকাকৈ প্ৰতিগৰাকী হিতাধিকাৰীলৈ মুঠ দুই লাখ টকা আঁচনিৰ ধন যোগান ধৰা হ'ব যদিও অতিৰিক্তভাৱে আৰু দহ হাজাৰকৈ টকা হিতাধিকাৰীসকলক প্ৰদান কৰাৰ বাবে অসম কেবিনেটত গ্ৰহণ কৰা সিদ্ধান্তৰ কথা বিধায়ক প্ৰমোদ বৰঠাকুৰে অনুষ্ঠানটোত সদৰী কৰে। প্ৰাপ্ত তথ্য অনুসৰি বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ অধীনত ২০২১-২২ বিত্তীয় বৰ্ষত ১নং ৱাৰ্ডৰ পৰা ১০গৰাকী, ২নং ৱাৰ্ডৰ পৰা ১৭গৰাকী, ৩নং ৱাৰ্ডৰ পৰা ৩১গৰাকী, ৪নং ৱাৰ্ডৰ পৰা ৭গৰাকী, ৫নং ৱাৰ্ডৰ পৰা ৪২গৰাকী, ৬নং ৱাৰ্ডৰ পৰা ২৪গৰাকী, ৭নং ৱাৰ্ডৰ পৰা ১৩গৰাকী, ৮নং ৱাৰ্ডৰ পৰা ১১গৰাকী, ৯নং ৱাৰ্ডৰ পৰা ২৭গৰাকী, ১০নং ৱাৰ্ডৰ পৰা ২৯গৰাকী, ১১নং ৱাৰ্ডৰ পৰা ১৫গৰাকী আৰু ১২নং ৱাৰ্ডৰ পৰা ১২গৰাকী হিতাধিকাৰী এই আঁচনিৰ বাবে নিৰ্বাচিত কৰা হৈছে। উল্লেখ্য যে, ২০১৭-১৮ বিত্তীয় বৰ্ষতো প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বিশ্বনাথ নগৰৰ ৪২৮গৰাকী হিতাধিকাৰী উপকৃত হৈছিল। আজিৰ অনুষ্ঠানটিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ওপৰত নিৰ্মিত এখন চুটি তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়।



## মৰিগাঁৱত উপস্থিত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৫ জুন ঃ** ২০ জুন তাৰিখে সমগ্ৰ অসমতে ৰাভা দিৱস হিচাপে উদ্‌যাপন কৰা হয়। ৰাভা দিৱসৰ উদ্‌যাপন ক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাই অতীজৰে পৰা মুখ্য ভূমিকা পালন কৰি আহিছে। তাৰে সমান্তৰালভাৱে এইবাৰ মৰিগাঁৱত আটকধুনীয়াকৈ উদ্‌যাপন কৰা হ'ব কেন্দ্ৰীয় ৰাভা দিৱস। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া ৰাভা দিৱসৰ লগত সংগতি ৰাখি শনিবাৰে আয়োজনৰ কাম-কাজৰ বুজ ল'বলৈ মৰিগাঁৱত উপস্থিত হয় সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা। লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী আৰু তেওঁৰ ঘনিষ্ঠৰ ওপৰত উত্থাপিত পি পি ই কিট কেলেংকাৰি অভিযোগত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই বিস্ফোৰক মন্তব্য আগবঢ়ায়।

## কলাইগাঁৱত আছুৰ গছপুলি বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কলাইগাঁও, ৫ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সমগ্ৰ বিশ্বৰ লগতে কলাইগাঁৱতো আছুৱে পালন কৰে বিশ্ব পৰিৱেশ দিৱস। কলাইগাঁৱত কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থা আৰু স্বেচ্ছাসেৱী সংগঠন গ্ল'বেল এডুকেশ্বন, কালচাৰেল এণ্ড স্পৰ্টচ্‌ অৰগেনাইজেশ্বনৰ যৌথ উদ্যোগত উদযাপন কৰা হয় বিশ্ব পৰিৱেশ দিৱস য'ত প্ৰায় ৫ শতাধিক গছপুলি ৰাইজৰ মাজত বিতৰণ হয়। অনুষ্ঠানত উপস্থিত থাকে কলাইগাঁও ৰাজহ চক্ৰ বিষয়া কাবেৰী ৰংপিপি, কলাইগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া খৰ্গেশ্বৰ বৰদলৈ, শিলপোটা মৌজাৰ মৌজাদাৰ কমল প্ৰসাদ শৰ্মা সমাজকৰ্মী নৰজ্যোতি বৰুৱাকে ধৰি বহু বিশিষ্ট ব্যক্তি। আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ৰঞ্জিত নাথে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকে কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি মাধুৰ্য শৰ্মা, উপ-সভাপতি দীপাঙ্কৰ ওজা, সাধাৰণ সম্পাদক ৰাতুল বৰুৱাৰ লগতে আঞ্চলিক ছাত্ৰ সন্থা আৰু স্বেচ্ছাসেৱী সংগঠনটোৰ সদস্যসকল।

### বিধায়কৰ নেতৃত্বত ধৰণী সেউজ কৰাৰ লক্ষ্য

# টেঙানিত একেদিনাই ১ লাখ গছপুলি ৰোপণ

### ৪০০ বিঘা ভূমিত তিনি হাজাৰ লোকে একেলগে ৰোপণ কৰিলে গছপুলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ৫ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ দিনাই সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ টেঙানিৰ দুইনৈ মুখত একেদিনাই ৰোপণ কৰা হ'ল ১ লাখ জোপা গছপুলি। ৫ জুন বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি দৈয়াং আৰু ধনশিৰি নৈ একেলগ হোৱা টেঙানিৰ দুইনৈ মুখ অঞ্চলৰ প্ৰায় ৪০০ বিঘা বন বিভাগৰ ভূমিত পুৱাৰে পৰাই প্ৰায় তিনি হাজাৰ লোকে একেলগে ৰোপণ কৰিলে গছপুলি সমূহ। সেউজ ধৰণী গঢ়াৰ লক্ষ্য সাৱোগত কৰি সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকনৰ নেতৃত্বত বন বিভাগ, টেঙানি গাঁওবুঢ়া সন্থা, ১৪২ নং কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ এটা বৃহৎ দল, জিলা তথা মহকুমা প্ৰশাসন, বহুকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-কৰ্মচাৰীৰ, বৰপথাৰ পৌৰসভাৰ বিষয়া-কৰ্মচাৰী, বহুকেইটা দল-সংগঠন, এন জি অ আৰু বৃহত্তৰ টেঙানিবাসী ৰাইজৰ সহযোগত ৰোপণ কৰা হয় বিভিন্ন প্ৰজাতিৰ গছপুলি সমূহ। উল্লেখ্য যে এই ঠাইডোখৰ উত্তৰ নামবৰ দৈগ্ৰোং বন্য প্ৰাণী অভয়াৰণ্যৰ অন্তৰ্গত যদিও দীৰ্ঘদিন ধৰি ছন পৰি আছিল মাটিডোখৰ। ইপিনে অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত বিভিন্ন সময়ত হাতী, বাঘ, হৰিণা, পহু আদি নানা ধৰণৰ বন্যপ্ৰাণী আহি জনাঞ্চলত প্ৰৱেশ কৰা দেখা যায়। বিশেষকৈ শ শ বনৰীয়া



হাতী আহি দীৰ্ঘদিনৰ পৰা দুইনৈ মুখ অঞ্চলৰ লগতে বৃহত্তৰ টেঙানিৰ জনাঞ্চলত প্ৰৱেশ কৰি যথেষ্ট যথেষ্ট উপদ্ৰপ চলাই আহিছে। এই বনানীকৰণৰ জৰিয়তে বন্য জীৱ-জন্তু তথা পক্ষীকুলৰ বিচৰণভূমি আৰু খাদ্যৰ ক্ষেত্ৰতো বিশেষ ভাবে সহায়ক হৈ উঠিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। ইপিনে দিনক দিনে ধনশিৰি মহকুমাত খৰাঙৰ প্ৰকোপ বৃদ্ধি পাই অহাৰ সময়তে বিধায়কে লোৱা এই প্ৰচেষ্টাৰ জৰিয়তে পৰিৱেশ প্ৰদূষণ, জৈৱ বৈচিত্ৰ্য ৰক্ষা, গোলকীয় উষ্ণতা বৃদ্ধি কমোৱাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখাত যথেষ্ট সহায়ক বুলি সকলোৱে মত প্ৰকাশ কৰিছে। আনহাতে উদ্ভিদ তথা বন্যপ্ৰাণী ৰক্ষা আৰু বন্য জীৱ-জন্তুৰ লগত মানুহৰ সংঘাত কমোৱাত এই বনানীকৰণে ইতিবাচক ভূমিকা পালন কৰিব। লগতে বনৰীয়া হাতীৰ উপদ্ৰপৰ পৰা অঞ্চলবাসী ৰাইজ ৰক্ষা পাব। আজি পুৱা ৮ বজাৰ পৰা আৰম্ভ হয় গছ পুলি ৰোপণৰ কাম। আজিৰ এই বিশেষ দিনটোত সাংসদ কামাখ্যা প্ৰসাদ তাচা, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, বিধায়ক বিশ্বজিৎ ফুকন, ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনছেংফা বৰুৱা, জিলা বন সংমণ্ডল বিষয়া সুশিল কুমাৰ ঠাকুৰীয়া, চি আৰ পি এফৰ উপ মহা পৰিদৰ্শক এম. আৰ. ৰাৱত, অতিৰিক্ত আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিত, বৰপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰেমেশ্বৰ শইকীয়া, বৰপথাৰ খণ্ড বন বিষয়া ৰাজীৱ কাকতি আদিকে কৰি বহু বিশিষ্ট লোকে একেলগে গছপুলি ৰোপণ কৰে। বিভিন্ন ধৰণৰ মূল্যবান গছপুলি চেগুণ, তিতাচপা, নিম, আঁহত, কৃষ্ণচূড়া, আজাৰ, শিমলু, কৰৈ, গমাৰি, নাহৰ, অৰ্জুন, সোৱালু, শিৰীখ, বনচোম, সোণাৰু আদিৰ লগতে আম, কঠাল, শিলিখা, লেচু, লেটেকু, নেমু, অমৰা আদি বহুকেইবিধ ফল-মূলৰ গছো ৰোপণ কৰা হয়। উল্লেখ্য যে গোলাঘাট জিলাৰ ভিন্ন প্ৰান্তৰ লগতে অসমৰ চৌদিশে অবাধ বন ধ্বংস, বালি খনন, পাহাৰ খনন, বন্যপ্ৰাণী হত্যা আদি চলি থকাৰ সময়তে টেঙানিৰ ৪০০ বিঘা ভূমিত কৰা এই বনানীকৰণৰ কামক সকলোৱে একেমুখে প্ৰশংসা কৰাৰ সমান্তৰালকৈ ৰোপণ কৰা গছপুলি সমূহ যাতে ঠন ধৰি উঠে তাৰ বাবে সঠিক যতন লোৱা আৰু এজোপাও পুলি যাতে নমৰে তাৰ প্ৰতি গুৰুত্ব দিবলৈ সকলোৱে আহ্বান জনাইছে।

## স্বেচ্ছাসেৱী সংস্থা সৃষ্টিৰ বৰ্ষজোৰা গছপুলি ৰোপণৰ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৫ জুন ঃ** অসমৰ আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা "সৃষ্টি"ৰ উদ্যোগত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। যুৱ সমাজকৰ্মী বিনোদ পেগুৰ নেতৃত্বত পৰিচালিত স্বেচ্ছাসেৱী সংস্থা সৃষ্টিয়ে গছপুলি ৰোপণৰ বৰ্ষজোৰা কাৰ্যসূচী হাতত লৈছে আৰু আজি ধেমাজি জিলাৰ গোগামুখ মহৰিকেম্পত গছপুলি ৰোপণৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। দুই শতাধিক পুৰুষ মহিলা উপস্থিত থকা উক্ত গছপুলি ৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰি অৱসৰপ্ৰাপ্ত প্ৰধানশিক্ষক লক্ষিপ্ৰসাদ শৰ্মাই। তেওঁক সহযোগিতা কৰে স্বেচ্ছাসেৱী সংস্হা ইক' ছ'চাইটিৰ সম্পাদক হিৰু দাসে। সৃষ্টিৰ কৰ্মকৰ্তা সকলে জনোৱা মতে প্ৰথম পৰ্যায়ত তেওঁলোকে ৫ হাজাৰ গছপুলি ৰোপণ কৰিব আৰু ধাৰাবাহিকভাৱে এই কাৰ্যসূচী আগুৱাই নিব। আজি তেওঁলোকে গোগামুখ মহৰিকেম্পত ২০০ জোপা গছপুলি ৰোপণ কৰে। উল্লেখনীয় যে স্বেচ্ছাসেৱী সংস্থা সৃষ্টিয়ে জনসাধাৰণৰ বিভিন্ন দুৰ্যোগৰ সময়ত দুৰ্গত সকলক দীৰ্ঘদিনে সহায়ৰ হাত আগবঢ়াই অহাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতো কাম কৰি আহিছে। তদুপৰি সৃষ্টিয়ে গ্ৰামাঞ্চলৰ মহিলা সকলক একত্ৰিত কৰি থলুৱা বস্ত্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰা, থলুৱা কৃষকক উৎসাহিত কৰিবলৈ কৃষি সংস্কৃতি গঢ়ি তোলা, উৎপাদিত শস্যজাত সামগ্ৰী সংৰক্ষণ কৰিবলৈ বা জমা ৰাখিবলৈ নিজাববীয়াকৈ গুদাম নিৰ্মাণ কৰাৰ লগতি থলুৱা আচাৰ, ধূপ কাটি, মমবাতি বনোৱাৰ বাবেও কাম হাতত লৈছে।

## নগৰবেৰাৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ইলিগেণ্ট ইনষ্টিটিউটৰ বিশ্ব পৰিবেশ দিৱস উপলক্ষে গছপুলি ৰোপণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৫ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাতো আজি বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি সেউজ ধৰণী গঢ়াৰ লক্ষ্যৰে নগৰবেৰাৰ বিভিন্ন শিক্ষানুষ্ঠানত বিভিন্ন প্ৰজাতিৰ গছ পুলি ৰোপণ কৰা হয়। নগৰবেৰাৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান এলিগেণ্ট ইনষ্টিটিউটৰ উদ্যোগত নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় আৰু নগৰবেৰা বজাৰ কমিটিৰ সহযোগত বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হয়। ইনষ্টিটিউটৰ ছাত্ৰ-ছাত্ৰীয়ে ইনষ্টিটিউটৰ পৰা পৰিবেশ সন্দৰ্ভত এক সজাগতামূলক শোভাযাত্ৰা উলিয়ালই নগৰবেৰা বজাৰ কমিটিৰ সন্মুখত উপস্থিত হৈ অনুষ্টুপীয়াকৈ এক সজাগতামূলক সভাৰ আয়োজন কৰে। সভাৰ অন্তত নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ পৰা যোগান ধৰা গছ পুলি নগৰবেৰা মৌজা কমিটিৰ সভাপতি উদয় শংকৰ মেধিয়ে ৰোপণ কৰি শুভাৰম্ভ কৰে। ইয়াৰ পিছতে নগৰবেৰা বজাৰৰ বিভিন্ন ঠাইত ইনষ্টিটিউট খনৰ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী সকলে গছ পুলি ৰোপণ কৰে। আজি গোটেই দিনটো ইনষ্টিটিউট পৰিয়ালে ৫০ জোপা গছ পুলি ৰোপণ কৰিব আৰু এই কাৰ্যসূচী মাহ যোৱা চলিব বুলি ইনষ্টিটিউট খনৰ সঞ্চালক ছোলেমান শিকদাৰে জানিবলৈ দিয়ে।বিশ্ব পৰিবেশ দিৱসৰ উক্ত কাৰ্য্যসূচীত নগৰবেৰা মৌজা কমিটিৰ সভাপতি উদয় শংকৰ মেধি, নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ বন বিষয়া মৃনাল অধ্যাপক, বন পালক নৃপেন কলিতা, নগৰবেৰা মৌজা কমিটিৰ সম্পাদক ভৱেশ কলিতা, নগৰবেৰা বজাৰ কমিটিৰ সম্পাদক কমল কলিতা, ৰণজিৎ পাটোৱাৰী, অভিৰাম কলিতাকে বহু কেইজন গন্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে নগৰবেৰাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে হাতত লোৱা এনে পদক্ষেপক বিভিন্ন মহলে ভূয়সী প্ৰশংসা কৰিছে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন ড° কিৰণ বেদীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৫ জুন ঃ** নাহৰৰ দেশত আজি এটি নাহৰৰ পুলি ৰোপণেৰে বিশ্ব পৰিবেশ দিৱস পালন কৰে ড° কিৰণ বেদীয়ে। সমগ্ৰ বিশ্বত আজি বিশ্ব পৰিবেশ দিৱস পালন কৰা হৈছে। ডিব্ৰুগড়টো বিভিন্ন অনুষ্ঠান-সংগঠনে পালন কৰিছে বিশ্ব পৰিবেশ দিৱস। ডিব্ৰুগড়ত বিশ্বপৰিবেশ দিৱসৰ পুৱাতে গছ পুলি ৰোপণ কৰে দেশৰ প্ৰথম গৰাকী মহিলা আইপিএছ বিষয়া তথা পুডুচেৰীৰ প্ৰাক্তন উপ ৰাজ্যপাল বিশিষ্ট ৰাজহুৱা কৰ্মী, লৌহ মানৱী ৰূপে খ্যাত ড° কিৰণ বেদীয়ে। বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনি কোষৰ উদ্যোগত অনুষ্ঠিত হোৱা এক বিশেষ কাৰ্যসূচী বাবে শনিবাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উপস্থিত হোৱা ড°কিৰণ বেদীয়ে বিশ্ববিদ্যালয়ৰ অতিথিশালা প্ৰাংগণত আজি এটা নাহৰৰ পুলি ৰোপণ কৰি বিশ্ব পৰিবেশ দিৱস পালন কৰে।আনহাতে বিশ্ব পৰিবেশ দিৱস উপলক্ষে ডিব্ৰুগড় জিলা বন বিভাগৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ মডেল স্কুল প্ৰাংগণতো আজি পালন কৰে বিশ্ব পৰিবেশ দিৱস। বিশ্ববিদ্যালয়ৰ ভূ-বিজ্ঞান বিভাগে গছপুলি ৰোপণ কৰা লগতে পৰিবেশ সজাগতা সমদল যাত্ৰা কৰে । ইফালে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ আৰু বক্ষ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ (বিচিপিএল)ৰ উদ্যোগত আৰু বৰবৰুৱাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজি বিশ্ব পৰিবেশ দিৱসৰ উপলক্ষে বগীবিল দলং সংযোগী ৫২ নং ৰাষ্ট্ৰীয়ঘাইপথৰ দুয়োকাষে দহ হাজাৰ গছপুলি ৰোপণৰ কাৰ্যসূচী শুভাৰম্ভ কৰে। দিনৰ দুপৰীয়া এই কাৰ্যসূচী শুভাৰম্ভ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। উপস্থিত থাকে বিচিপিএলৰ



শীৰ্ষ বিষয়াসকল। ডিব্ৰুগড় আউনীআটী বিদ্যা নিকেতনতো পুৱাই ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বিশিষ্ট ব্যক্তি উপস্থিতিত পালন কৰে বিশ্ব পৰিবেশ দিৱস। ডিব্ৰুগড় জিলা সাংবাদিক সন্থাইও বিশ্ব পৰিবেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰা লগতে বিভিন্ন প্ৰান্তত প্ৰকৃতি ৰক্ষাৰ সজাগতা অনুষ্ঠিত কৰে।

## পল্টনবজাৰত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৫ জুন ঃ** বিশ্ব পৰিবেশ দিৱস উপলক্ষে আজি মহানগৰীৰ পল্টনবজাৰ স্হিত নেপালী চ'কত এক বৃক্ষ ৰোপণ কাৰ্য্যসূচী ৰূপায়ন কৰা হয়। মহানগৰ বিজেপি ট্ৰেড চেলৰ উদ্যোগত আত্মনিৰ্ভৰশীল ভাৰত মহানগৰৰ সহযোগত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। আত্মনিৰ্ভৰশীল ভাৰত মহানগৰ জিলাৰ সভাপতি দেৱশিষ সেনগুপ্তৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথি হিচাপে প্ৰাক্তন সাংসদ ৰমেন ডেকা, মেয়ৰ মৃগেন শৰনীয়া, বিজেপি গুৱাহাটী জিলাৰ সভাপতি তপন দাস, প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় চৰকাৰ, বিজেপি ৰাজ্যিক মুখপত্ৰ জুৰি শৰ্মা বৰদলৈ উপস্থিত থাকি প্ৰকৃতিক সংৰক্ষণ সম্পৰ্কে চমু বক্তব্য আগবঢ়াই । উল্লেখ্য যে বিজেপি মহানগৰ ট্ৰেডিচেলৰ আহ্বায়ক ৰাজীব দাসে আত ধৰা সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে ভালেসংখ্যক গন্যমান্য ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত আটাইকেগৰাকী বিশিষ্ট অতিথিয়ে একোজোপা গছ পুলি ৰোপণ কৰে।

## ৰঙিয়াৰ বিভিন্ন অঞ্চলত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৫ জুন ঃ** সমগ্ৰ বিশ্বই জুন মাহৰ পঞ্চমটো দিনত পালন কৰে বিশ্ব পৰিবেশ দিৱস। ইয়াৰ লগত সামঞ্জস্য ৰাখি ৰঙিয়া মহকুমাৰ বিভিন্ন অঞ্চলত দল-সংগঠনে আনুষ্ঠানিকভাৱে পালন কৰে বিশ্ব পৰিবেশ দিৱস। ৰঙিয়াৰ অগ্ৰণী অনুষ্ঠান সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনৰ উদ্যোগত কৃষক শ্বহীদ ভৱন প্ৰাংগণত পৰিবেশ দিৱস উপলক্ষে প্ৰয়াত কৰুণাধৰ ডেকা সোঁৱৰণী কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। উদ্যোগতা গিৰিজানন্দ ভট্ট, উজ্জ্বল ডেকা, পঙ্কজপল্লৱ শৰ্মাই এই ধৰণৰ অনুষ্ঠানে পৰিবেশ পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে সদৌ অসম কবি মঞ্চৰ উদ্যোগত কবি জিতু কাঞ্চন, জাভেদ জামান সহ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, আৰক্ষী বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীৰ উপস্থিতিত ৰঙিয়া পৌৰসভা, ৰঙিয়া থানা, ৰঙিয়া আদৰ্শ চিকিৎসালয়,ৰঙিয়া মহাবিদ্যালয়, মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয় ইত্যাদি ঠাইত একোটিকৈ গছপুলি ৰোপণ কৰে।ইয়াৰোপৰি জয়ন্তীপুৰ বুনিয়াদী বিদ্যালয়ত কবি অৰণ্যম কাশ্যপৰ উদ্যোগত বিশ্ব পৰিবেশ দিৱস উপলক্ষে বক্তৃতা প্ৰতিযোগীতা অনুষ্ঠিত কৰি ছাত্ৰ ছাত্ৰীসকলৰ মাজত সজাগতা বৃদ্ধিৰ চেষ্টা কৰা পৰিলক্ষিত হয়।ৰঙিয়া মহকুমাৰ অন্তৰ্গত বালিসত্ৰ আঞ্চলিক (স্বৰ্ণ) সাহিত্য সভাই শিমলুৱা নিউ প্ৰাথমিক বিদ্যালয়ত সভাপতি ইব্ৰাহিম আলী আৰু সম্পাদক সুশিল ডেকাৰ উপস্থিতিত এখন পৰিবেশ সজাগতা সভা আৰু বৃক্ষৰোপণ কৰি বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন কৰা হয়। ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্য্যলয় প্ৰাঙ্গণতো বৃক্ষৰোপণ কৰি পৰিবেশ দিৱস পালন কৰা হয়।

## বিশ্ব পৰিবেশ দিৱস উপলক্ষে কাকজানত চকু চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৫ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কাকজান টো বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি এক চকু চিকিৎসা শিবিৰ সম্পন্ন হয়। আৱাহন যুৱ সমাজ আৰু জাতীয় পুথিভঁৰালৰ সৌজন্যত যোৰহাট লায়ন্স চকু চিকিৎসালৰ সহযোগত অনুষ্ঠিত হোৱা শিবিৰত চকুৰ চানিপৰা ৰোগৰ লগতে বিনামূলীয়া পৰিক্ষা কৰা হয়। অঞ্চলটোৰ প্ৰায় শতাধিক লোকে অংশ গ্ৰহণ কৰা শিবিৰত বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি উপস্থিত থকা লোক সকলে এটিকৈ গছপুলি ৰোপণেৰে 'গছ থাকিলে মানুহ থাকিব' শিৰোগত কৰি কাৰ্যসূচী অনুষ্ঠিত কৰে। অনুষ্ঠিত উক্ত কাৰ্য সূচিত আৱাহন যুৱ মঞ্চৰ সভাপতি আব্দুল হবীব, ইউচুফ আলি, জাহিদুল ইছলাম, ইনুউচ আলি, মইনুল হক, সাংবাদিক মানৱজ্যোতি বৰদলৈ, জয়দ্বীপ বৰা, শংকৰ আজান বিদ্যালয়ৰ সচিব অভিজিত বৰুৱা, দ্বিপেন বৰা উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

## নলবাৰী জিলা বিভিন্ন প্ৰান্তত পালন বিশ্ব পৰিবেশ দিৱস পালন




**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৫ জুন ঃ** ৫ জুন অৰ্থাত আজি বিশ্ব পৰিবেশ দিৱস । দেশৰ বিভিন্ন ৰাজ্যত আজি পালন কৰা হৈছে বিশ্ব পৰিবেশ দিৱস । সেইমৰ্মে আজি ৰাতিপুৱা নলবাৰীৰ নতুন দেহৰ মৌজাৰ অন্তৰ্গত সমন্বয় গ্ৰাম্য আৰ্থ সামাজিক উন্নয়ন সমিতি নামৰ স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত বনভাগ শোলমাৰিৰ বিভিন্ন স্থানত পালন কৰা হয় বিশ্ব পৰিবেশ দিৱস । আনহাতে স্বেচ্ছাসেৱী সংস্থাটোৰ মুখ্য উপদেষ্টা হিতেশ বৰ্মেন কাৰ্যালয়ৰ প্ৰাংগনত গছপুলি ৰোপণ কৰি ভাষণ প্ৰসংগত গছ থাকিলেহে মানুহ থাকিব বুলি মন্তব্য প্ৰকাশ কৰে । স্বেচ্ছাসেৱী সংগঠনটোৱে বিশ্ব পৰিবেশ দিৱস উপলক্ষে স্বেচ্ছাসেৱী সংস্থাটোৰ কাৰ্যালয়ৰ গছপুলি পুলি ৰোপণ কৰাৰ লগতে বনভাগ শোলমাৰিৰ অন্তৰ্গত পাচ গৰাকীকৈ কৃষক,ভালেকেইগৰাকী বিশিষ্ট সমাজকৰ্মী গছপুলি প্ৰদান কৰাৰ লগতে উপেন্দ্ৰ নাৰায়ণ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰোপণ পুলি প্ৰদান কৰা হয় । আজিৰ এই কাৰ্যসূচীত স্বেচ্ছাসেৱী সংগঠনটোৰ সভাপতি প্ৰণৱ কলিতা,সম্পাদক খৰ্গেশ্বৰ ৰাজবংশী,সাংগঠনিক সম্পাদক নয়ন ডেকা সহ সদস্য সকল উপস্থিত থাকে । আনহাতে নলবাৰীত নাৰী শক্তিৰ বিকাশৰ অৰ্থে গঠন হোৱা সংস্থা "ক্ৰিয়েটিভ ওমেন গ্ৰুপ"ৰ সহযোগত উদযাপন কৰা হয় "বিশ্ব পৰিবেশ দিৱস" । নলবাৰী চহৰস্থিত ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী হৰিমন্দিৰ চৌহদত উক্ত সংস্থাৰ উদ্যোগত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয় । সংস্থাটোৰ জন্মদাতা ববিতা ভাৰ্গৱৰ লগতে তেওঁৰ সহযোগী সকলে পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি বৃক্ষ ৰোপণ কৰাৰ লগতে গছ-গছনিৰ তাৎপৰ্য ব্যাখ্যা কৰে । এই কাৰ্যসূচীত উপস্থিত থাকে নলবাৰী শ্ৰী শ্ৰী হৰি মন্দিৰৰ সাধাৰণ সম্পাদক নগেন ডেকা সহ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি । তদুপৰি নলবাৰী জিলাৰ মিলনপুৰত হিন্দু যুৱ ছাত্ৰ পৰিষদ,অসম নলবাৰী জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত কৰা হয় বিশ্ব পৰিবেশ দিৱস । বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি নলবাৰী জিলাৰ মিলনপুৰৰ হনুমান মন্দিৰ চৌহদত বিশ্ব হিন্দু পৰিষদে গছ পুলি ৰোপণ শীৰ্ষক কাৰ্যাসূচীৰ লগতে এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে ।

## টংলা চিলাৰায়ৰ ভৱনত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ৫ জুন ঃ** বিশ্ব পৰিবেশ দিৱস উপলক্ষে আজি টংলা চিলাৰায় ভৱনত ওদালগুৰি জিলা আক্ৰাছু আৰু টংলা আঞ্চলিক আক্ৰাছুৰ উদ্যোগত প্ৰায় দুই শতাধিক গছপুলি ৰোপণ কৰাৰ লগতে ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকে আক্ৰাছু কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচ, ওদালগুৰি জিলা আক্ৰাছুৰ সভাপতি মিন্টু বৰুৱা, সাধাৰণ সম্পাদক মুকুন্দ ডেকা আৰু পংকজ ডেকা,টংলা আঞ্চলিক আক্ৰাছুৰ সভাপতি মুন ডেকা, সাধাৰণ সম্পাদক সুৰুজ ডেকাৰ লগতে আক্ৰাছুৰ সদস্য সকল। অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচে কয় যে, আজিৰ দিনটোত বহুতো গছপুলি ৰোপণ কৰা হয় কিন্তু তাৰ সুৰক্ষা কৰাটো দেখা নাযায় সেয়ে গছৰপুলি ৰোপণ কৰাৰ লগতে ইয়াৰ সুৰক্ষা কৰাটো আমাৰ দায়িত্ব আৰু সকলোকে গছপুলি ৰোপণ কৰাৰ লগতে তাৰ সুৰক্ষা প্ৰদান কৰিবলৈ অনুৰোধ জনালোঁ।

## নাজিৰাত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৫ জুন ঃ** ৰাজ্যখনৰ অন্যান্য জিলাৰ লগতে আজি শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাতো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহকুমাখনৰ বিভিন্ন বিভাগৰ কাৰ্যালয় সমূহৰ চৌহদত পৰিৱেশ সুৰক্ষাৰ বাবে গছপুলি ৰোপণ কৰা হয়। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি নাজিৰা মহকুমা প্ৰশাসন তথা নাজিৰা পৌৰসভাৰ যৌথ উদ্যোগত বৰবৰুৱা পুখুৰী পাৰত পৰিষ্কাৰ অভিযান চলোৱা হয়। নাজিৰা মহকুমাৰ বিষয়া কৰ্মচাৰী সকল তথা বহুকেইগৰাকী সমাজকৰ্মীয়ে এই বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি একোটিকৈ গছপুলি ৰোপণ কৰে। লগতে নাজিৰা মহাবিদ্যালয়ত মহকুমা ভিত্তিত ক শাখা (প্ৰথমৰ পৰা তৃতীয় শ্ৰেণীলৈ) আৰু খ শাখা (চতুৰ্থ ৰ পৰা ষষ্ঠ শ্ৰেণীলৈ)ৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত "সেউজী ধৰণী ধুনীয়া" শীৰ্ষক বিষয়ত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচী শুভাৰম্ভ কৰে অতিৰিক্ত উপায়ুক্ত তথা ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে। প্ৰায় ১৮০ গৰাকী মান ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকন প্ৰতিযোগিতাত ক শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে মীনহাজ হুছেইন, ৰাজলক্ষী গগৈ আৰু বাবৃসা প্ৰাপ্তি মহন্তয়ে। লগতে উদগণিমূলক বঁটা লাভ কৰে আত্ৰিয়া নেওগ আৰু অম্লানজ্যোতি কাকতিয়ে। তেনেদৰে খ শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে সমুজ্বল বৰুৱা, অগ্নিভ দত্ত, কৃপাঞ্জল গগৈ আৰু উদগণিমূলক বঁটা লাভ কৰে বাৰ্বি গগৈ আৰু উপাসনা মাউতে। মহকুমাধিপতি কাৰ্য্যালয়ৰ চৌহদত অনুষ্ঠিত কৰা মুকলি সভাত চিত্ৰাংকন প্ৰতিযোগিতাত বিজয়ী ছাত্ৰ ছাত্ৰী সকলক এখন মানপত্ৰ, গ্ৰন্থ আৰু গছপুলিৰে পুৰস্কৃত কৰা হয়। ইয়াৰোপৰি আজি নাজিৰা মহকুমাধিপতি কাৰ্য্যালয়ৰ সন্মুখত, বৰবৰুৱা পুখুৰীৰ পাৰত সৌন্দৰ্যবৰ্ধনৰ এক প্ৰতীকপট (I LOVE NAZIRA) উন্মোচন কৰে পৌৰসভাৰ সভানেত্ৰী বৰ্ণালী চেতিয়াই ।আজিৰ এই অনুষ্ঠানত বিশিষ্ট ব্যক্তি ৰূপে উপস্থিত থাকে নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপ, নাজিৰা ৰাজহ চক্ৰ বিষয়া ভান লাল লিম্পুই নামপুই,নাজিৰা পৌৰসভাৰ পৌৰপতি বৰ্ণালী চেতিয়া, শিমলুগুৰি পৌৰসভাৰ পৌৰপতি কবিতা মেছ, বনবন্ধু নিৰণ গগৈ আৰু শিক্ষাবিদদ্বয় ৰাজেন শৰ্মা আৰু দেওকন চাংমাই।

## মাজবাটত বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি বন বিভাগৰ গছপুলি ৰোপণ ১০ হাজাৰ গছপুলি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৫ জুন ঃ** আজি বিশ্ব পৰিবেশ দিৱস। সমগ্ৰ ৰাজ্যৰ লগতে ওদালগুৰি জিলাৰ মাজবাটত প্ৰতিকুল বতৰকো নেওচি পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি মাজবাট আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ৰ কৰ্মচাৰী সকলে ৰাতিপুৱা ৫ বজাৰ পৰা ১১ বজালৈ বিভাগটোৰ গাড়ীৰে লালপুল, ৰৌতা, ভালুকমাৰী, ধনশ্ৰী ঘাট, গেলাবিল , ওৰাং, হাবিগাওঁ, মাজবাট, লামাবাৰী আদি অঞ্চল সমূহত প্ৰায় ১০ হাজাৰত কৈ অধিক তিতাচাপ, বনচুম, আমাৰী , লালিপোমা, শিলিখা , আম, জামু, আমলখি , কদম, কঠাল, আদিৰ পুলি বিতৰণ কৰা হয় বুলি মাজবাট আঞ্চলিক বন বিভাগৰ কাৰ্য্যালয়ৰ বিট অফিচাৰ মিন্টু বড়োয়ে সাংবাদিক জানিবলৈ দিয়ে। বড়োয়ে আৰু কয় য়ে মাজবাট অঞ্চলৰ বহু কেইখন স্কুল, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান সমূহক আমাৰ কাৰ্য্যালয়ৰ পৰা বিভিন্ন প্ৰজাতিৰ গছৰ পুলি বিতৰণ




কৰা হয়।লগতে বিশ্ব পৰিৱেশ দিৱসৰ উদ্দেশ্যে ৰাখি আমাৰ কাৰ্য্যালয়ৰ পৰা অঞ্চলৰ বিভিন্ন স্কুল, কলেজ, কাৰ্য্যালয় আদিত গছ পুলি ৰোপণ কৰা হয় ।

## ৰৌতাত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ৫ জুন ঃ** ওদালগুৰি জিলাৰ বৃহত্তৰ ৰৌতা অঞ্চলটো আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। সেয়েহে আজি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানৰ চৌহদত ৰাইজে অংশ গ্ৰহণ কৰি গছৰ পুলি ৰোপণ কৰে। বিশেষকৈ ৰৌতা অঞ্চলটোত থকা ৰৌতা মহাবিদ্যালয়, দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় , ৰৌতা জয়ভদ্ৰ হাগজেৰ মেমৰিয়েল উচ্চ মাধ্যমিক বিদ্যালয়, ৰৌতা জাতীয় বিদ্যালয়, ৰৌতা টাটা টি ঔদ্যোগিক মানত প্ৰশিক্ষণ কেন্দ্ৰ, ৰৌতা ষ্টেচন উচ্চ মাধ্যমিক বিদ্যালয় আৰু ৰৌতাষ্টেচন প্ৰাথমিক বিদ্যালয়কে ধৰি কেইবাখনো বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমতে চাফায় অভিযান চলাই আৰু পুৱাৰ ভাগতে গছৰ পুলি ৰোপণ কৰে । ৰৌতাষ্টেচন এছ এছ বিৰ কেম্পৰ কামাণ্ডাৰৰ নেতৃত্বতো আজি ৰৌতা অঞ্চলটোত প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ আৰু প্ৰদুষণ মুক্ত পৰিৱেশ গঠনৰ ক্ষেত্ৰত দায়িত্ব গ্ৰহণ কৰি 'গছৰ পুলি ৰোপণ কৰা, প্ৰতিদিন বৰ্জন কৰাক, পৰিৱেশ মুক্ত কৰক, ধৰিত্ৰীক সুৰক্ষিত কৰি ৰাখক' আদি বিষয়ক শেগান হিচাপে লৈ অঞ্চলটোৰ ৰাইজ, শিক্ষক, ছাত্ৰ ছাত্ৰীৰ সহযোগত অঞ্চলটোৰ বাটে- ঘাটে গছৰ পুলি ৰোপণ কৰা দেখা যায়।

## হাওৰাঘাটত এনডব্লিউএছৰ উদ্যোগত বিশ্ব পৰিবেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাওৰাঘাট, ৫ জুন ঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাটত দেওবাৰে নেতাজী ৰেলফেয়াৰ ছ'চাইটি আৰু নেতাজী সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্ব পৰিবেশ দিৱস পালন কৰে। এই উপলক্ষে নেতাজী ৰেলফেয়াৰ ছ'চাইটিৰ কাৰ্যালয় চৌহদত একাধিক মূল্যৱান চন্দন গছৰ পুলি ৰোপণ কৰা হয়। বিশিষ্ট চিকিৎসক ডাঃ নিগমানন্দ মাইথাৰ আৰু হাওৰাঘাট মহাবিদ্যালয়ৰ প্ৰবক্তা চিত্ৰা দেৱীয়ে গছপুলি দুটি সংস্থাৰ আহ্বানক্ৰমে আনুষ্ঠানিকভাৱে ৰোপণ কৰে। ডাঃ মাইথাৰে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক পৰিবেশৰ ভাৰসাম্যতা ৰক্ষাৰ স্বাৰ্থত তথা এখন সেউজ সুন্দৰ পৃথিৱী গঢ়াৰ বাবে গছপুলি ৰোপণ অতি জৰুৰী বুলি তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। পৰিবেশ দিৱসৰ বিশেষ দিনটোত নেতাজী ৰেলফেয়াৰ ছ'চাইটিৰ তৰফৰ পৰা সকলোকে নিজৰ জন্মদিনত একোটাকৈ গছপুলি ৰোপণ কৰাৰ লগতে বন্ধুবৰ্গৰ জন্মদিনত গছপুলি উপহাৰ দিয়াৰ পৰম্পৰা গঢ়ি তুলিবলৈ বিনম্ৰ আহ্বান জনায়।





নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথম টেষ্টত বিজয়ৰ পিছত ইংলেণ্ডৰ খেলুৱৈৰ উল্লাস

# পাঁচ বছৰৰ পাছত আন্তৰ্জাতিক সোণৰ পদক লাভ সাক্ষী মালিকৰ

**নতুন দিল্লী, ৫ জুন ঃ** পাঁচ বছৰৰ অপেক্ষাৰ অন্তত আন্তৰ্জাতিক পদক লাভ কৰিবলৈ সক্ষম হ'ল ভাৰতৰ মহিলা মল্লযোদ্ধা সাক্ষী মালিকে। উল্লেখ্য যে চলিত ইউ ডব্লিউ ডব্লিউ ৰেংকিং ছিৰিজৰ ইভেণ্টত সোণ দখল কৰি ৰিঅ' অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ীগৰাকীয়ে প্ৰায় পাঁচ বছৰৰ ভিতৰত প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় স্বৰ্ণ পদক দখল কৰাৰ সফলতা লাভ কৰে। কাজাখাস্তানৰ ইৰিনা কুজনেটছ'ভাৰ বিৰুদ্ধে কাৰিকৰী শ্ৰেষ্ঠত্বৰ দ্বাৰা জয়লাভ কৰি আৰম্ভণি কৰা সাক্ষীয়ে দ্বিতীয় মেচত উজবেকিস্তানৰ ৰুছানা আব্দিৰাছুলোভাৰ বিৰুদ্ধে আন এক সফল যুঁজ দি ৯-৩ ৰ ব্যৱধানত জয়লাভ কৰে। ইফালে, মংগোলিয়াৰ চেৰেণ্চিমেড সুখীক ছেমিফাইনেল হেৰুৱাই সাক্ষীয়ে ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। সাক্ষীয়ে নিজৰ ডাবল লেগ এটেক আৰু চঞ্চলতাৰে প্ৰতিপক্ষক উশাহ লোৱাৰ সুযোগে নিদিলে। আনকি যেতিয়া তেওঁৰ প্ৰতিদ্বন্দ্বীয়ে ৫-৩ ত অগ্ৰগতি লাভ কৰাৰ সন্ধিক্ষণত মেচ চলি আছিল তেতিয়াও সাক্ষীয়ে দৃঢ়তা হেৰুওৱা নাছিল আৰু যোৰদাৰ প্ৰত্যাৱৰ্তনৰে জয়লাভ কৰিছিল। উল্লেখ্য যে অন্তিমবাৰৰ বাবে সাক্ষীয়ে সোণ লাভ কৰিছিল ২০১৭ ৰ কমনৱেলথ



চেম্পিয়নশ্বিপত। ৬২ কিলোগ্ৰাম শাখাত খেলা সাক্ষী ঘৰতে সতীৰ্থ সোণম মালিকৰ হাতত ধাৰাবাহিকভাৱে পৰাস্ত হৈছিল তথা টকিঅ' গেমছৰ বাবেও যোগ্যতা অৰ্জনত ব্যৰ্থ হৈছিল। চলিত প্ৰতিযোগিতাত ভাৰতৰ মানসী আৰু দিব্যা কাকৰণেও প'ডিয়ামৰ শীৰ্ষত স্থান লাভ কৰিছে।

## খেলো ইণ্ডিয়াৰ ভাৰোত্তোলনত অসমৰ ৰেখামনিৰ ব্ৰঞ্জ

**গুৱাহাটী, ৫ জুন ঃ** অসমৰ তিনিগৰাকী খেলুৱৈয়ে হাৰিয়ানাত আৰম্ভ হোৱা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত পদক লাভ কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছে। উল্লেখ্য যে পৰম্পৰাগত ক্ৰীড়া থাংটাত অসমৰ ৰাহুল চৌহান আৰু আলিনাই ৰূপ দখল কৰাৰ বিপৰীতে ভাৰোত্তোলনত ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। আজি হোৱা খেলো ইণ্ডিয়া ইউথ গেমছৰ ভাৰোত্তোলনত ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণিয়ে স্নেচত ৫২ আৰু ক্লিন এণ্ড জাৰ্কত ৫৭ মুঠ ১০৯ কেজি উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। এই শাখাৰ সোণ মহাৰাষ্ট্ৰই আৰু ৰূপ অৰুনাচলৰ ভাৰোত্তোলকে লাভ কৰে। ইফালে, পদক জয়ৰ পাছত ১৭ বছৰীয়া ৰেখামণিয়ে কয় 'মই মোৰ এই প্ৰদৰ্শন তথা সফলতাত সুখী আৰু ভৱিষ্যতে ভাল কাম কৰাৰ আশা কৰিছো।' ৰেখাৰ প্ৰশিক্ষক হ'ল অনুপ কোঁৱৰ আৰু পাৰ্বতী তামাং। উল্লেখ্য যে ধেমাজি জিলাৰ হাতীগড় গাঁৱৰ বাদগড়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৭ বছৰীয়া কলা বিভাগৰ ছাত্ৰী গৰাকীয়ে এইবাৰ একাদশৰ পৰীক্ষাত অৱতীৰ্ণ হৈছে আৰু দ্বাদশ শ্ৰেণীলৈ উন্নীত হোৱাৰ আশা কৰিছে। ইয়াৰ পূৰ্বে ৰেখাই ২০১৯ ত কমনৱেলথ ভাৰোত্তোলন চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰিছিল। উল্লেখ্য যে অসমে এইবাৰৰ চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়ালৈ ১১ গৰাকী ভাৰোত্তোলকক প্ৰেৰণ কৰিছে। ইয়াৰে ছয় গৰাকী ছোৱালী আৰু পাঁচ জন ল'ৰা।

# ফ্ৰেন্স অপেনৰ চেম্পিয়ন নাডাল

## ১৪ বাৰলৈ লাভ কৰিলে ৰোঁলা গেৰোঁৰ খিতাপ ঃ ২২ সংখ্যক গ্ৰেণ্ড শ্লেম খিতাপ লাভ

**পেৰিছ, ৫ জুন ঃ** ক্লে' কোৰ্টৰ অবিসম্বাদী সম্ৰাট ৰাফেল নাডাল আকৌ এবাৰ ফ্ৰেন্স অপেনৰ খিতাপ দখল কৰি ইতিসাহ ৰছনা কৰিলে। উল্লেখ্য যে অভিলেখ ২২ সংখ্যক গ্ৰেণ্ড শ্লেম খিতাপ লাভ কৰাৰ গৌৰৱ অৰ্জন কৰিছে স্পেনিছ তাৰকা ৰাফেল নাডালে। আজি হোৱা ফ্ৰেন্স অপেনৰ ফাইনেলত নাডালে পোনপটীয়া তিনিটা ছেটত কেচপাৰ ৰুডক ৬-৩, ৬-৩, ৬-০ ব্যৱধানত পৰাস্ত কৰি ১৪ বাৰলৈ লাভ কৰিলে ৰোঁলা গেৰোঁৰ খিতাপ। উল্লেখ্য যে ২০০৫ ত ফ্ৰেন্স অপেনত অভিষেক ঘটোৱাৰ পিছত প্ৰতিযোগিতাখনত ১১৪ খন খেলৰ মাত্ৰ তিনিখনতহে পৰাজিত হৈছে নাডাল। কেৰিয়াৰত অভিলেখ সংখ্যক ২২ বাৰৰ গ্ৰেণ্ডশ্লেম বিজয়ী নাডালে টেনিছ ইতিহাসত সৰ্বাধিক গ্ৰেণ্ডশ্লেম খিতাপ জয়ী হিচাপে নিজকে এভাৰেষ্টত প্ৰতিষ্ঠা কৰিলে। উল্লেখ্য যে চলিত ফ্ৰেন্স অপেনৰ কোৱাৰ্টাৰ ফাইনেলত ৰাফেল নাডালে ন'ভাক ডক'ভিচক ৬-২, ৪-৬, ৬-২, ৭-৬ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে চতুৰ্থ ৰাউণ্ডৰ এখন মেচত ক্লে' কোৰ্টৰ বাদশ্বাহ ৰাফেল নাডালে পাঁচটা ছেটৰ এক ধ্ৰুপদী মেচৰ অন্তত কানাডাৰ ফেলিক্স অগাৰ-এলিয়াচিমক ৩-৬, ৬-৩, ৬-২, ৩-৬, ৬-৩ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে ৰোঁলা গেৰোঁৰ ইতিহাসত আটাইটতকৈ সফল টেনিছ তাৰকা হিচাপে পৰিচিত ১৩ বাৰৰ চেম্পিয়ন নাডালে ফেলিক্সক পৰাস্ত কৰিবলৈ চাৰি ঘণ্টা ২১ মিনিট ধৰি যুঁজত অৱতীৰ্ণ হ'বলগীয়া হয়। কেৰিয়াৰৰ ১৭ সংখ্যক ফেন্স অপেন টুৰ্ণামেণ্টত অৱতীৰ্ণ হোৱা নাডালে প্ৰতিযোগিতাখনত এতিয়ালৈকে ১১১ খন খেলত ভাগ লৈছে আৰু কেৱল তৃতীয়বাৰৰ বাবে এইদৰে বিপক্ষৰ বিৰুদ্ধে এখন মেচত পাঁচটাকৈ ছেট খেলিবলগীয়া হৈছিল। বিগত ফ্ৰেন্স অপেনৰ ছেমিফাইনেলত নাডালক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰা ডক'ভিচে সেইবাৰ দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অপেন খিতাপ জয় কৰিছিল। ইফালে, ফাইনেলত প্ৰৱেশৰ পথত ৰুডে ক্ৰ'ৱেছিয়াৰ চিলিকক ৩-৬, ৬-৪, ৬-২, ৬-২ ব্যৱধানত পৰাস্ত কৰে। এইদৰে টেনিছ ইতিহাসত কোনো গ্ৰেণ্ড শ্লেমৰ ফাইনেলত উপনীত হোৱা নৰৱেৰ প্ৰথমজন টেনিছ খেলুৱৈ হিচাপে পৰিগণিত হয় ৰুড। উল্লেখ্য যে ৰুডে নাডালক নিজৰ আদৰ্শ হিচাপে আখ্যা দিয়ে। আজি গুৰুৰ হাতত পৰাস্ত হৈ মুঠেও দুখী নহয় ৰুড। উল্লেখ্য যে নাডাল এইবাৰ ১৯৩০ ৰ ফ্ৰেন্স অপেনৰ ৰানাৰ্ছ-আপ বিল টিল্ডেনৰ পিছতে ৰোঁলা গেৰোঁৰ ইতিহাসত ফাইনেলত উপনীত হোৱা দ্বিতীয়গৰাকী বয়স্ক খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ১৯৩০ ত ফ্ৰেঞ্চ অপেনৰ ফাইনেল খেলাৰ সময়ত টিল্ডেনৰ বয়স আছিল



৩৭ বছৰ। আনহাতে নাডালে ৩৬ বছৰ সম্পূৰ্ণ কৰিছে। উল্লেখ্য যে ছেমিফাইনেলত নাডালৰ প্ৰতিদ্বন্দ্বী আছিল আলেকজেণ্ডাৰ জেভেৰেভ। কিন্তু সোঁ ভৰিৰ আঘাতৰ বাবে খেল আধাতে সামৰিবলৈ বাধ্য হোৱাৰ লগে লগে ফাইনেলত স্থান নিশ্চিত হয় নাডালৰ। সেই সময়ত মেচখনত নাডাল ৭-৬ , ৬-৬ ব্যৱধানত আগবাঢ়ি আছিল।



ইংলেণ্ড আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথম টেষ্টৰ এটি মুহূৰ্ত

## যোগ অলিম্পিয়াডলৈ নিৰ্বাচিত লচন ছেত্ৰী

**গুৱাহাটী, ৫ জুন ঃ** অহা ১৮-২০ জুনত নতুন দিল্লীত অনুষ্ঠিত হ'ব'লগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ অলিম্পিয়াড ২০২২ অংশ ল'বলৈ কোকৰাঝাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ লচন ছেত্ৰী নিৰ্বাচিত হোৱাৰ খৱৰে আনন্দিত কৰি তুলিছে কোকৰাঝাৰ জিলাবাসীক । উল্লেখ্য যে, কোকৰাঝাৰ চহৰৰ নৰ্থ বেংক ক'লণী ৱাৰ্ড নং-তিনিৰ নিবাসী লোক বাহাদুৰ ছেত্ৰী আৰু খৰ্গেশ্বৰী দেৱীৰ কনিষ্ঠ পুত্ৰ লচন ছেত্ৰীক আসন্ন নতুন দিল্লীত অনুষ্ঠিত হ'বলগা ৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ অলিম্পিয়াডৰ বাবে ৰাজ্যিক শিক্ষা গৱেষনা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে নিৰ্বাচিত কৰিছে । স্মৰ্তব্য যে, অসম শিক্ষা গৱেষনা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হোৱা ৰাজ্যিক ভিত্তিত যোগ অলিম্পিয়াডত অংশ লৈ কোকৰাঝাৰৰ লচন ছেত্ৰীয়ে অসম ভিত্তিত দ্বিতীয় স্থান প্ৰাপ্তৰে ৰাষ্ট্ৰীয় পৰ্যায়লৈ নিৰ্বাচিত হোৱাৰ প্ৰমাণপত্ৰ লাভ কৰিছিল।

## ত্ৰিবেদানন্দ দত্ত-ইন্দ্ৰ বৰদলৈ ফুটবল প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ৫ জুন ঃ** কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কাকজান খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে ত্ৰিবেদানন্দ দত্ত আৰু ইন্দ্ৰ বৰদলৈ সোঁৱৰণী পঞ্চম বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ সভাপতি হৃদয়ানন্দ দত্তই পতাকা উত্তোলন কৰা প্ৰতিযোগিতাখনি উদ্বোধন কৰে কাকজান আৰোহণ একাডেমীৰ অধ্যক্ষ জিতেন প্ৰসাদ বৰাই। সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আঁতধৰা উদ্বোধনী অনুষ্ঠানত কাকজান উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ অধ্যক্ষ ৰবীন বৰা, জিলা সাংবাদিকসন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকন, কাকজান ক্ৰীড়া সন্থাৰ সভাপতি তাবাৰুক হুছেইন, ৰূপক ৰঞ্জন শইকীয়া, অধ্যাপক তুফেল জিলানী, ভাস্কৰ ভূঞা, চিৰাজুল ইছলাম প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ১৯ বছৰ অনুৰ্ধ এই ফুটবল প্ৰতিযোগিতাৰ উদ্ধোধনী খেলখনিত নুমলীগড় ৰিফাইনেৰী ফুটবল দলে মৰিয়নী ফুটবল দলক ৬-০ গলত পৰাস্ত কৰে। আনখন ১৩ বছৰ অনুৰ্ধৰ খেলখনিত কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ দলটিয়ে পীড়াকটা ফুটবল দলক ৮-১ গলত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।



ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অনুষ্ঠিত এদিনীয়া মেচত উইকেট দখলৰ পিছত নেডাৰলেণ্ডৰ খেলুৱৈৰ উল্লাস

## জিয়াউৰ ৰহমান আন্তঃবিদ্যালয় ফুটবল

**গুৱাহাটী, ৫ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰুপঁৰ আদৰ্শৰ উচ্চ মাধ্যমিক বিদ্যালয় দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছে । আজি অনুষ্ঠিত প্ৰথমখন খেলত মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চেণ্ট এণ্ড্ৰুজ বিদ্যালয়ক ৪-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে । বিজয়ী দলৰ হৈ হৰিদেৱ বাউৰী, অৰ্বিন তাঁতী, চাহিল লোহাৰ আৰু হেমন্ত তাতীয়ে এটাকৈ গ'ল দিয়ে । বিপক্ষৰ হৈ একমাত্ৰ গ'লটো দিয়ে পাৰ্থ তেতিয়াই । আনহাতে, দ্বিতীয়খন খেলত পঁৰ আদৰ্শৰ জ্যেষ্ঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চেপন উচ্চ মাধ্যমিক বিদ্যালয়ক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে । পঁৰ আদৰ্শৰ জেৰাদ মিঞ্জ আৰু জ্যোতিস্মান চাওৰাই গ'ল দিয়াৰ বিপৰীতে চেপনৰ একমাত্ৰ গ'লটো দিবলৈ সক্ষম হয় সূৰ্য টংলাই । খেল দুখন পৰিচালনা কৰে ক্ৰমে ভৱেশ বৰা, উজ্জল প্ৰতীম বৰঠাকুৰ, ক্ষীৰোদ বৰগোহাঁই, মুন পলাশ ফুকন, আনন্দ মুণ্ডা, দিগন্ত সোনোৱাল, আৰু সুনীল গগৈয়ে ।

## আজিৰে পৰা গুৱাহাটী ক্ৰীড়া সন্থাৰ 'চি' ডিভিজন কোৱালিফায়িং ৰাউণ্ডৰ মেচ

**গুৱাহাটী, ৫ জুন ঃ** কোভিডজনিত পৰিস্থিতিৰ বাবে দুবছৰ ধৰি স্থগিত হৈ থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল লীগসমূহ আকৌ আৰম্ভ হ'ব । কাইলৈৰ পৰা নেহৰু ষ্টেডিয়ামত চি ডিভিজন কোৱালিফায়িং ৰাউণ্ডৰ খেলসমূহেৰে আৰম্ভ হ'ব সন্থাৰ নতুন ফুটবল ছিজন । নেহৰু ষ্টেডিয়ামৰ সেউজ খেলপথাৰ আকৌ প্ৰাণ পাই উঠিব ফুটবলাৰৰ দুভৰিৰ যাদুৰে। উল্লেখ্য যে গুৱাহাটীত স্বীকৃতিপ্ৰাপ্ত প্ৰতিযোগিতামূলক ফুটবল লীগ দুবছৰ বন্ধ হৈ থকাৰ পাছত কোৱালিফাইং ৰাউণ্ডেৰে চাৰি তৰপীয়া জিলা লীগৰ বাবে সাজু হৈছে জি এছ এ । এইবাৰ অভূতপূৰ্ব সঁহাৰিৰে ২০ টা নতুন দলে অংশ ল'ব এই কোৱালিফায়িং ৰাউণ্ডত ।ইয়াৰে দুটা দলে চি ডিভিজনলৈ উন্নীত হ'ব । ১৯ জুনৰ পৰা চি আৰু বি ডিভিজন লীগ একেলগে নেহৰু ষ্টেডিয়ামতে আৰম্ভ হ'ব ।কাইলৈ নেহৰু ষ্টেডিয়ামৰ দুয়োখন গ্ৰাউণ্ডত দুখন খেলেৰে কোৱালিফায়িং ৰাউণ্ডৰ আৰম্ভনি হ'ব । প্ৰথম গ্ৰাউণ্ডত আছাম ৰাইনোজ এফচি আৰু আছাম ৰাৰিয়ৰ্ছ এফচি মুখামুখি হোৱাৰ বিপৰীতে দ্বিতীয় গ্ৰাউণ্ডত মুখামুখি হ'ব হাৰ্ভেষ্ট এফচি আৰু ৰুৰেল স্প'ৰ্টছ ক্লাব । ১৭ জুনত এই প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব।

## পৰম্পৰাগত ক্ৰীড়া থাংটাত অসমে পালে দুটা ৰূপ

**গুৱাহাটী, ৫ জুন ঃ** হাৰিয়ানাত আৰম্ভ হোৱা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমক প্ৰথম পদক দিলে পৰম্পৰাগত ক্ৰীড়া থাংটাৰ দুই খেলুৱৈ ৰাহুল চৌহান আৰু আলিনাই। উল্লেখ্য যে ৰাহুলে ল'ৰাৰ ৬০ কেলোগ্ৰাম শাখাত ৰূপ দখল কৰাৰ বিপৰীতে আলিনাই ছোৱালীৰ ৫২ কেলোগ্ৰাম শাখাত ৰূপ দখল কৰে। চলিত চতুৰ্থ খেলো ইণ্ডিয়া গেমছত পাঁচবিধ পৰম্পৰাগত খেল অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰে এবিধ হ'ল মণিপুৰী মাৰ্চেল আৰ্ট থাং-টা। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে থাং-টা ক্ৰীড়া প্ৰদৰ্শিত হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মেগা ক্ৰীড়া প্ৰতিযোগিতাত। অসমেও এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পদক জয়ৰ সফলতা লাভ কৰিলে। উল্লেখ্য যে থাং-টা প্ৰতিযোগিতাত প্ৰায় ১৪০ জন ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে অধিকাংশ অসম, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, বংগ, বিহাৰ, দিল্লী, জম্মু-কাশ্মীৰ, গুজৰাট, ঝাৰখণ্ড, তামিলনাড়ু, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা আৰু চণ্ডীগড়ৰ। সাধাৰণতে থাংটা খেলত তৰোৱাল ব্যৱহাৰ হয় যদিও খেলো ইণ্ডিয়া ইভেণ্টত তৰোৱালৰ ব্যৱহাৰ হোৱা নাই। খেলুৱৈসকলে চেইবি বা ফুনাচেইৰে প্ৰতিদ্বন্দ্বিতা কৰিছে। এয়া চামৰাৰে ঢাকি থোৱা বেত। প্ৰতিযোগিতাখন ৩০ ফুট ব্যাসৰ বৃত্তাকাৰ এৰিনাত অনুষ্ঠিত হৈছে। এখন মেচত ল'ৰা-ছোৱালীৰ বাবে দুইৰ পৰা তিনি মিনিটকৈ দুটা ৰাউণ্ড অনুষ্ঠিত হয় আৰু এক মিনিটৰ জিৰণি লৈ থাকে। প্ৰতিখন মেচৰ বাবে এজন কেন্দ্ৰীয় ৰেফাৰী, ছয়জন স্ক'ৰাৰ, এজন টাইমকিপাৰ আৰু হয় এজন বা দুজন মুখ্য জুৰীৰ সদস্য নিযুক্তি দিয়া হয়।



নেডাৰলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত এদিনীয়া মেচত ৰেষ্ট ইণ্ডিজৰ খেলুৱৈৰ শ্বট

# শ্বুটিং বিশ্বকাপত ভাৰতৰ দ্বিতীয়টো সোণ

## ফাইনেলত ইউক্ৰেইনৰ শ্বুটাৰক হৰুৱালে স্বপ্নীল-আশীয়ে

**নতুন দিল্লী, ৫ জুন ঃ** আজাৰবাইজানৰ বাকুত চলি থকা আই এছ এছ এফ শ্বুটিং বিশ্বকাপত আজি ভাৰতে আৰু এটা সোণৰ পদক লাভ কৰে। ৫০ মিটাৰ ৰাইফল থ্ৰী পজিচন মিক্সড দলীয় শাখাত ভাৰতৰ হৈ সোণৰ পদক লাভ স্বপ্নিল কুছালে আৰু আশী চৌকছেৰ যুটিয়ে। সোণৰ পদকৰ ফাইনেল খেলখনত ভাৰতৰ স্বপ্নিল আৰু আশীৰ যুটিয়ে ইউক্ৰেইনৰ ছেৰহিয় কুলিছ আৰু দৰিয়া টাইখোভাক ১৬-১২ ৰ ব্যৱধানত পৰাস্ত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ১০ মিটাৰ এয়াৰ ৰাইফল মহিলা দলীয় ইভেণ্টত এলাভেনিল ৱালাৰিৱন, শ্ৰেয়া আগৰৱালা আৰু ৰমিতাৰ দ্বাৰা গঠিত ভাৰতীয় দলে দেশক প্ৰথমটো স্বৰ্ণ পদক দিয়াৰ পিছত ভাৰতৰ চলিত এই আই এছ এছ এফ শ্বুটিং বিশ্বকাপ প্ৰতিযোগিতাত এয়া দ্বিতীয়টো সোণৰ পদক। উল্লেখ্য যে ইয়াৰ উপৰিও ভাৰতীয় শ্বুটাৰসকলে প্ৰতিযোগিতাখনত তিনিটা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে আৰু কোৰিয়াৰ পিছতে পদকৰ তালিকাত দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। ইফালে, চলিত শ্বুটিং বিশ্বকাপত স্বপ্নিলৰ এয়া প্ৰথমটো সোণৰ আৰু সামগ্ৰিকভাৱে তেওঁ তৃতীয়টো পদক লাভ কৰিলে। ইয়াৰ পূৰ্বে তেওঁ পুৰুষৰ থ্ৰীপি ব্যক্তিগত আৰু পুৰুষ দলীয় দুয়োটা শাখাতে ৰূপৰ পদক লাভ কৰিছিল। উল্লেখ্য যে প্ৰতিযোগিতাত ভাৰতে সোণ জয় কৰি অভিযান আৰম্ভ কৰিছিল। ১০ মিটাৰ এয়াৰ ৰাইফল দলৰ মহিলা প্ৰতিযোগিতাত ইলাভেনিল ৱালাৰিৱান, ৰমিতা আৰু শ্ৰেয়া আগৰৱালাৰ দ্বাৰা গঠিত ভাৰতীয় মহিলা দলে দেশক প্ৰথমটো সোণৰ পদক দিয়ে। আন্না নীলছন, এমা কোচ আৰু ৰিকে মেং ইবচেনে প্ৰতিনিধিত্ব কৰা ডেনমাৰ্কক ১৭-৫ ত পৰাস্ত কৰে ভাৰতীয় মহিলা দলে। এই ইভেণ্টত পোলেণ্ডে ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, পুৰুষৰ এয়াৰ ৰাইফল দলৰ প্ৰতিযোগিতাত ক্ৰ'ৱেচিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ মেচত ভাৰত পৰাস্ত হয়। ১২ জনীয়া ভাৰতীয় ৰাইফল দলটোৱে প্ৰত্যশিত প্ৰদৰ্শন কৰিছে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি